# অসম বিধান সভা অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
**তাৰিখ ঃ ০৩/০৪/২০১৮ মঙলবাৰ**

---

**আজি ইংৰাজী ০৩-০৪-২০১৮ তাৰিখে ৰাতিপুৱা ০৯-৩০ বজাত অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্বনিৰ্দ্ধাৰিত সময় সূচী মতে অনুষ্ঠিত হয়।**

**माननीय অধ্যক্ষ ঃ** Question No. 401. Shri Deba Brata Saikia.
**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া আছে।
**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়,চৰকাৰে নতুন ক্ৰীড়া আঁচনি গ্ৰহণ কৰিছে। তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো আৰু পূৰ্বৰ আঁচনিসমূহ বাহাল ৰখা হৈছে বুলি চৰকাৰে অৱগত কৰিছে, নতুনকৈ দুই চাৰিখন আঁচনিও লৈছে। কিন্তু ইয়াতে দুটামান কথা যে যিমান পুঁজি আৱণ্টন কৰা হৈছে সেই অনুসৰি ব্যয় হোৱা নাই। ব্যয় নহ'লে মানে কামবিলাক নহ'ব, গতিকে আঁচনিসমূহ কাগজে পত্ৰই থাকিব আগন্তুক সময়ত কেনেকৈ এই পুঁজিখিনি ব্যয় কৰাৰ ব্যৱস্থা কৰা হব এই বিষয়ে মই জানিব বিচাৰো। লগতে আমাৰ বহুখিনি আন্তঃগাঁথনি আছে খেলৰ সৰুসজাই ষ্টেডিয়াম আৰু অন্যান্য। সেই সমূহে Sports Authority of Assam ৰ নামেৰে নামাকৰণ কৰি এটা Authority বনাই দিয়া হৈছিল যাতে ষ্টেডিয়ামসমূহ মেইনটেইন কৰিব পাৰে, তাৰ কৰ্মচাৰী সকলক দা-দৰমহা দিব পাৰে। এই ক্ষেত্ৰত চৰকাৰক তেওঁলোকৰ এটা দাবী আছিল যে, তেখেতসকলৰ নিয়মীয়াকৈ যাতে দা-দৰমহা দিব পৰা যায় আৰু মেইনটেইন্‌চৰ খৰচ বহন কৰিব পৰা যায়। তাৰ বাবে কেনেকুৱা ব্যৱস্থা লৈছে এইটো মই জানিব বিচাৰো। আৰু অন্য এটা কথা যে, সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত দুখনকৈ খেল পথাৰ প্ৰতি ব্লকত দিয়া হ'ব। আমাৰ বিধায়ক সকলক এই ক্ষেত্ৰত involvement কৰিছে নে নাই মই জানিব বিচাৰো। যিহেতু ইয়াত উল্লেখ আছে যে, প্ৰতিটো ব্লকত দুখনকৈ মুঠ অসমত পাঁচশ খন খেলপথাৰ এইবছৰ উন্নয়ন কৰা হ'ব। কিন্তু নাজিৰা সমষ্টিৰ মোৰ যিটো ব্লক আছে এই বিষয়ত মই একেবাৰে অৱগত হোৱা নাই। কোনেও মোৰ লগত যোগাযোগ কৰা নাই। এইখিনি তথ্য মন্ত্ৰী মহোদয়ে দিলে ভাল পাম।
**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিশেষকৈ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ আন্তঃগাঁথনিৰ বিষয়টোত মাটিবাৰী আৰু বিভিন্ন বিভাগ জৰিত হৈ থাকে। সেয়ে আমি যোৱা বছৰত যিসমূহ আঁচনি গ্ৰহণ কৰিছিলো তাৰে যিটো ভূমিসংক্ৰান্ত কাৰণত আৰু কিছু প্ৰাক্‌কলনটো দেৰি হোৱাৰ কাৰণে অলপ কিছু আঁচনি আমি সময়মতে কৰিব পৰা হোৱা নাই আৰু যিসমূহ আঁচনি এনেধৰণে থাকি গৈছে। এই বছৰত আমি প্ৰাৰম্ভিক পৰ্য্যায়ত আমি কামকাজখিনি আৰম্ভ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছো আৰু দ্বিতীয়তে, আমাৰ যিসমূহ ষ্টেডিয়ামৰ maintenance ৰ বিষয়টো আহিছে এই বিষয়ত মাজে সময়ে তাত বিভিন্ন খেল চলি থকাত কিছু ৰাজহ আমি পাইছো। তাৰে ভিত্তি কৰি আমি যিখিনি contractual employee আছে, তেখেতলোকক

দা-দৰমহা দিয়াৰ ব্যৱস্থা কৰি আছো। আৰু তৃতীয়তে, মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য যোজনাৰ অধীনত প্ৰথম পৰ্য্যায়ত আমি সমগ্ৰ অসমত ৫০০ খন খেলপথাৰ লৈছো। তাৰে ভিতৰত প্ৰত্যেকটো ব্লকত আমি দুখনকৈ খেলপথাৰ নিৰ্মাণৰ বাবে ব্ৰইবাৰ গ্ৰহণ কৰিছো আৰু এই দুইখনকৈ খেল পথাৰ আমি District Sports Officer ৰ দ্বাৰা চিনাক্তকৰণ কৰাৰ ব্যৱস্থা কৰিছো আৰু যদি প্ৰয়োজন হয় মাননীয় বিধায়ক গৰাকীক আমি যোগাযোগ কৰিবৰ কাৰণে তেখেতক পৰামৰ্শ আগবঢ়াইছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন ধৰণৰ পুঁজিৰ যোগেৰে বিভিন্ন জিলা মহকুমা বা অন্যানা গ্ৰাম্যঞ্চলত ষ্টেডিয়াম আন্তঃগাঁথনি নিৰ্মাণ কৰা হৈছে। MLA Fund, MP Fund অথবা Central Government ৰ NLCPR বা অন্যান্য পুঁজিৰ যোগেৰে। কিন্তু এই সমূহত অনুষ্ঠানটো হৈ যোৱাৰ পাছত তাত বিভিন্ন ছাত্ৰ-ছাত্ৰী খেলুৱৈ সকলে অংশ গ্ৰহণ কৰে আৰু খেলা-ধুলা কৰি থাকে। কিন্তু এই সমূহৰ maintenance ৰ কোনো সুবিধা নাই, তাতে কোনো চৰকাৰৰ ফালৰ পৰা পুঁজি যোগান ধৰা নহয় বা বহুবছৰ হৈ গ'লে সেই বিলাকৰ infrastructure বিলাকৰ প্ৰব্লেম হয়। সেই গতিকে চৰকাৰে কিবা এটা আঁচনিৰ বিবেচনা কৰিব নেকি ? যাৰ যোগেৰে অসমত থকা যিসমূহ ষ্টেডিয়াম বা Sports Complex আছে সেই সমূহক Annual Grant দিব পৰা যায়আৰু তাত যদি প্ৰশিক্ষক নাই, প্ৰশিক্ষক নিয়োগ কৰি অসমৰ ছাত্ৰ-ছাত্ৰীসকলক খেলৰ প্ৰতি আৰু উৎসাহিত কৰিব পৰা যায়।

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ প্ৰায়বিলাক ষ্টেডিয়ামত Committee আছে। স্থানীয় কমিটি সমূহ, জিলা ক্ৰীড়া সন্থা আৰু আমাৰ District Sports Officer ৰ এনেধৰণে সাঙুৰি কমিটিখনৰ পৰিচালনা কৰাৰ ব্যৱস্থা কৰা হৈছে। আৰু কিছু কিছু ক্ষেত্ৰত এনেধৰণৰ ব্যৱস্থা ৰখা নাই। গতিকে এই বিষয়টো আমি পৰীক্ষা কৰি চাম আৰু বিহীত ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী উৎপল দত্ত।

**শ্ৰী উৎপল দত্ত, (লক্ষীমপুৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই তিনিনম্বৰত জনাইছে বিভিন্ন খেলৰ বাবে আন্তঃজিলা ক্ৰীড়া প্ৰতিযোগিতা, ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। এতিয়া জিলা বিলাকত কেতিয়াবা কেতিয়াবা ষ্টেট লেভেলৰ খেল একোখন অনুষ্ঠিত হয়। এতিয়া অলপ দিনৰ আগত বিহপুৰীয়াত ভলীবল কম্পিটিশ্যন, ষ্টেট লেভেল অনুষ্ঠিত হৈছিল। এই সম্পৰ্কত মন্ত্ৰীক এটা অনুদান বিচৰা হৈছিল। মন্ত্ৰীয়ে Director লৈ লিখি দিলে। আমি Director ৰ তালৈ গ'লো। তেওঁলোকে কৈছে আমাৰ কোনো পইচা নাই। এতিয়া মই সেই কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যে, যেতিয়া ষ্টেট লেভেলৰ খেল এখন ডিষ্ট্ৰিক এখনত অনুষ্ঠিত হয়, তেতিয়া ডাইৰেক্ট লেভেলৰ পৰা মিনিমাম এটা অনুদান দিয়াৰ ব্যৱস্থা থাকিব লাগে। সেই কাৰণে গোটেই বছৰটোৰ কাৰণে অন্ততঃ এককোটি টকা Director Office ত থাকিব লাগে। ষ্টেট লেভেল খেলবিলাক যেতিয়া অনুষ্ঠিত হয়, তেতিয়া যাতে Directorate য়ে সেই অনুদানটো দিয়ে আৰু যাতে সেই জিলাখনে ষ্টেট লেভেল খেলখন কৰিব পাৰে তাৰ কাৰণে এটা ব্যৱস্থা ৰখাৰ ব্যৱস্থা কৰিব নেকি ? মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই এইটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Minister.

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু খেলৰ প্ৰতি আমাৰ চৰকাৰে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতে অধিক গুৰুত্ব প্ৰদান কৰি আহিছে আৰু সময়ে সময়ে আমি পুঁজি সাপেক্ষে কিছুমান খেলত অলপ অলপ অনুদান দিয়াৰ ব্যৱস্থা কৰিছো,

যদিও এইখিনি যথেষ্ট নহয়। যোৱাকালি মাননীয় সদস্য গৰাকীয়ে এটা প্ৰস্তাৱ ৰাখিছে লক্ষীমপুৰত ৰাজ্যিক পৰ্য্যায়ত কাবাডী প্ৰতিযোগিতাৰ কাৰণে আৰ্থিক অনুদানৰ কাৰণে এটা প্ৰস্তাৱ ৰাখিছে। গতিকে সকলো দিশখিনি চাই অহা দিনখিনিত এনেধৰণৰ খেলখিনি পৰিচালনা বা উৎসাহিত কৰাৰ বাবে এই বাজেটখনিত আমি কিছু ধন ধাৰ্য্য কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। শ্ৰী তপন গগৈ।

**শ্ৰী তপন কুমাৰ গগৈ, (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী গৰাকীয়ে কেইটামান সুন্দৰ উত্তৰ দিছে। মোৰ এতিয়া দুটা প্ৰশ্নৰ এটা হৈছে যে, আমাৰ গাৱে-ভূঞে যিবিলাক ক্লাৱ বা সংঘ আছে, এইখিনি ক্ষেত্ৰত তেওঁলোকক উৎসাহিত কৰিবৰ কাৰণে খেলৰ সামগ্ৰী দিয়াৰ ব্যৱস্থাটো এইবাৰ কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** এইটো আপোনাৰ প্ৰশ্নই আছে আজি। বোধকৰো কোনোবাই ইয়াতে দিছে। এইটো প্ৰশ্ন নং ৪০৫ ত আছে।

**শ্ৰী তপন কুমাৰ গগৈ, (সোণাৰী) ঃ** ইয়াতে সোমাই যিহেতু দিছে।

**মাননীয় অধ্যক্ষ ঃ** নালাগে। এইটো তালৈ আহিব। প্ৰশ্ন নং ৪০৫ ত পাম গৈ।

**শ্ৰী তপন কুমাৰ গগৈ, (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা তাত আছে যে শাৰীৰিক যিখিনি শিক্ষা আমাৰ বিদ্যালয় বিলাকত দিবৰ কাৰণে আগতে এপইণ্টমেণ্ট দিয়া হয়। এতিয়া বহুবছৰ সেইটো দিয়া নাই। এতিয়া আমাৰ যিসকলে পাচ কৰি আছে, তেনেকুৱাখিনিক দিবৰ কাৰণে কিবা স্কীম লৈছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** তেওঁৰ আগৰ প্ৰশ্নটোৰো উত্তৰ আপুনি পাৰিলে দি দিব প্ৰশ্ন নং ৪০৫ ত আছে। মই সেই কাৰণে গম পাইছো।

**শ্ৰী নৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ ক্ৰীড়া বিভাগৰ এটা আঁচনি আছে, য'ত নেকি আমি সময়ে সময়ে সস্থা বা সংঘ বা মাননীয় বিধায়ক সকলৰ আবেদনৰ ভিত্তিত কিছু ক্ৰীড়া সামগ্ৰী যোগান ধৰি অহা হৈছে আৰু এই ২০১৬-১৭ বৰ্ষটো এই আঁচনিখনৰ কিছু সীমিত পুঁজি আছে। চাৰে যোল্ল লাখ টকাৰ এনেধৰণৰ সামগ্ৰী আমি বিতৰণ কৰিছো। আৰু ২০১৭-১৮ বৰ্ষটো আমি কিছু এনেধৰণে সামগ্ৰী দিয়াৰ ব্যৱস্থা কৰা হৈছে। তাৰোপৰি যোৱা ২০১৬-১৭ বিত্তীয় বৰ্ষত আমাৰ ক্ৰীড়া সামগ্ৰী বিতৰণৰ বাবে ১২৬ টা সমষ্টিৰ বাবে এটা পুঁজি নিৰ্ধাৰণ কৰিছিলো। এই বিষয়টোত এতিয়া টেণ্ডাৰ প্ৰক্ৰিয়া হৈছে। ইতিমধ্যে যোগানকাৰীয়ে বস্তু বাহিনী বিভাগত জমা দিছে। আমি এচেম্বলীৰ পাছতে সকলো বিধান সভা সমষ্টিলৈ এই সামগ্ৰী দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ**-ঠিক আছে, আবুল কালাম ৰচিদ আলম

**শ্ৰীআবুল কালাম ৰচিদ আলম, বিধায়ক ঃ**- মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেক ব্লকত দুখনকৈ খেলপথাৰ দিব, সেইটো মোৰ জ্ঞাত নহয়। মোকো যাতে জ্ঞাত কৰে সেইটো অনুৰোধ থাকিল। মাটিয়া মোৰ সমষ্টিত গোৱালপাৰা জিলাৰ গোৱালপাৰা সমষ্টিৰ মাটিয়া উন্নয়ন খণ্ডৰ অধীনত এখন মিনি ষ্টেডিয়াম হৈ আছে, আজি বহুত বছৰৰ পৰা দেখি আছো। সেইটো এতিয়ালৈ কাম সম্পুৰ্ন হোৱা নাই, এইটো কেতিয়া আৰম্ভ হৈছিল আৰু কেতিয়া শেষ হব?

**মাননীয় অধ্যক্ষ ঃ**- এইটো Specifically তথ্য থাকিব লাগিব তেওঁৰ লগত এই মুহুৰ্তত। ঠিক আছে, মন্ত্ৰী মহোদয়।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমগ্ৰ গ্ৰামোন্নয়ন যোজনাৰ অধীনত

play field Development ৰ বিষয়টো মাননীয় সদস্য গৰাকীয়ে তেখেতৰ সমষ্টিৰ বিষয়ে কৈছে। এই বিষয়ে জিলা ক্ৰিয়া বিষয়াক আপোনাৰ লগত যোগাযোগ কৰিবৰ কাৰনে আমি পৰামৰ্শ আগবঢ়াম। আৰু দ্বিতীয়তে আপুনি যিখন ষ্টেডিয়ামৰ কথা কৈছে, এইটো আমি পৰীক্ষা কৰি চাম।

**মাননীয় অধ্যক্ষ ঃ-** Question No-402 কমলী বসুমতাৰী

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত ৰখা হৈছে।

**শ্ৰীমতী কমলী বসুমতাৰী, বিধায়িকা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই যিখিনি জানিব বিচাৰিছিলো, সেই খিনিৰ মই উত্তৰটো পাইছো, আৰু মই ধন্যবাদ দিছো। আৰু মই দুটা Suplementory কৰিম একে লগতে। অধ্যক্ষ মহোদয়, ইয়াত যাৱতীয় যিবিলাক সা-সামগ্ৰী যোগান ধৰা হৈছে, মই নিজে চাই আহিছো। তাৰ উপৰিও যিটো শিক্ষক নিযুক্তি, Gr.-iv, L.D.A, বিভিন্ন ধৰনৰ যিখিনি কৰ্মচাৰী তাত প্ৰয়োজন, সেই শিক্ষকখিনি কেনেকৈ নিযুক্তি দিয়া হব? সেইটো জনালে মই ভাল পাম। আৰু তৰো পৰি আমাৰ মডেল স্কুল খন ইতিমধ্যে নিৰ্মান কাম প্ৰায় ৮০ শতাংশ সম্পুৰ্ন হৈছে। ইয়াত বাউণ্ডেৰীৰ প্ৰয়োজন আছে, যিহেতু তাত হোষ্টেলো আছে। তাত মাটিৰ কাম আছে approach road নাই। সেইখিনি ব্যৱস্থা কেনেকৈ কৰিব পাৰে মোক জনাব নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া প্ৰশ্নৰ উত্তৰটো বাইদেউৱে হয়তো ভালকৈ পাইছে। এইটো আমাৰ Additional Chief Engineer, BTC তেখেতক আচবাব যিখিনি লাগে তাৰ Order খিনি দিয়া হৈছে আৰু তাৰোপৰি স্কুলখনৰ কাম ৯৮ শতাংশ সম্পূৰ্ন হৈছে কিন্তু শিক্ষক সকল নিযুক্তি নোহোৱাৰ কাৰণে, যিহেতু মডেল স্কুল, নতুনকৈ নিযুক্তি দিব লগা শিক্ষক সকল যাতে অলপ ভাল অৰ্হতাসম্পন্ন হয়,গতিকে recruitment টো যিটো ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ যিটো গাইড লাইন এই গাইডলাইন মতে শিক্ষক সমুহ নিযুক্তি হ'ব আৰু তাৰ উপৰিও যিটো বাউণ্ডেৰী ওৱালৰ কথা আমাৰ বাইদেউৱে কৈছে, তেওঁ শুনি সুখ পাব যে সেই স্কুলখনৰ বাউণ্ডেৰী ওৱালৰ কাৰনে ২০ লাখ টকা ইতিমধ্যে ধাৰ্য্য কৰা হৈছে.। ২০১৯-২০ চনত শিক্ষাবৰ্ষত এই স্কুল আৰম্ভ কৰা হব এইটো Under CBSE হব।

**শ্ৰীমতী কমলী বসুমতাৰী, বিধায়িকা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বাউণ্ডেৰী ওৱালৰ কাৰনে তেনেকে পইচা ধাৰ্য্য কৰা নাই। মই Untied fund ৰ পৰাহে ২০ লাখ টকা দি থৈছো। কিন্তু এলেকাটো ইমান ডাঙৰ, এই২০ লাখ টকাৰে সেইটো সম্পুৰ্ন নহয়। তাৰ উপৰিও মাটিৰ কাম বহুত আছে। ঠাইখনো অলপ দ। মাটিৰ Earth filling ৰ বহুত প্ৰয়োজন। approach road নাই। approach road লাগিব। সেইখিনিৰ ব্যৱস্থাৰ কথাহে কৈছো, ২০ লাখটো মইহে দিছো চাৰ। Untied fund ৰ মইহে দি থৈছো। এতিয়াও কাম আৰম্ভ কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ-** হৈছে কামটো। টকাটো সকলো ৰাইজৰে টকা।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বাইদেউৱে ২০ টকাটো দিছে, ধন্যবাদ দিছো তেওঁক। কিন্তু আমাৰ শিক্ষা মন্ত্ৰী Planning ৰ Minister । গতিকে গোটেই পইচাখিনি Planning Department পৰাই যায় পইচাখিনি Untied fund ৰ। গতিকে শিক্ষা বিভাগৰ মন্ত্ৰীৰ পৰাই পইচাটো। আপুনি recommendation দিছে, বেলেগ কথা। গতিকে অধ্যক্ষ মহোদয়, বাইদেউৱে এইটো এটা ভাল আৰ্দশ দেখুৱাইছে। আমাৰ ৫০ লাখ টকা প্ৰত্যেকজন মাননীয় সদস্যই পায়। আৰু এইটো Planning ৰ পৰা দিয়া হয়।

**মাননীয় অধ্যক্ষ ঃ-** তেখেতে অলপ Additional বিচাৰিছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সেই ৫০ লাখৰ হয়তো বেলেগত দিছো। বাইদেউৰে তাতে দিছে বেয়া কথা নহয়। কিন্তু মন্ত্ৰী একেজনেই, তাৰ পৰাই গৈছে।

**মাননীয় অধ্যক্ষ ঃ-** তেখেতে Additional প্ৰয়োজন আছে বুলি কৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, Additional অলপ প্ৰয়োজন যিটো আছে সেইটো আমি পৰীক্ষা কৰি চাম।

**মাননীয় অধ্যক্ষ ঃ-**কমল সিং নাৰ্জাৰী ।

**শ্ৰীকমল সিং নাৰ্জাৰী, বিধায়কঃ-** মাননীয় অধ্যক্ষ মহোদয়, আদৰ্শ বিদ্যালয় যিবোৰ All Assam ভিত্তিত আছে, গতিকে মই এটা পলিচি তেখেতক দিব বিচাৰিছো, শিক্ষা মন্ত্ৰী নাই, হয়তো আমাৰ শিক্ষা বিভাগৰ বিষয়া সকল আছে। আমাৰ যি আদৰ্শ বিদ্যালয় সদৌ অসমত যিটো স্থাপন কৰিবলৈ গৈ আছে, তাত কিছুমান ৯৬ শতাংশ হৈছে, কিছুমান ৯৮ শতাংশ হৈছে কিছুমান ১০০ শতাংশ হৈছে, কিন্তু সেই বিদ্যালয় সমুহৰ যিটো বিল্ডিং এতিয়ালৈকে বিভাগক হস্তান্তৰ কৰা হোৱা নাই। নোহোৱাৰ ফলত তেওঁলোকে আজি লৈকে শ্ৰেণী আৰম্ভ কৰিব পৰা হোৱা নাই। আমাৰ এই আদৰ্শ বিদ্যালয় সমুহত কোনো ধৰনৰ বাউণ্ডেৰী ওৱালৰ প্ৰভিজন ৰখা হোৱা নাই। গতিকে সদৌ অসম ভিত্তিত

এইটো বাউণ্ডেৰী ওৱালৰ প্ৰভিজন ৰাখিব নেকি? আপোনাৰ জৰিয়তে মই এইটো সদনত উত্থাপন কৰিছো যে সকলোবোৰ আদৰ্শ বিদ্যলয়ত বাউণ্ডেৰী ওৱালৰ ব্যৱস্থা কৰিব নেকি? তাৰ পাচত যিবিলাক ১০০ শতাংশ হৈ গৈছে, বিভাগক হস্তান্তৰ কৰাৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী ডাঙৰীয়া,

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰী নিয়ম মতে মাননীয় সদস্য গৰাকীয়ে কোৱা মতে ১০০ শতাংশ হৈ গৈছে বুলি কৈছে, মাত্ৰ এখন ৰৈছে দৰং ৰ বেচাবাৰীৰ বাতাবাৰীৰ আদৰ্শ বিদ্যালয়খন হৈছে।

**শ্ৰীকমল সিং নাৰ্জাৰী, বিধায়কঃ-** চাৰ, আমাৰ বিজনীৰ বলাপুৰ খনো ১০০ শতাংশ হৈ গৈছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** অধ্যক্ষ মহোদয়, আমাৰ ১০০ শতাংশ এখন হৈছে, বাকী ৯০ শতাংশ এখন ৯৫ শতাংশ হৈছে, ৮৫শতাংশ ৮৯ শতাংশ হৈছে, ইত্যাদি। গতিকে যিবোৰ ১০০ শতাংশ হ'ল, সেই বিলাকত আমাৰ শিক্ষক নিযুক্তি আৰু আচবাবখিনি যোগান ধৰাৰ পাছতহে আমি স্কুল সমুহ আৰম্ভ কৰিব পাৰিম। তাৰো পৰি, যিটো বাউণ্ডেৰী ওৱালৰ কথা টো কৈছে, সেই ক্ষেত্ৰত ২০ লাখ টকাকৈ Additional পইচা ইতিমধ্যে ধৰা হব।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক ঃ-** এইটো Untied fund ৰ নেকি?

**মাননীয় অধ্যক্ষ ঃ-** please, please, you should not ask and you should not reply Both.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** এইটোত আপোনাৰ প্ৰয়োজন নাই।

**মাননীয় অধ্যক্ষ ঃ-** please, He should not asked and you should notalso reply. This is the way . please give your answer.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** অধ্যক্ষ মহোদয়, গতিকে এতিয়া বাউণ্ডেৰী ওৱালটো আমি Untied fund ৰ পৰা দিওঁ কৰবাৰ পৰা দিওঁ, বাউণ্ডেৰী ওৱাল হব লাগে। আমাৰ এই বিদ্যালয় সমুহ ১০০ শতাংশ হোৱাৰ পাচত আমাৰ এই বছৰত অতি সোনকালে ৭ খন স্কুলৰ বাউণ্ডেৰী ওৱালৰ কথাখিনি আমি বিবেচনা কৰিম।

মাননীয় অধ্যক্ষ ঃ- Thank you, মহেশ্বৰ বড়ো।

শ্ৰী মহেশ্বৰ বড়ো, বিধায়ক ঃ- মাননীয় অধ্যক্ষ মহোদয়, আদৰ্শ বিদ্যালয়, অসমৰ বিভিন্ন সমষ্টিত হৈ আছে, আমাৰ সমষ্টিবোৰ বৰ্তমান বঞ্চিত। নতুনকৈ আৰু দিয়াৰ কিবা পলিচি আছে নেকি চৰকাৰৰ ? মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ তৰফৰ পৰা ৮১ খন স্কুল ঠিক কৰা হৈছিল তাৰে ৭৬ খন স্কুল মানৱ সম্পদ মন্ত্ৰালয়ে অনুমোদন জনাইছে। অনুমোদিত স্কুলসমূহৰ প্ৰতিখন স্কুলৰ বাবে ৩.৬২ কোটি টকা দিয়া হৈছে আৰু ৭ খন বিদ্যালয় এইবাৰ আমাৰ স্থাপন হ'ব। নতুনকৈ স্কুলৰ কোনো প্ৰস্তাৱ নাই। মাননীয় সদস্যগৰাকীয়ে যদি শিক্ষা বিভাগলৈ প্ৰস্তাৱ দিয়ে তেতিয়া শিক্ষা বিভাগে বিবেচনা কৰি চাব, মই হ'ব বুলি কোৱা নাই। কাৰণ ৰাজ্যিক শিক্ষাবিভাগে এইটো নকৰে, এইটো Ministry of Human Resource Development ত্ৰ কৰে। সেইবাবে ৰাজ্যিক শিক্ষা বিভাগে Ministry of Human Resource Developmentক অনুৰোধহে কৰিব পাৰিব আৰু যদি তেওঁলোকে বিবেচনা কৰে তেতিয়া হ'লে হ'ব। অধ্যক্ষ মহোদয় ভাৰত চৰকাৰৰ M.S.D.P. আঁচনিৰ পৰা ২১ খন নতুন Residencial model school আহিছে। গতিকে সেইটো শিক্ষাবিভাগৰ লগত জড়িত। এতিয়া ২১ খন আৰু ৮১ খন মুঠ ১০২ খন হ'ল। অধ্যক্ষ মহোদয় তাৰ পিছতো যদি লাগে তেতিয়া হ'লে সদস্যসকলে অনুৰোধ কৰিব আৰু শিক্ষা মন্ত্ৰীয়ে মানৱ সম্পদ মন্ত্ৰালয়ৰ লগত আলোচনা কৰিব - বিবেচনা কৰিব। অধ্যক্ষ মহোদয় মই আপোনাকহে ক'ব বিচাৰিছো যে আজি আপুনি ইয়াত উল্লেখ কৰাৰ দৰে Climate - The change that we don't want. আমাৰ বিদ্যালয়ৰ বাউণ্ডাৰী ৱালৰ কথা সকলোৱে কলে ঠিকে কিন্তু এটা কথা কোনো মাননীয় বিধায়কে নকলে যে বিদ্যালয়ৰ চৌহদৰ চাৰিওফালে গছ-গছনি ৰুব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া, আপুনিয়েই গছ ৰুবলৈ আহ্বান জনাই দিয়ক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কিন্তু কংক্ৰীটৰ প্ৰতি আকৰ্ষণ ঠিকে আছে বাউণ্ডাৰী ৱাল, বিল্ডীং এই বিলাক। গছ-গছনি ৰোৱা নাই, স্কুলসমূহৰ বিদ্যুৎৰ কথাটো কি হ'ব, সেইবিলাক কথা কোনেও চিন্তা নকৰিলে। এইবিলাকৰ বাবে অতিৰিক্ত টকা আছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪০৩ শ্ৰীবিনন্দ শইকায়ী। তেখেত অনুপস্থিত গতিকে এতিয়া প্ৰশ্ন নং ৪০৪ শ্ৰীফণীভূষণ চৌধুৰী। মাননীয় মন্ত্ৰী।

**শ্ৰীনৱ কুমাৰ দলে (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয় প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীফণীভূষণ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰত উল্লেখ কৰিছে যে 'মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আইন'ৰ অধীনত আজিলৈকে ৪,১৪,৫৫১ খন আঁচনি লোৱা হৈছিল তাৰে ১,৪৯,৫৭৫ খনৰ কাম সম্পূৰ্ণ হোৱা নাই - অসম্পূৰ্ণ অৱস্থাত আছে। এই কামসমূহ কিয়া আৰু কি কাৰণে অসম্পূৰ্ণ হৈ আছে সেই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জনালে ভাল পাম। দ্বিতীয়তে আধৰুৱা কামৰ ১,৪৯,৫৭৫ খনৰ ৪৪৯৭ খন আঁচনি বন্ধ কৰি দিয়া হৈছে বুলিও উল্লেখ কৰিছে - গোৱালপাৰাত ২৩৫ টা, গোলাঘাটত ১৪৬৫ টা, হাইলাকান্দিত ১৫৩৪টা, তিনিচুকীয়াত ৭২২ টা আৰু ওদালগুৰিৰ ৫৪১ টা আধৰুৱা কাম বন্ধ কৰা হৈছে। অধ্যক্ষ মহোদয়, এই আধৰুৱা কামসমূহ কিয় বন্ধ কৰিলে ? কি কাৰণত এই কামসমূহ আধৰুৱা হৈ থাকিল মাননীয় মন্ত্ৰী মহোদয়ে জনালে ভাল পাম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীনৱ কুমাৰ দলে (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, 'মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আইন'ৰ অধীনত আজিলৈকে ৪,১৪,৫৫১ খন আঁচনি গ্ৰহণ কৰা হৈছিল তাৰ ভিতৰত ২,৬৪,৯৭৬ খনৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু ১,৪৯,৫৭৫ খনৰ কাম অসম্পূৰ্ণ হৈ আছে। মাননীয় অধ্যক্ষ মহোদয় প্ৰায়খিনি কাম ২০১৭-১৮ বৰ্ষৰ কাম। বিশেষকৈ 'মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আইন'ৰ গাইড লাইনত এটা কথা কোৱা হৈছে যে ৬৫ শতাংশ ধন Natural Resource Management সম্বন্ধীয় কামত খৰছ কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে এই খৰছটো সমগ্ৰ ৰাজ্যখনৰ বাবে হিচাপ কৰে। ইয়াক কোনো সমষ্টি বা উন্নয়ন খণ্ডৰ ভিত্তিত গণ্য কৰা নহয়। Natural Resource Management সম্বন্ধীয় প্ৰধান কাম সমূহ হ'ল - Soil and Water Conservation, Ground Water Recharge, Plantation, Rain water harvesting, Irrigation, Land Related works etc. যিহেতু ২০১৭-১৮ বিত্তীয় বৰ্ষত ৰাজ্যখনৰ Natural Resource Managementৰ অধীনত হোৱা খৰচৰ পৰিমান মাত্ৰ ৪৪ শতাংশহে হৈছে আৰু যিহেতু বছৰটোত এম.জি. এনৰেগাৰ আধিনত বেছি খৰচ গ্ৰাম্য পথ নিৰ্মাণৰ ক্ষেত্ৰত কৰা হৈছে সেয়েহে Natural Resource Managementৰ খৰচৰ হাৰ বৃদ্ধি কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰাম্য পথ নিমাৰ্ণৰ কাম সাময়িকভাৱে বন্ধ কৰি থোৱাৰ ফলত ওপৰত উল্লেখ কৰা পথৰ কামসমূহ সম্পূৰ্ণ কৰিব পৰা নাই। ইয়াৰোপৰি বহু বিষয়া আৰু কৰ্মচাৰী এন.আৰ.চিৰ অধীনৰ কামত নিয়োজিত হৈ থকাৰ ফলত উক্ত কাম সম্পূৰ্ণ কৰাত অসুবিধাৰ সৃষ্টি হৈছে। অসম্পূৰ্ণ হৈ থকা কামৰ ওপৰত চৰকাৰৰ পুংখানুপুংখ অধ্যয়ন আৰু অহৰহ প্ৰচেষ্টাৰ ফলস্বৰূপে ২০১৬-১৭ বিত্তীয় বৰ্ষত সম্পূৰ্ণ কৰা ২০,৮০০ টা কামৰ বিপৰীতে২০১৭-১৮ বিত্তীয় বৰ্ষত ৪৮,৩৩৬ টা কাম সম্পূৰ্ণ হৈছে। ইয়াৰ আগতে ২০১৫-১৬ বিত্তীয় বৰ্ষত মাত্ৰ ১৫,৯৮৬ টা কাম আৰু ২০১৪-১৫ বিত্তীয় বৰ্ষত মাত্ৰ ১৯,৫৩২ টা কামহে সম্পূৰ্ণ কৰিব পৰা গৈছিল। উল্লেখনীয় যে 'মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন'ৰ অধীনত সম্পূৰ্ণ হ'বলৈ বাকী থকা ১৪৯৫৭৫ টা কামৰ ভিতৰত ৮৫২২৯ টা কাম ইং ২০১৭-১৮ বিত্তীয় বৰ্ষত হাতত লোৱা হৈছে। বাকী থকা ৬৫,২৫২ টা কাম ২০১৬-১৭ আৰু ইয়াৰ আগৰ বছৰ সমূহৰ কাম কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা মৰ্মে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যিসমূহ কামৰ বৰ্তমানলৈকে কোনো ধৰণৰ খৰচ হোৱা নাই, সেইসমূহ কাম MGNREGA ৰ পৰা আঁতৰাই থকা হৈছে। যিবোৰ আঁচনিত আৱন্টিত ৰাশিৰ ১০০ শতাংশ খৰচ কৰা হৈছে, সেই কামসমূহ অগ্ৰাধিকাৰ ভিত্তিত অনতিপলমে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা হৈছে। যিসমূহ কামত আৱন্টিত ধনৰ ৭৫ শতাংশতকৈ বেছি খৰচ কৰা হৈছে সেই সমূহৰ Details Project Report (DPR) সংশোধন কৰি কামসমূহ সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অধ্যক্ষ মহোদয় মাননীয় সদস্য গৰাকীয়ে আধৰুৱা কামৰ ১,৪৯,৫৭৫ খনৰ আঁচনিৰ ৪৪৯৭ খন আঁচনি সম্পৰ্কত যিটো প্ৰশ্ন কৰিছে সেই সম্পৰ্কত জনাও যে বিভিন্ন সময়ত প্ৰাকৃতিক দুযোৰ্গৰ বাবে, বানপানী হোৱাৰ ফলত কিছুমান কাম সম্পূৰ্ণ হোৱা নাই। এইসমূহ কামো আমি অতি সোনকালে সম্পূৰ্ণ কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছো। D P R সমূহ Revised estimate কৰি হ'লে কামখিনি কৰাৰ ব্যৱস্থা কৰিবলৈ আমি ব্যৱস্থা গ্ৰহণ কৰিছোঁ। ইয়াৰোপৰিও কামসমূহ সম্পূৰ্ণ কৰিবলৈ ৰাজ্যিক পৰ্য্যায়ৰ পৰা বিষয়া, কৰ্মচাৰী প্ৰেৰণ কৰি জিলাসমূহৰ কামৰ অগ্ৰগতিৰ ওপৰত পৰ্য্যবেক্ষণ কৰি থকা হৈছে। ইয়াৰ বাবে ৰাজ্যিক পৰ্য্যায়ত এজনকৈ Project

Monitoring and Evolution Officer, Works Officer, Junior Engineer আদি বিষয়াক ঠিকাভিত্তিক নিয়োগ কৰা হৈছে। সকলো কাম তদাৰক কৰি যাতে সময়মতে কাম শেষ কৰিব পাৰি তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰিছোঁ।

**শ্ৰীফণীভূষণ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ 'ঘ'ৰ উত্তৰত কৈছে যে মজুৰি শিতানত ২০১৪-১৫ বিত্তীয় বৰ্ষত ৪০৬.৯২ লাখ, ২০১৫-১৬ বিত্তীয় বৰ্ষত ৭৪৬.৮৯ লাখ, ২০১৬-১৭ বিত্তীয় বৰ্ষত ২০৩৭.৩৯ লাখ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষত ৪৪৭৬.১০ লাখ টকা অনাদায় হৈ আছে। এই অনাদায় সমূহ ২০১৪-১৫ বিত্তীয় বৰ্ষৰ পৰা আছে অধ্যক্ষ মহোদয়। গতিকে এই জৱকাৰ্ড হোল্ডাৰ সকলৰ অনাদায় টকাটো কেতিয়া দিব সেই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জনালে ভাল পাম। অধ্যক্ষ মহোদয়, ৭৫২ টা পৰিয়ালে কাম বিচৰাৰ পিছতো কাম পোৱা নাই আৰু জৱকাৰ্ডৰ কাম বিচৰাৰ পিছত কাম নাপালে 'মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আইন'ত থকা এটা নিৰ্দ্দিষ্ট ধাৰা অনুসৰি তেওঁলোকক মাননি দিব লাগে। এই ব্যৱস্থাটো মাননীয় মন্ত্ৰী মহোদয়ে কিয় কৰা নাই আৰু কেতিয়া কৰিব সেই কথাটো জনালে ভাল পাম।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী,পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ঃ ক্ৰমশঃ** মাননীয় অধ্যক্ষ মহোদয়, মজুৰি শিতানৰ যি ২০১৪- ১৫, ২০১৫-১৬ আৰু ২০১৬-১৭ বিত্তীয় বৰ্ষৰ কথা মাননীয় সদস্য গৰাকীয়ে কৈছে। যিহেতুকে যোৱা ডিচেম্বৰ মাহৰ পৰা কেন্দ্ৰীয় চৰকাৰে মজুৰিৰ শিতানত দিয়া ধন পোৱাত আমাৰ পলম হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে অৱগত কৰিছে আৰু এই সপ্তাহৰ ভিতৰতে কম দিনৰ ভিতৰত এই শিতানৰ ধন আমাক মুকলি কৰি দিয়াৰ কথাও কৈছে। আমি আশা ৰাখিছো এই কম দিনৰ ভিতৰতে দিব পাৰিম। যিহেতু এই মজুৰি শিতানৰ ধন কম আছিল। সেইবাবে ৰাজ্যিক বাজেটৰ পৰা আমাৰ ২০০ কোটি টকা advance হিচাপ দিয়াৰ ব্যৱস্থা কৰিছে আৰু দুই এদিনৰ ভিতৰতে ইয়াৰ ব্যৱস্থা কৰিম। দ্বিতীয়তে, আমাৰ MGNEREGA ৰ ৫৭২ টা পৰিয়ালে কাম বিচৰাৰ পিছতো আমি কাম দিব পৰা নাছিলোঁ। যিহেতুকে MGNEREGA ৰ অধীনত কাম বিচাৰিলে কাম দিব নোৱাৰিলে। আমি Unemployed Allowance দিব লাগে যদিও চলিত বিত্তীয় বৰ্ষত ৭৭২ টা পৰিয়ালক যিহেতুকে প্ৰাকৃতিক দুৰ্যোগ আৰু চৰকাৰী নিৰ্দেশনাৰ দৰে বাস্তবায়িক কাৰণত কাম বিচৰাৰ পিছতো কাম দিব পৰা নগ'ল। আমাৰ F.T.A বন্ধ হোৱাৰ কাৰণে আৰু বানপানীৰ সময়তো তেওঁলোকে এইখিনি আবেদন কৰিছিল । কিন্তু সেইখিনি সময়ত আমাৰ ব্যৱস্থাটো বন্ধ আছিল। সেইকাৰণে ৭৭২ টা পৰিয়ালক আমি Unemployed Allowance দিব নোৱাৰিম।

**মাননীয় অধ্যক্ষ ঃ** Next Question এতিয়া কমল সিং নাৰ্জাৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী কমল সিং নাৰ্জাৰী(বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, MGNEREGA is a Central Act. ভাৰত চৰকাৰে যিহেতুকে এই এক্টখন তৈয়াৰ কৰিছিল, মাননীয় অধ্যক্ষ মহোদয়, সেই মতে মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কিছু উত্তৰ দিছে। কিন্তু উত্তৰটো আমি সুবিধাজনক পোৱা নাই। গতিকে মই আপোনাক জনাব বিচাৰিছোঁ। ২০১৫-১৬ বিত্তীয় বৰ্ষত যিটো Pipe Line system ত কাম কৰিবৰ কাৰণে কামৰ অনুমোদন দিয়া হৈছিল। সেই অনুমোদন দিয়াৰ পাছত, কাম কৰাৰ পিছত আজিলৈকে যি Job Card Employee সকল আছে, তেওঁলোকে তেওঁলোকৰ Wage ৰ পইচা পাবলৈ সক্ষম হোৱা নাই। যিসকলে কাম কৰাত সহায় কৰিছিল, তেওঁলোকেও নিজৰ Materials ৰ পইচা পাবলৈ সক্ষম হোৱা নাই । কিন্তু কেতিয়া দিব এই

সম্পৰ্কত BTC এলেকাৰ Principal Secretary ক তদন্ত কৰিব দিয়া হৈছিল। Finance Section ত তদন্ত কৰাৰ পিছত গোটেই যাৱতীয় তথ্য-পাতি জমা দিয়াৰ পিছতো ২০১৪-১৫চনৰ সেই Wage ৰ পইচা আৰু Materials ৰ পইচা আজিলৈকে কিয় পাবলৈ সক্ষম হোৱা নাই?

তাৰ পিছত আমি জানিবলৈ পাইছোঁ যে যিবোৰ কাম হৈছে, সেইবোৰ হোৱাৰ পিছতো Wash-out কৰিবৰ কাৰণে নিৰ্দেশ দিয়া বুলি শুনিবলৈ পাইছোঁ। এইটো কিমান দূৰ সঁচা বা মিছা মাননীয় অধ্যক্ষ মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী,পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি আগৰ প্ৰশ্নৰ উত্তৰত কৈছোঁ যে যিখিনি মজুৰি শিতানৰ যিখিনি ধন সেইখিনি ডিচেম্বৰ মাহৰ কেন্দ্ৰীয় বাজেটত শেষ হৈ যোৱাৰ কাৰণে দিয়াত অলপ পলম হৈছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰ লগত যোগাযোগ কৰি থকা হৈছে। দুই-এদিনৰ ভিতৰতে সকলো মজুৰিৰ ব্যৱস্থা কৰা হ'ব। যিসকল হিতাধিকাৰী তেওঁলোকৰ একাউণ্টত পইচাটো দিয়াৰ ব্যৱস্থা কৰিম। দেৰী হোৱাৰ কাৰণে ৰাজ্যিক বাজেটৰ পৰাও ২০০ কোটি টকা আম্াৰ ইয়াত দিয়াৰ ব্যৱস্থা কৰিছে, এইখিনি আমি দিয়াৰ ব্যৱস্থা কৰিম। দ্বিতীয়তে, সামগ্ৰী শিতানত আমাৰ পৰ্য্যাপ্ত পৰিমাণৰ ধন জমা হৈ আছে। ইতিমধ্যে প্ৰত্যেক জিলা পৰ্য্যায়ত এই সমগ্ৰী শিতানৰ ধন খিনি মোকলাই দিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। কিছুমান সময়ত বিভিন্ন অভিযোগ পোৱাৰ কাৰণে আমি সকলো সামগ্ৰী শিতানৰ বিষয়খিনি যাতে চালি-জাৰি চাই দিয়াৰ কাৰণে ব্যৱস্থা কৰিছোঁ। আমি কিছু ক্ষেত্ৰত আমি বিভাগীয় ভাৱে য'ত এনেধৰণৰ লেহেমীয়া হৈছে, তাক আমি জনাৰ কাৰণে ব্যৱস্থা কৰিছোঁ। তেওঁলোকে জনাইছে যে কিছুমান ক্ষেত্ৰত নথি-পত্ৰসমূহ উচিতভাৱে চোৱাৰ কাৰণে কিছু সময়ৰ প্ৰয়োজন হয় আৰু তাৰ কাৰণে কিছুমান ব্লকত সামগ্ৰী শিতানৰ ধনখিনি দিয়াত দেৰী হৈছে। কিন্তু সামগ্ৰী শিতানৰ ধন ৰাজ্যখনত পৰ্য্যাপ্ত পৰিমাণে আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰাজদীপ গোৱালা ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰাজদ্বীপ গোৱালা (লক্ষীপুৰ) ঃ** Hon'ble Speaker Sir, we can see in the reply 2017-18.I would like to ask the Hon'ble Minister through you that out of 1141 Schemes taken up in Cachar,only 105 Schemes were completed. In 2017-18 ,2856 Schemes were taken up but only 26 have been completed.we can also see that there is a big difference in the schemes that are been taken up in different blocks. In 2017-18 Raja Bazar Block , Cachar district 70 schemes have been taken up and in some blocks 300 schemes have been taken up.Whether there will be a balance in the blocks as to how many schemes have to be taken up. Because then there will no equal distribution of works on the blocks.So I would like to know about it from the Hon'ble Minister.

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী,পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বিষয়টো দৃষ্টিগোচৰ কৰিছে। আমি বিষয়টো চালি-জাৰি চাম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া দেবানন্দ হাজৰিকা ডাঙৰীয়াদেৰে কওঁক। Every Legislative party will entitle to ask one Question.

**শ্ৰী দেবানন্দ হাজৰিকা (বিহপুৰীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা শব্দই অলপ খেলি-মেলি লগাইছে। কথাটো হৈছে, এঠাইত কোৱা হৈছে আঁচনি,আন এঠাইত কোৱা হৈছে আইন। আমি জনাত এইটো আইন। পাৰ্থক্যটো জানিব পৰা নাই। আচলতে ভুলটো কোনফালে হৈছে, ধৰিব পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কওঁক।

**শ্ৰী দেবানন্দ হাজৰিকা (বিহপুৰীয়া) ঃ** মোৰ প্ৰশ্নটো হৈছে, এইটো আঁচনি নে আইন। মই জনাত আইন। এইটো শুদ্ধ কৰিব লাগে। দ্বিতীয়তে, Vendor নিযুক্তিৰ ক্ষেত্ৰত এটা সীমা বান্ধি দিয়া হৈছে বুলি শুনিছো। যিবিলাক ঠিকাদাৰৰ Turn over 1 core and above হ'ব, তেওঁলোকে Vendor নিযুক্তি পাব পাৰে। এনেকুৰা কথাটো সত্য নেকি ? যদি সত্য হয়, আমাৰ যিবোৰ নিবনুৱা ল'ৰাই বেপাৰ-বাণিজ্য কৰিব বিচাৰিছে, তেওঁলোকে কিন্তু আমাক খুব আমনি কৰি আছে। এনেকুৰা হ'লে অসুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় মন্ত্ৰীয়ে কওঁক।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী,পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, Vendor ৰ কাৰণে আমি এটা registration ৰ ব্যৱস্থা কৰিছিলোঁ। কাৰণ বিভিন্ন সময়ত Vendor সামগ্ৰী যোগাৰ ক্ষেত্ৰত অভিযোগ-প্ৰতি অভিযোগ পোৱাৰ কাৰণে এটা নিৰ্দিষ্ট Vendor সৃষ্টি কৰাৰ বাবে আমি এটা নিয়মাৱলী কৰিছোঁ। যিহেতু সময় লৈ Credential ৰ ওপৰত এক Turn over কৰি এক কোটি টকাৰ ব্যৱস্থ আমি প্ৰথমতে কৰিছিলোঁ। তেতিয়া আমি দেখিলোঁ যে তাত আমাৰ কিছু কাৰিকৰী অসুবিধা আছে। স্থানীয় বিভিন্নজনে আৰু মাননীয় বিধায়কসকলে ইয়াৰ দৃষ্টিগোচৰ কৰিছে। তাৰ পিছত আমি ৫০ লাখ টকালৈ কৰাৰ ব্যৱস্থা কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই কওঁক। Now I am going one each. Next time you take.

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী(নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মাননীয় মন্ত্ৰী মহোদয়ে জব কাৰ্ড সম্পৰ্কে এটা ভাল তথ্য দিছে যে অসমত প্ৰায় ৪৩ লাখ Job card holder আছে। এইখিনি তথ্য ঠিক আছে। কিন্তু ছাৰ, বাস্তৱ তথ্যটো হ'ল, Job card ৰ against ত মই জনাত MGNEREGA ত মজুৰি ১৮০/১৮২ টকাকৈ দিয়া হৈছে। কিন্তু বাস্তৱ সত্যটো হ'ল, কোনেও ১৮০/১৮২ টকাত কাম নকৰে। কামবোৰ হ'ল যে GRS পঞ্চায়তৰ Secretary আৰু BDO মিলি এই JCB, ট্ৰেক্টৰ আদি লগাই কামবোৰ কৰে। Job card বোৰ দিয়ে, যিসকল মানুহৰ Job card Show কৰে। ধৰক, এজন মানুহৰ একাউণ্টত ১০০০ টকা সোমালে, সেই GRS, BDO আৰু পঞ্চায়ত Secretary য়ে টকাৰ বিনিময়ত যিহেতু তেওঁৰ একাউণ্টত সোমাল, তেওঁক ২০০ বা ৩০০ টকা Commission দি দিয়ে।এইটো ছাৰ, এটা ব্যাপক অনিয়ম। মই যদি দুৰ্নীতি বুলি কওঁ, চৰকাৰে বেয়া পাব। যিহেতুকে MGNEREGA টো এটা কেন্দ্ৰীয় বিষয়। অসম চৰকাৰে এইটোৰ মজুৰি বৃদ্ধি কৰিব নোৱাৰে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছোঁ যাতে Central Government ৰ লগত আলোচনা কৰি মজুৰিটো বৃদ্ধি কৰিব লাগে। কাৰণ ১৮০/১৮২ টকা মজুৰিত আজিৰ দিনত কোনেও কাম নকৰে।

**শ্ৰী নৱ কুমাৰ দলে,ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে

যি বিষয় উত্থাপন কৰিছে, সেই বিষয়টো হৈছে জবকাৰ্ডৰ বিষয়। আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পিচতেই, এনেধৰণৰ Machinaries ব্যৱহাৰ কৰি বা বিভিন্ন ধৰণৰ ভূৱা জবকাৰ্ড ব্যৱহাৰ সম্বন্ধে আমাৰ দৃষ্টি গোচৰ হৈছিল আৰু আমি বিভাগটোৰ দায়িত্ব লোৱাৰ পিচতেই, প্ৰথম পৰ্য্যায়তেই জব কাৰ্ড Audit ৰ ব্যৱস্থা কৰছিলো । এই Audit ৰ ব্যৱস্থাটো গোটেই ৰাজ্য জুৰি আমি প্ৰায় ৪.৫০ লাখ ভূৱা জবকাৰ্ড পাইছিলো। এই জবকাৰ্ড সমুহ আমি cancelation ৰ ব্যৱস্থা কৰিছিলো , আৰু এই ভূৱা জবকাৰ্ড ব্যৱহাৰৰ ফলত প্ৰায় ১ লাখ ১৮৩ টকাকৈ প্ৰত্যেক দিন মজুৰি হিচাপত আমাৰ প্ৰত্যেক দিনাখন ৮ কোটি ২৩ লাখ টকাকৈ লোকচান হৈ আছিল । বছৰত ১৬৪ কোটি টকা এনেধৰনৰ পূঁজি আমাৰ অপব্যৱহাৰ হৈ আছিল । গতিকে আমি গোটেই বিষয়টো তদন্ত কৰি ৪.৫০ লাখ জবকাৰ্ড cancel কৰাৰ ব্যৱস্থা কৰিছো । ইতিমধ্যে যিখিনি জবকাৰ্ড আছে, পুনৰ পৰীক্ষাৰ বাবে লোৱা হৈছে , আৰু কিছু কিছু ঠাইত এনেধৰণৰ অভিযোগ আহিছে, আমি সেইবোৰ ঠাইতো পৰীক্ষা কৰি চোৱাৰ বাবে ব্যৱস্থা ৰাখিছো ।

**माননীয় অধ্যক্ষ ঃ-** আৰু মজুৰি বৃদ্ধি কৰাৰ বিষয়টো , । কি হ'ল ।

**শ্ৰী নৱ কুমাৰ দলে, ৰাজ্যিক (স্বতন্ত্ৰ)মন্ত্ৰী ঃ-** দ্বিতীয়তে, চাৰ আমি মজুৰি বৃদ্ধি কৰাৰ বিষয়টো, যিহেতুকে এম.জি. এনৰেগাৰ জৰিয়তে স্থানীয় ভাৱে মহিলা সকলক উৎসাহিত কৰাৰ কাৰণে এই আইনখনৰ ব্যৱস্থা কৰা হৈছিল ,তৎসত্বেও, যিহেতুকে ১৮২ টকাৰ বিষয়টো বিভিন্ন সময়ত যেতিয়া আমি field ত গৈছিলো তেতিয়া বিভিন্ন পক্ষৰ পৰা এই বিষয়ে আমাক দৃষ্টিগোচৰ কৰিছিল। আৰু এটা আমাৰ ভাল খবৰ যে যোৱা মাৰ্চ মাহৰ পৰা কেন্দ্ৰীয় চৰকাৰে ১৮৯ টকাকৈ মজুৰি বৃদ্ধি কৰাৰ ব্যৱস্থা এটা ইতিমধ্যে হাতত লৈছে ।

**মাননীয় অধ্যক্ষ ঃ-** Question No.405. Hon'ble Member, Shri Bhabendra Nath Bharali.

**মাননীয় অধ্যক্ষ ঃ-** Minister please, Question No.405.

**শ্ৰী নৱ কুমাৰ দলে, ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়, খেলৰ সামগ্ৰী সমূহ যোৱা কেইটা বছৰত আমি নাই পোৱা। এইবাৰ দিয়াৰ কথা কৈছে। কিন্তু বৰ্তমানলৈকে আমি একো পোৱা নাই আৰু যদি দিছে বাজেটৰ টকা একেবাৰে কম ,সেইটো আমি নাজানো,সম্ভৱ প্ৰতি সমষ্টিত ১২টা ক্ৰীড়া সংঘত দিব।

**মাননীয় অধ্যক্ষ ঃ-** Your Question, please.

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, বিধায়ক ঃ-** গতিকে, মোৰ প্ৰশ্নটো হ'ল, সংখ্যাটো বৃদ্ধি কৰিব নেকি ? দ্বিতীয়তে, কেতিয়াৰ পৰা এই ব্যৱস্থাতো গ্ৰহণ কৰিব । মাননীয় মন্ত্ৰী মহোদয়ে অকণমান জনাবনে ?

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ ।

**শ্ৰী নৱ কুমাৰ দলে, ৰাজ্যিক (স্বতন্ত্ৰ ) মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০১৬-১৭বিত্তীয় বৰ্ষত, খেলৰ সামগ্ৰী বিতৰণৰ বাবে ১কোটি টকা ধাৰ্য্য কৰা হৈছিল আৰু সেইমতে আমি ১২৬ টা বিধান সভা সমষ্টিত দিয়াৰ বাবে ইতিমধ্যে Proqurement কৰা হৈছে ।

অহা ৬ এপ্ৰিল, ২০১৮তাৰিখৰ পৰা এইটো দিয়াৰ ব্যৱস্থা কৰিম । ইতিমধ্যে সামগ্ৰীসমূহ আহি গৈছে গতিকে মাননীয় সদস্য সকল আপোনালোক সকলোকে জনাইছো যে এই সামগ্ৰীখিনি অহা

৬ এপ্ৰিল, ২০১৮ তাৰিখৰ পৰা দিয়াৰ ব্যৱস্থা কৰিম । এইবাৰ যিহেতুকে এই পুঁজিৰ বাবে ক্ৰীড়া সামগ্ৰীৰ বিষয়টো লৈ সকলো মাননীয় সদস্যসকল concern , এই বিষয়ে আমি বিত্ত বিভাগক জনাইছিলো। যোৱাবাৰ ১ কোটি টকা আছিল, কিন্তু এইবাৰ ২০১৮-১৯ বিত্তীয় বৰ্ষত এই পুঁজিটো ১.৫০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ ।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, বিধায়ক ঃ**- মাননীয় অধ্যক্ষ মহোদয়, এই খেলৰ সামগ্ৰীখিনি দিয়াৰ ব্যৱস্থাটো কি ধৰণে বাচনি কৰিব । এইটো অকণমান কব নেকি ?

**শ্ৰী নৱ কুমাৰ দলে ,ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰত্যেক সমষ্টিত ১২ টাকৈ Registered Club সমূহত দিয়াৰ ব্যৱস্থা ৰাখিছো আৰু মাননীয় সসস্য সকলে সেই ক্লাব সমূহ চিনাক্ত কৰি দিলে ভাল হব ।

**মাননীয় অধ্যক্ষ ঃ**- মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ**- মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিত্ত মন্ত্ৰীয়ে কৈছিল যে ষ্টেটৰ এইবাৰ বাজেটত যিখিনি ঘোষণা কৰা হৈছে, সেইখিনি আমাৰ Next দুটা Budgetত Implement কৰা হব । ভাল পাইছো অধ্যক্ষ মহোদয়। বাজেটৰ ১১২ নম্বৰ প্ৰশ্নটো, যোৰহাট, কৰিমগঞ্জ, ডিফু, মংগলদৈ, তেজপুৰ, তিনিচুকীয়া ষ্টেদিয়ামত ফ্লাড লাইট নিৰ্মাণ কৰিবৰ কাৰণে ৫ কোটি টকা হ'ব। অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে, কৰিমগঞ্জ আদিকে কৰি এই বিত্তীয় বৰ্ষত এই কামটো আৰম্ভ কৰিব পাৰি নেকি ?

**মাননীয় অধ্যক্ষ ঃ**- এই বিষয়টো খেলৰ সামগ্ৰীৰ লগত জড়িত । আপুনি Related নোহোৱা বিষয় এটাহে সুধিছে। ইয়াৰ লগতে আপুনি ফ্লাড লাইটৰ কথাও কৈছিল, কিবা তথ্য আছে যদি মন্ত্ৰী ডাঙৰীয়াক দিয়ক, নহ'লৈ পিছত দিব ।

**শ্ৰী নৱ কুমাৰ দলে ,ৰাজ্যিক (স্বতন্ত্ৰ ) মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এইবাৰ বাজেটত আমি ফ্লাড লাইট ষ্টেডিয়ামত দিয়াৰ ব্যৱস্থা বাজেটত নিৰ্দ্ধাৰণ কৰা হৈছে, এইখিনি কাম এই বিত্তীয় বৰ্যতে আমি আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ ঃ**- Thank you. Question No.406. Hon'ble Member ,Shri Bhabesh kalita.

**শ্ৰী নৱ কুমাৰ দলে,ৰাজ্যিক(স্বতন্ত্ৰ) মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰী ভবেশ কলিতা, বিধায়ক ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰবোৰ পাইছো । ২০১৪ চনত অসমত যি ২১৯টা ব্লক আছিল, তাৰ-উপৰিও ৫৪টা ব্লক ঘোষণা কৰা হৈছিল । সেই ব্লক সমূহ ঘোষণা কৰাটো ঠিকেই আছে । অধ্যক্ষ মহোদয়, ব্লক সমূহ এনেকুৱাকৈ আছে, যে কিছুমান সমষ্টিত ৩টা ব্লক আছে, কিছুমান সমষ্টিত ১টা ব্লক আছে। গতিকে প্ৰতিটো সমষ্টিতে ২টাকৈ ব্লক হ'লে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিতো ৩টা ব্লক ক'ভাৰ হৈ আছে । এখন পঞ্চায়তত অকলে এটা ব্লক জড়িত হৈ থাকে । এই বিলাক Recognised কৰাৰ প্ৰয়োজন আছে। তেতিয়াহ'লে আমাৰ কামবিলাক ঠিক হব । কাৰণ ব্লকৰ বহুত গুৰুত্বপূৰ্ণতা আছে । আমাৰ শতকৰা ৮০ ভাগ মানুহ গাঁৱত থাকে । গাঁৱৰ উন্নয়নৰ কাৰণে আজি যি পঞ্চায়তৰ ওপৰত চৰ্চা হৈছে, সেয়েহে পঞ্চায়তৰ ওপৰত আপোনাকো মই অনুৰোধ কৰিম। এই সম্পৰ্কত আপোনাৰ Iniciative ত চৰ্চা হব লাগিব । এই ব্লক বিলাক পুনৰ গঠন কৰাৰ প্ৰয়োজন আহি

পৰিছে । পুৰণি ব্লকবিলাকৰ অৱস্থা অতি বেয়া । লগতে আমাৰ বিডিঅ' সকলক তাত থকাৰ ব্যৱস্থা কৰা হৈছে যদিওঁ তেওঁলোক তাত থকাৰ বা বে চৰকাৰী আৱাস গৃহ নাই । এই সকলোখিনি কথা আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক মই জনাইছো । এই ক্ষেত্ৰত বিত্তৰ ব্যৱস্থা কৰিব লাগিব । আৰু নতুনকৈ যি ৪৯টা উন্নয়ন খণ্ড গঠন কৰাৰ যি প্ৰক্ৰিয়া এই প্ৰক্ৰিয়াটো খৰটকীয়া কৰিলে মই ভাল পাম ।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী ডাঙৰীয়া ইয়াৰ উত্তৰটো চমুকৈ দিব ।

**শ্ৰী নৱ কুমাৰ দলে, ৰাজ্যিক(স্বতন্ত্ৰ) মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০-০২-২০১৬ তাৰিখে , অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত এটা আছিল । তাত ৪৯টা নতুন উন্নয়ন খণ্ডৰ সম্পৰ্কত ব্যৱস্থা লোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল । সেই সিদ্ধান্তটোত কৰ্মচাৰীৰ পৰিমাণ, বিত্তীয় ব্যৱস্থা আৰু আন্তঃগাঠনিৰ বিষয় সমূহ তাত সন্নিবিষ্ট কৰা হোৱা নাছিল । তাৰ উপৰিও যি ৪৯ টা ব্লকৰ ক্ৰিয়েচনৰ বাবে কেবিনেটে অনুমোদন দিলে, তাৰ পিছত বহুটো দল সংগঠনে এই সম্পৰ্কত আপত্তি কৰিলে । কিছুমান সন্মানিত বিধায়ক সকলেও বিষয়টো আপত্তি কৰি বিভাগলৈ লিখিতভাবে প্ৰেৰণ কৰিছিল । সেইবাবে এই গোটেইবোৰ বিষয় চালিজাৰি চোৱাৰ কাৰণে আমি আয়ুক্ত পৰ্য্যায়ত ব্যৱস্থা ৰাখিছো আৰু এই বিষয়ে আমি যোৱা ১৯-০২-২০১৮ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিভগীয়ভাৱে দৃষ্টিগোচৰ কৰাৰ পিছত তেখেতে পুনৰ সকলো বিষয় চালি জাৰি চায় ব্যৱস্থা লোৱাৰ বাবে আয়ুক্ত পৰ্য্যায়ত এটা ব্যৱস্থা ৰাখিছে ।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া সন্মানিত সদস্য শ্ৰী শিলাদিত্য দেৱ ।

**শ্ৰী শিলাদিত্য দেৱ, বিধায়ক (হোজাই) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হোজাই সমষ্টিত ২টা ব্লক আছে । ব্লক দুটা হ'ল - যোগীজান ব্লক আৰু ধলপুখুৰী ব্লক । অৰ্গেনাইজেচন ঠিকে আছে, কিন্তু তাত ষ্টাফ ৰ এটা ডাঙৰ সমস্যা হৈ আছে । তাত বি.ডি.অ' নাই । প্ৰায় এক বছৰৰ পৰা বি.ডি.অ' নাই । উক্ত ব্লকত বি.ডি.অ' কেতিয়া নিযুক্তি দিব, সেই বিষয়টো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ-** মাননীয় মন্ত্ৰী ।

**শ্ৰী নৱ কুমাৰ দলে, ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী, ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান ২১৯টা উন্নয়ন খণ্ডৰ প্ৰায় ৮০ টা বি.ডি.অ' পদ খালী হৈ আছে । গতিকে আমি এই পদ সমূহ পূৰণৰ বাবে বিভাগীয় কামকাজ খিনি আগবঢ়াই আছো । তৎসত্বেও সন্মানীয় সদস্য গৰাকীয়ে, যি কথা দাঙি ধৰিছে ,তাৰ এটা ব্যৱস্থা কৰিম ।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া শ্ৰীমতী কমলী বসুমতাৰী । আপুনি চমুকৈ কব ।

**শ্ৰীমতী কমলী বসুমতাৰী, বিধায়িকা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি আগৰ মতে ডাইৰেকচন পাইছিলো । প্ৰতিটো সমষ্টিত ২টা ব্লক থাকিব লাগে । কিন্তু ন'হল। মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যি তালিকা দিছে হৰিশিঙাটো মোৰ পানেৰী সমষ্টিৰ নহয়, এইটো ওদালগুৰি সমষ্টিৰ ,পানেৰী সমষ্টিৰ নহয় । এই সম্পৰ্কত মই ইতিমধ্যে যোগাযোগও কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ-** এই তথ্যটো শুধৰাই দিব লাগিব ।

**শ্ৰীমতী কমলী বসুমতাৰী, সদস্যা, (পানেৰী) ঃ-** পানেৰী সমষ্টিৰ কাৰণে ডিমাকুছি আৰু ভেৰগাওঁ একজিষ্টিং আছে । মই নতুনকৈ ডিমাকুছিত বিচাৰিছো ।এই বিষয়টো মন্ত্ৰী ডাঙৰীয়াই জানে । এই তথ্যটো মোৰ নহয় ।

**শ্ৰীআমিনুল ইছলামঃ** অধ্যক্ষ মহোদয়, ৪৯ খন নতুন Block ঘোষণা কৰা হৈছিল কিন্তু

উত্তৰত যিখন তালিকা দিয়া হৈছে ইয়াত ৬৫ খন  দিয়া হৈছে। ১২ খন বেছিকৈ আহিল নেকি ক'ব পৰা নাই। আৰু এটা কথা  কিছুমান Block ত ২২, ২৪, ২৭ খনলৈকে জি পি আছে। Manpower কম আছে বুলি কৈছে। এই বছৰৰ  ভিতৰত যদি দিয়ে ভাল হয় । কাৰণ যোৱা চৰকাৰৰ দিনৰে Proposal আছিল  ছাৰ।

**মাননীয় অধ্যক্ষঃ** সংখ্যাটো ভুল হৈছে।

**শ্ৰীনব কুমাৰ দলে, মাননীয় মন্ত্ৰী, সাংস্কৃতিক পৰিক্ৰমা, সমাজ কল্যান ইত্যাদি ঃ** ভুল বশতঃ হৈছে ছাৰ । শুধৰণি কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে । এতিয়া নন্দিতা দাস ।

**শ্ৰীমতী নন্দিতা দাসঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ -delimination কৰাৰ কথা কোৱা হৈছিল। delimination টো এতিয়া কৰা হ'বনে নাই? দ্বিতীয়তে মোৰ মাহতলি পঞ্চায়তত প্ৰায় ২৫ হাজাৰ জনসংখ্যা আছে, এইটো বিভক্ত কৰিলে ভাল হয় । তৃতীয়তে, নতুন যি ৪৯ টা Block আছে হেড কোৰ্য়াটাৰটো সোনতলিত আছিল। মই ২-৩ বাৰ শুধৰণি কৰি দিলোঁ কিন্তু, এতিয়া ছমৰীয়া বুলি আহিছে , এই বিলাক শুধৰণি কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে , কথাখিনি শুদ্ধ কৰিব। এইটো সত্য কথা যে আমাৰ প্ৰতিটো সমষ্টিতে দুটা Block কৰিব পাৰিলে ভাল। দ্বিতীয়তে দুটা সমষ্টিৰ পঞ্চায়তত এটা Block ত দিয়াৰ সলনি সমষ্টিভিত্তিতে ব্লক বিলাক সীমিত হৈ থাকিলে ভাল। মই এইটো পৰামৰ্শহে দিছোঁ। আপোনালোকে চাব। সেইটো আমি সমষ্টিভিত্তিত লৈ আনিব পাৰিলে ভাল হ'ব । next question টো - ৪০৭ নুৰুল হুদা।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীনুৰুল হুদাঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো উত্তৰ দিছে আৰু উত্তৰত আচৰিত হৈছোঁ। যিবোৰ জিলাত ২৯ লাখ জনসংখ্যা আছে তাত ৪৭ গৰাকী চিকিৎসকৰ পোষ্ট খালি হৈ আছে। A N M ৩৮ গৰাকী, G N M ১৪ গৰাকীৰ post খালি হৈ আছে। ৪৭ গৰাকী চিকিৎসকৰ পোষ্ট খালি হৈ থকা অৱস্থাত এই জিলাখনৰ স্বাস্থ্যখণ্ডটো কেনেকৈ চলিছে আপুনি ছাৰ নিশ্চয় অনুভৱ কৰিব পাৰিব। নগাঁৱৰ Civil Hospital ত এজনো Orthopaedic ডাক্টৰ নাই। তেনেস্থলত ৰোগী হয়তো গুৱাহাটীলৈ আহিব লাগিব নহ'লে তেজপুৰলৈ যাব লাগিব। গতিকে চাৰ স্বাস্থ্য খণ্ডটো যদি ভাল নহয় কেনেকৈ হ'ব। গতিকে মই অনুৰোধ জনাইছোঁ যে যিখিনি চিকিৎসকৰ পোষ্ট খালি আছে অনতিপলমে নিযুক্তি দি চিকিৎসা সেৱাটো আগবঢ়াব লাগে। আৰু এটা কথা মই জনাব বিচাৰিছোঁ যে আমাৰ ৰূপহী সমষ্টিটোত Ultra sound Machine টো কেতিয়াবাই দিছে কিন্তু এতিয়া এনেয়েই পৰি আছে। কাৰণ Radiologist নাই। তাৰ পিছত তাত গনেশ দাস নামৰ এজন এল ডি আছিল। সেই এল ডি জনক বেলেগত attached কৰি দিছে। প্ৰশ্ন উত্তৰত কৈছে যে, খালি আছে দিয়াৰ ব্যৱস্থা কৰিব। গতিকে গনেশ দাসক এসপ্তাহৰ ভিতৰত আমাৰ ৰূপহীহাট সমষ্টিত নিয়োজিত কৰিব লাগে। এইটো মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী , সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, নগাওঁ এখন ডাঙৰ জিলা। তেখেতে যিটো কৈছে , চৰকাৰৰ স্থিতি আমি Clear কৰিব লাগিব। এতিয়া অধ্যক্ষ মহোদয় নগাওঁ জিলাখনত ৪৭ টা পোষ্ট খালি আছে। NHM ৰ পৰা ৩০ গৰাকী চিকিৎসকক

ইতিমধ্যে তাত নিযুক্তি দিয়া আছে। তাতকৈ ডাঙৰ কথা অধ্যক্ষ মহোদয় আমাৰ যিখন Health Recruitment Board হৈছে অধ্যক্ষ ডাঙৰীয়া আপুনি জানে যে যিবিলাক Gazetted Post সেইবিলাক- Doctor, Health Inspector, Food Inspector এইবিলাক Recruitment ৰ ক্ষেত্ৰত A P SC ত যাব লাগে আৰু A P SC ত গ'লে ১ বছৰলৈকে প্ৰক্ৰিয়াটো চলি থাকে।

সেই কাৰণে অসমৰ ৰাইজৰ স্বাৰ্থত, ৰোগীসকলৰ স্বাৰ্থত স্বাস্থ্য বি ভাগে Medical Recruitment Board এখন কৰিছে আৰু বোৰ্ডে ডাক্তৰবোৰৰ ইন্টাৰভিউ লৈছে ২৬ আৰু ২৭ মাৰ্চত । তাত ৩৭০ গৰাকী ইন্টাৰভিউত অৱতীৰ্ণ হৈছে । মই Un-officially ক'লো ৩৭০ গৰাকীকে এপইন্টমেন্ট দিয়া হ'ব। গতিকে তাৰ পিছত নগাঁও বা অন্যান্য অঞ্চলত খালী হৈ থকা পদসমূহ পূৰণ হৈ যাব। এতিয়া অধ্যক্ষ ডাঙৰীয়া ইয়াত দুটা কথা আছে । এটা কথা কৈছে যে তাত Orthopaedics ৰ ডাক্তৰ নাই। কিন্তু কথাটো হ'ল যে নাই বুলি ক'ব পৰা যায় কিন্তু কিয় নাই তাৰ প্ৰকৃত কাৰণটো জানিব লাগিব। আগতে অসমত Orthopaedicsৰ P Gয়ে নাছিল।১৯৮৭ চনত দুটা P.G Post খোলা হৈছিল। তাৰ আগতে বিশ্বজিৎ বৰুৱা , ডিব্ৰুগড়ৰ এজন বৰুৱা, এজন পুৰকায়স্থ, আৰু ডঃ শইকীয়া এই কেইজন আছিল Orthopaedics ৰ ডক্টৰ। গতিকে ১৯৯৭ আৰু ১৯৮৮ ভিতৰত দুটা P G ৰ পোষ্ট মেডিকেল কলেজত খোলা হ'ল । এতিয়া প্ৰশ্নটো হ'ল মাননী সদস্যগৰাকীয়ে ভাবিব যে Medical College ত দুটাকৈ যে পোষ্ট খুলিছে এতিয়া- ১০ টাকৈ নুখোলে কিয়? Medical Collegeৰ সিদ্ধান্ত মতে ১০ টা Orthopaedicsৰ ছিট দিব নোৱাৰে। কাৰণ তাত I M C য়ে inspection কৰিব। তাত staff pattern, Professor, Associate Professor ইত্যাদি নিৰীক্ষণ কৰিব। নিৰীক্ষণ কৰিহে I M C যে recognise কৰিব, তাৰ পিচতহে seat দিব । গতিকে সেই হিচাপত আমাৰ Orthopaedics ৰ ডাক্তৰ কম। অধ্যক্ষ ডাঙৰীয়া আপুনি শুনি আচৰিত হ'ব যে তেখেতে কৈছে যে Ultra sound machine টো দিছে কিন্তু তাত Radiologist নাই। অধ্যক্ষ ডাঙৰীয়া আগতে অসমত Radiologist ৰো P G নাছিল। গতিকে **১৯৮৭**- ৮৯ দুটা মাত্ৰ Radiologist seat Guwahati medical college ত কৰা হৈছে। এতিয়া অধ্যক্ষ ডাঙৰীয়া আমাৰ কথাটো হ'ল আমাৰ বিভিন্ন ঠাইত Radiologist ৰ পোষ্ট খোলা হৈছে। Radiologist seat ৰ ব্যৱস্থা কৰা হৈছে। দ্বিতীয়তে A N M , G N Mৰ আৰু LDৰ Post যিমান অসমত আছে সকলোখিনিৰ নিযুক্তি হৈ যাব। এইটো আপোনাক জনালো। যিবিলাক G NM যিখিনি আছে সেইখিনি মে মাহৰ ভিতৰত পূৰণৰ বাবে ব্যৱস্থা কৰা হ'ব।

**শ্ৰীনুৰুল হুদাঃ** মই এল ডিৰ নিযুক্তিৰ কথা কোৱা নাই। তেখেতে নিযুক্তিৰ কথা কৈছে। মই সুধিছো Rupahi Model Hospital ৰ এল ডি গনেশ দেক বেলেগত Attached কৰিছে । তেখেতক কেতিয়া Rupahi Model Hospitalলৈ ঘুৰাই আনিব?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী , সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ ডাঙৰীয়া , এই দীঘল প্ৰশ্নটো যদি এল ডি গৰাকীক লৈয়ে আছিল তেন্তে আগতে কৈ দিব লাগিছিল যে এল ডি গৰাকীক ঘুৰাই আনিবনে নাই? মইও লগে লগে উত্তৰ দিলোহেঁতন । এল ডি গৰাকীক লৈ ইমান দীঘল প্ৰশ্ন কৰাৰ কি প্ৰয়োজন আছিল?

**শ্ৰীনুৰুল হুদা ঃ** অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে উত্তৰটো অন্য দিশে ঢাল খুৱাইছে।
(point of order)

**माननीय अध्यक्ष ঃ** এতিয়া point of order কাৰ কাৰ আছে কওঁক।

**শ্ৰী শ্বেৰমান আলি, বাঘবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নসমূহত বিসংগতি, আসোঁৱা বা সম্পূৰ্ণ উত্তৰ দিয়াক লৈ কালি এটা breach of privilege আনিছিলো। আপুনি তাৰ উত্তৰত loud and clear message ইয়াৰ পৰা প্ৰেৰণ কৰিছিলে। তৎস্বত্তেও কেনেকৈ এই সদন বিপথে পৰিচালিত কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ চাৰি পাঁচটা প্ৰশ্ন, প্ৰথম হ'ল আজিৰ প্ৰশ্ন নং ৪০৮ ত Mandia Block ত বৰপেটা জিলাৰ অন্তৰ্গত **২০১৬-১৭** বৰ্ষত প্ৰায় তিনি কোটি টকা মানুহৰ কাম কৰাৰ বিপৰীতে মজুৰী দিবলৈ বাকী আছিল। **২০১৭-১৮** বৰ্ষতো তেনেকৈ মজুৰী দিবলৈ বাকী আছে, কামত লগোৱা হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ক ইয়াৰ আগতেও কেইবাৰো প্ৰশ্ন কৰিছিলো যে এই মজুৰীখিনি কিয় আদায় দিয়া হোৱা নাই। তেখেতসকলে বাৰে বাৰে এটাই উত্তৰ দিছে যে Mandia Block ৰ লগত আৰু দুই তিনিটা বক্লু **২০১৬-১৭, ২০১৭-১৮** বৰ্ষত FTO Fund payment কৰা বন্ধ আছিলে। মই তেতিয়া প্ৰশ্ন কৰিছিলো যে payment কিয় বন্ধ কৰা হৈছিলে Mandia Block ত ? তেতিয়া তেওঁলোকে উত্তৰ দিলে যে Mandia Block তsubstantially high expenditure হোৱা কাৰণে payment বন্ধ কৰা হৈছে। DC ক enquiry কৰিব দিছো। DC ক enquiry নোপোৱা কাৰণে তেওঁলোকৰ payment কৰিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই whether it is true or not, substantially high expenditure Mandia Block কৰিছে। whether it was a correct information provided to this August House or not and how this high expenditure is determined. মাননীয় অধ্যক্ষ মহোদয়, মই elucidate কৰিম। Mandia Block ৰ জনসংখ্যা ৩,৪৬,১৪৫ । ২০১৬-১৭ বৰ্ষত খৰচ হৈছিলে ৭৩৪ লাখ, payment বন্ধ কৰি দিয়া হ'ল high expenditure বুলি কৈ। Sidli,Chirang আৰু এটা বক্লু, জনসংখ্যা আছে দুই লাখ এক হাজাৰ। Mandia Block তকৈ প্ৰায় ডেৰ লাখ জনসংখ্যা কম। তাত খৰচ হৈছে মাননীয় অধ্যক্ষ মহোদয়, **২০১৬-১৭** বৰ্ষত **২৮.৯৮** কোটি। মণ্ডিয়া বক্লু অসমৰ ভিতৰত আটাইতকৈ ডাঙৰ বক্লু। ৩.৪৬ লাখ জনসংখ্যা আছে। সাত কোটি টকা খৰচ কৰোতে high expenditure বুলি কোৱা হ'ল আৰু Sidli Chirang ত ২৯ কোটি টকা খৰচ হ'ল, তাত high expenditure নহ'ল, তাত payment চলি থাকিলে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি দুটা প্ৰশ্ন সুধিছে, প্ৰথমতে হৈছে substantially high expenditure বুলি কৈছিল আৰু DC ক এটা enquiry কৰিবলৈ দিছিল। DC য়ে report টো দিছে নে নাই, এইটো মই প্ৰথমে জানি লব লাগিব। মই মন্ত্ৰী সেইটো কম যে report টো দিছে যদি, প্ৰথমে সেইটো আপোনাক দি দিয়ক। মই কথাটো কৈছো যে প্ৰশ্ন যেতিয়া কৰে, তাৰ উত্তৰটো সদস্যজনে আশা কৰে। সেই সদস্যজনে যিমান তত্বগত ভাৱে শুদ্ধ হ'ব, সিমানে ভাল হয়। মন্ত্ৰী সকলে নিজে উত্তৰ নিলিখে, তেওঁলোকৰ বিভাগৰ পৰা যি তথ্য আহিব, সেই মতে দিয়ে। সেইকাৰণে We should be careful in future. মই বাৰে প্ৰতি কৈ আছো যে ভৱিষ্যতলৈ আমি সতৰ্ক হ'বই লাগিব। নহ'লে অসুবিধা হ'ব। এতিয়া আপুনি যিকেইটা কথা কৈছে best interest of the matter. মই বিচাৰো যে মন্ত্ৰীয়ে অলপ সময় অফিচত তেখেত দিব। গোটেই কথাখিনি তেখেত চাব আৰু কিবা যদি অসুবিধা হয়। You report to me, I will look into it. next point of order Shri Aminul Islam.

**শ্ৰী আমিনুল ইছলাম, ধিং**ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ Starred Question No. 413. ইয়াতে একেবাৰে শেষৰ বাক্যটোত যিটো উত্তৰ লিখিছে, স্নাতক ডিগ্ৰীধাৰী নাৰ্চৰ সংখ্যা বৃদ্ধিৰ কথাটো চিন্তা কৰি থকা হৈছে। মই কৈছিলো যে কি পদক্ষেপ গ্ৰহণ কৰি আছে। ইয়াতে চিন্তা কৰি থকা বুলি কৈছে আৰু চিন্তা কৰাৰ সময় ছয় বছৰলৈকে থাকে। গতিকে এই বিষয়টো আপোনালৈ দৃষ্টিগোচৰ কৰিলো। আৰু এটা কথা মোৰ, Unstarred Question No. 924. তাত নগাঁও জিলাৰ জুৰিয়াত মোৰ সমষ্টিতে বাৰভূঞাৰ এটা পুখুৰী আছে। বহুদিন ধৰি encroachment হ'ব খোজে, মই ৰখাই থৈ আছো। বিগত চৰকাৰৰ দিনত প্ৰশ্ন কৰোতে এইটো কথাই কৈছিল যে “অসমৰ প্ৰাচীন কীৰ্ত্তিচিহ্ন আৰু তথ্য অধিনিয়ম, **১৯৫১**” ৰ অধীনত এইটো ব্যৱস্থা লোৱা হ'ব। এতিয়াৰ চৰকাৰেও এইটোৱে উত্তৰ দি আছে। মই সদনত কেই বাৰো প্ৰশ্ন কৰিছিলো।

**মাননীয় অধ্যক্ষ** ঃ এই Unstarred Question No. 924 ? I will look into it.

**শ্ৰী আমিনুল ইছলাম, ধিং**ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা Starred Question ৰ উত্তৰ বিলাক দিওতো supplementary question ৰ উত্তৰ বিলাক বিভাগে প্ৰস্তুত কৰি দিয়ে যে কি কি supplementary হ'ব পাৰে। আমি to the point যিটো supplementary কৰো, সেইটো point উত্তৰ দিলে ভাল। যিমান খিনি লিখি দিয়ে বিভাগে গোটেই খিনি পঢ়ি দিব লগা হ'লে বহুত সময় লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী মামুন ইমাদাদুল হ'ক চৌধুৰী।

**শ্ৰী মামুন ইমাদাদুল হ'ক চৌধুৰী, নাওঁবৈছাঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিলে Starred Question No. 418. ইয়াত মহোদয়, মোৰ সমষ্টিত পঞ্চায়তৰ কিমান পদ আছে, কি নাই সেইবিলাক সুধিছো। তাত যিটো আছে, আছে বুলি কৈছে। যিটো নাই, নাই বুলি কৈছে। সেইটো মই ধৰা নাই। মোৰ সমষ্টিত পঞ্চায়ত আছে **২০** খন, কিন্তু ইয়াত দুটা পঞ্চায়তৰ নামে সলাই দিছে, এইটো অলপ চাব লাগে।

প্ৰথমতে - বানগাইমাৰা, এনে নামৰ পঞ্চায়ত মোৰ সমষ্টিত নাই, এইটো বঙালমাৰা হ'ব। তাৰ পিছত চাৰি নম্বৰত জুৱানগড় - গড় নামৰ কোনো শব্দ আমাৰ সমষ্টিত নাই। তাত জুৰনগৰ হ'ব। মাননীয় প্ৰাক্তণ মুখ্যমন্ত্ৰী স্বৰ্গীয় শৰৎ সিং মহোদয়ে আমাৰ জন্মৰ আগতে পঞ্চায়তৰ নামটো দি থৈছিলে, জুৰনগৰ। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে যিহেতু এইটো ৰেকৰ্ড, গতিকে বানগাইমাৰাটো বঙালমাৰা আৰু জুৱানগড়টো জুৰনগৰ হ'ব লাগে। এইটো কৰিলে ভাল হয় মহোদয়।

**শ্ৰী নুৰুল হুডা, ৰূপহীহাট** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিলে Starred Question No. 407 ত মই সুধিছিলো যে নগাঁও জিলাত ৰূপহী মডেল হস্পিতালত এটা এল ডি এ পদ আছে আৰু এই পদত থকা কৰ্মচাৰী জন ৰূপহী মডেল হস্পিতালত আছেনে? যদি নাই কিমান দিনৰ ভিতৰত এল ডি এ এজনক দিয়াৰ ব্যৱস্থা কৰিব? উত্তৰত দিছে নাই। কিন্তু পদটো আছে।

**মাননীয় অধ্যক্ষ** ঃ Starred Question no. 407 ৰ উত্তৰটো দিয়া হৈছে। আলোচনাও হ'ল তথাপিও মই পুনৰ লিখি লৈছো, মই চাম। আৰু Starred Question no. 407 ৰ যি যি খেলিমেলি আছে, give it to me, I will make it clear.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নীঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Unstarred question এটা আছিলে **৯২৬** ইয়াত specific মই সুধিছিলো, ৰাজ্য চৰকাৰক there is a ongoing tourist

lodge work at Gibbon Wildlife Sanctuary । ইয়াত কৈছে যে ৰাজ্য চৰকাৰ aware নহয়। কিন্তু দূৰ্ভাগ্যৰ কথা মাননীয় মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীয়ে নিজে গৈ চাই আহিছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো প্ৰশ্নটো কোনটো বিভাগত কৰা হৈছিলে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ( মাননীয় বিধায়ক, মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Tourism. এইটো Forest এ বনাই আছে Tourism ত Tourist lodge. But I want to know this consturition is done by State Goverment, Forest Department or Tourism Department ?

**মাননীয় অধ্যক্ষ ঃ** Tourism Department Tourist Bunglow বিলাক বনায় Forest Department IB বনায় বা rest camp বনায়। মই এইটো চাই লম। I have taken your point and I will look into it.

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী বিমল বড়া আপুনি কি কব খুজিছিল কওঁক,

**শ্ৰী গুৰুজ্যোতি দাস (মাননীয় বিধায়ক, মংগলদৈ) ঃ** মাননীয় অধ্যক্ষ, বিমল বড়া নাই, মোক কব দিছে, উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই আজি সকলো বিধায়ককে ৫০০খন কৈ Form দিছে। আমাৰ যিখিনি ব্যৱসায়ী আছে Young entrepreneurship, তেওঁলোকৰ কাৰণে দিছে, সেই কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনালোক সকলো বিধায়কক কৈছো, এইটো এটা ভাল কাম উদ্যোগ বিভাগে লৈছে কাৰণ আমাৰ ডেকা লৰা বিলাকৰ কাৰণে চাকৰিৰ অভাৱ Self employment ৰ কাৰণে নিশ্চয় এইটো কাম কৰিছে, গোটেই কথাটো হৈছে, পইচাটো যাতে সৎ ব্যৱহাৰ হয়, আমি যাক Select কৰিম তেওঁলোকে যাতে কাম কৰে আৰু নহলে গোটেই অৰ্থটো অৰ্থহীন হব। এইটো কাৰণে সকলো বিধায়ককে অনুৰোধ কৰিছো যাতে আপোনালোকে Selection কৰোতে ৰাজনীতি ৰ উৰ্ধত গৈ যি প্ৰকৃত পাৰলগীয়া মানুহ যাৰ অকমান ইচ্ছা আছে, তেনেকুৱা লৰাক দিয়ে।

**শ্ৰী ঋতু পৰ্ণ বৰুৱা (মাননীয় বিধায়ক, ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে যে Bank য়ে আমাক Loan নিদিয়ে এইটো অতি গুৰুত্বপূৰ্ণ কথা। গতিকে Bank ৰ লগত আমাৰ চৰকাৰে যোগাযোগ কৰিব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কথাখিনি Clear কৰি দিওঁ, আমাৰ চাকৰিৰ অভাৱ হৈছে, সেই কাৰণে আমাৰ Young লৰা-ছোৱালী সমূহৰ কিৱা সংস্থাপনৰ ব্যৱস্থা হব নেকি? এই ক্ষেত্ৰত আমাৰ পইচাটো মজুত আছে। Bank য়ে Loan টো দিব নিদিয়াকৈ নাথাকে, অধ্যক্ষ ডাঙৰীয়া আপুনিও জানে ১৯৮৫ চনৰ পৰা যেতিয়া DICC ৰ Concept টো আহিছিল India ত তেতিয়া জনতা পাৰ্টীৰ চৰকাৰ আছিল ১৯৭৮ ত তেতিয়া DICC ৰ Concept টো আহিছিল। ১৯৭৮ ৰ পৰা আমি জিলা বিলাকত DIC ৰ Loan ১ লাখ টকাকৈ আমি দিলো লৰা ছোৱালী বিলাকক । কিন্তু অধ্যক্ষ ডাঙৰীয়া কোনো এটা লৰা-ছোৱালীয়ে এই DIC ৰ Loan টো ১ লাখ টকা লৈ Bank ক এক পইচাও নিদিলে।

মাননীয় সদস্য ঋুতুপৰ্ণ বৰুৱা ডাঙৰীয়াই যিটো কথা কৈছে, Bank কে পইচাটো দিব নে নাই। এই যিটো আমাৰ DIC ৰ Loan আছিল তাত পইচা নিদিয়ে কিয় তাত পইচা ঘুৰাব লাগে সেইটো Nil গতিকে Bank এটা Commercial Institution গতিকে Bank কে

নিদিয়ে।সেই কাৰণে এখন জিলাত আমি ১৯৮৫ত মাননীয় অধ্যক্ষ ডাঙৰীয়া তেতিয়া আছিল, আমিও আছিলো আমাৰ জিলাখনত আমি ১০০ জন লৰাক ১লাখ টকাকৈ দিব পৰা ব্যৱস্থা আছিলে Bank ৰ পৰা সেই সময়ত। এতিয়া প্ৰত্যক জিলাত DIC ৰ Meeting খনত আমাৰ MLA সকলে নাম দিয়ে। কিন্তু খুব বেছি Bank কে যদি entertain কৰে দুটা বা তিনিটা Loan প্ৰতিখন জিলাত entertain কৰে Because কাৰণ Bank ৰ Loan টো আমাৰ কোনো লৰা-ছোৱালী Recruitment নকৰিলে ।আমি " স্বয়ং" ৰ জৰিয়তে আমাৰ লগত আজিৰ দিনটো ৩০০ কোটি টকা আমি মজুত ৰাখিছো। মই মাননীয় সকলো সদস্যক কওঁ যে যিটো Bank ৰ Component ইয়াত থাকিব Bank ৰ Loan টো পাব, সেইটো ব্যৱস্থা আমি কৰি দিম, সেইটোত আমাৰ কোনো অসুবিধা নাই। এই "স্বয়ং" ৰ ক্ষেত্ৰত আমাৰ যাতে সকলো লৰা-ছোৱালীয়ে ইয়াত থকা Scheme দুটাৰ সুবিধা লাভ কৰিব পাৰে তাৰে , এটা Scheme হল যদি Fresh লৰা এজনে যদি কিবা এটা আৰম্ভ কৰিব পাৰে ১লাখ টকা পাবআৰু কাৰোবাৰ যদি সৰু দোকান আছে, তেতিয়া ২লাখ টকা পাব। ২লাখ টকা যিজনে পাব তেওঁ মনত ভাবিব লাগে ভৱিষ্যত প্ৰজন্মটো যাতে ধ্বংস নকৰো মই যি পইচা পালো মই মাহে ১০০ টকা পাৰো ৫০ টকা পাৰো সেই পইচাৰে যাতে Loan টো Re- payment ৰ ব্যৱস্থা কৰো। তেতিয়া কি হব অহা বছৰ আমি প্ৰত্যকজন বিধায়কে এনেকৈ ১লাখ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ এই ক্ষেত্ৰত আমাৰ প্ৰত্যকজন মাননীয় বিধায়কৰে এক দায়িত্ব আৰু কৰ্ত্যৱ আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গতিকে মই প্ৰত্যকজন মাননীয় সদস্যকে অনুৰোধ কৰো যে যি সকল লৰা-ছোৱালীয়ে এই Loanৰ আৱেদন কৰিব তেওঁলোকক এই Concept টো দিয়াটো ভাল। যাতে তেওঁলোকে Loan টো Re-payment ৰ চেষ্টা কৰে, তেওঁলোকে নোৱাৰিব পাৰে কিন্তু বেংকে যাতে এই কথাটো গম পায় যে Boys and Girls are trying for re-payment of the loan.

**মাননীয় অধ্যক্ষ** ঃ ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় বিধায়ক, পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৪১৯ নম্বৰ Star question ত আমাৰ গুৱাহাটী উন্নয়ন বিভাগৰ পৰা উত্তৰটো দিছে। মোৰ ইয়াত দিয়া হৈছে, লাল গণেশ - দতালপাৰা গাড়ী গাওঁ আৰু বিদ্যানগৰ তেতেলিয়াৰ কৃত্ৰিম বানপানীৰ কবলৰ পৰা পৰিত্ৰাণ দিয়াৰ বাবে এটা দিছে, "Construction of Shri Ram Chandra Boro outlet drain at Datalpara for mitigation of Urban Flood in Guwahati city". ইয়াতে ১কোটি ৭০লাখ টকা দিছে, মোৰ যিটো দতালপাৰা লালগণেশ হল লখৰাৰ ওচৰত দতালপাৰা হল গণেশপাৰা আৰু বিদ্যা নগৰ গাড়ী গাওঁ হল Survey, University ৰ ওচৰত। এই drain টোৰে কেনেকৈ এই গোটেই পানীখিনি উলিয়াই নিব । গাড়ী গাওঁৰ পৰা drain এটা দতালপাৰা ৰামচন্দ্ৰ বড়োৰ পৰা ভৰলুত পেলাব সেইটো হল আপোনাৰ দতালপাৰা সেইটো অঞ্চল।

**মাননীয় অধ্যক্ষ** ঃ তথ্যত বিসংগতি আছে, মই বুজি পালো তিনিটা Side ত একেটা বস্তু কেনেকৈ যাব, মই আপোনাৰ Question টো লিখিছো, আপুনি যদি পাৰে সেই কথাটো In writing এটা দিলে ভাল তেতিয়া মই সঠিক উত্তৰটো আপোনাৰ কাৰণে আনিব পাৰিম। এতিয়া মাননীয় সদস্য শ্ৰী আব্দুল খালেক ।

**শ্ৰী আব্দুল খালেক (মাননীয় বিধায়ক, জনিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উদ্যোগ মন্ত্ৰীয়ে শাষক বিৰোধী বিচাৰ নকৰি সকলোকে Form দিছে, তেখেতক আমি ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ আজি আমাৰ পৰিৱেশ সম্পৰ্কে আমাৰ এখন এখন "Climate the changed that we do not want". ইয়াৰ ওপৰত এখন পত্ৰ দিছে। আমি এটা সৰু Video Clip আপোনালোক সকলোকে দেখুৱাব যি সকলে আগতে চাবলৈ সুবিধা পোৱা নাছিল। সেইটো মই Allow কৰিছো কিন্তু তাৰ আগেত Members' Hour আছে, মই ইয়াৰ বাবে তিনিজন Members আজি Select কৰিছো। মই তেখেত সকলক কম যে তেখেত সকলে নিৰ্দিষ্ট সময়ৰ ভিতৰত যাতে তেখেত সকলৰ ভাষণ শেষ কৰে, যাতে মূল কথাখিনি কয়। আৰু যি কেইজন মন্ত্ৰীয়ে উত্তৰ দিব তেখেত সকলক আমি পৰা পক্ষত ৰাখিবলৈ চেষ্টা কৰিছো আৰু তেখেত সকলে আপোনালোকৰ প্ৰশ্নৰ উত্তৰ দিব আৰু নোৱাৰিলে তখেত সকলে কি ব্যৱস্থা লব মই আপোনালোকক পিছত জনাম। তাৰ আগতে আমাৰ যোৱা কালিৰ কাৰ্য্য উপদেষ্ঠা সমিতিৰ যি বৈঠক হৈছিল তাৰ প্ৰতিবেদন মই Details নপঢ়ো কিন্তু এটা কথা কব বিচাৰিছো যে অহা ৫/৬ এপ্ৰিলত আমাৰ অধ্যক্ষৰ বিশেষ উদ্যোগত হবলগীয়া শিক্ষা বিষয়ক আলোচনা ৬ এপ্ৰিলৰ দুপৰীয়া ১২ বজালৈ আলোচনা হব। তাৰ পিছত আমি শিক্ষা সম্পৰ্কত যিহেতু আমাৰ ৪/৫ খন বিল আহিছে সেই বিলবোৰৰ ওপৰত আলোচনাবোৰ আমি আগতে শিক্ষা বিষয়ত হবলগীয়া আলোচনাখিনি শেষ কৰি লৈ কৰিলে ভাল হব। সেই কাৰণে যোৱা কালি আমাৰ Business Advisory Committee ত আমি আলোচনা কৰি সিদ্ধান্ত লৈছো যে শিক্ষা সম্পৰ্কে যি কেইখন বিল আছে, সেই আটাইবোৰ বিল আমি ৬ তাৰিখে ১২ বজাৰ পৰা আৰম্ভ কৰিম। আৰু Boroland University Amendment Bill এখন আছে, কিন্তু সেইখন সৰু বিল গতিকে সেই বিলখন যদি আমি অহাকালিলৈ আলোচনা কৰিব পাৰো যদি অহাকালি শিক্ষা মন্ত্ৰী থাকে অৱশ্যে এই ক্ষেত্ৰত মই Confirm নহয়। গতিকে যদি আপোনালোকে ভাৱে যে এই বিলখন আমি অহাকালি আলোচনা কৰিব লাগে যিহেতু তাত বিশেষ কথা নাই তেতিয়া হলে মই অহাকালি এই বিলখন লব পাৰো। ৫ তাৰিখে গোটেই দিনটো আছে, Question Hour ৰ পিছৰ পৰা ৬তাৰিখে দিনৰ ১২ বজালৈ আছে আপোনালোকে ইচ্ছা কৰিলে

বঢ়াব পাৰে। মই আশা কৰো যে আপোনালোকে মূল কথাবিলাক যাতে আলোচনা কৰে সেইটো মই কামনা কৰিছো যাতে বিল বিলাকতো সেই কথা বিলাক Reflect হয়। যি কি নহওঁক কিয়, মই এইখিনি কথা আপোনালোকক জনালো। আৰু সেই কাৰণে ৬ তাৰিখে আমাৰ কোনো Question নাথাকে ৫ তাৰিখলৈ হে Question আছে। মই ভাৱো যে এই ক্ষেত্ৰত সদনৰ অনুমোদন আছে। ইয়াৰ পিছত মই প্ৰথমে শ্ৰী সুৰেন ফুকন ডাঙৰীয়াক Members' Hour ত তেখেতৰ সমষ্টিৰ যি ৩/৪ টা মূল কথা উল্লেখ কৰিছিলে তাৰ ওপৰত Confine কৰিবলৈ অনুৰোধ কৰিছো। Industry & Labour Welfare Minister ক আপুনি Point কেইটা দিছে, তেখেত বৰ্তমান উপস্থিত আছে।

**শ্ৰী সুৰেণ ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক সকলক আপুনি সমষ্টিৰ উন্নয়নৰ সম্পৰ্কে কব দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। মই তিনিটা বিষয়ৰ ওপৰত বক্তব্য ৰাখিব বিচাৰিছো। অকল ডিগবৈ সমষ্টিৰে নহয়, কম বেছি পৰিমাণে অসমৰ সকলো সমষ্টিকে চুই

যায়। মাননীয় অধ্যক্ষ মহোদয় বিশেষকৈ মই সদৌ চাহ খেতিয়ক সন্থা, বিহত চাহ বাগিচা আৰু ডিগবৈ Refineryৰ ওপৰত বক্তব্য ৰাখিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ দেশৰ লগতে অসমৰো ইতিহাস আছে বিশেষকৈ ৰাজহুৱা সম্পদৰ এচিয়াৰ ভিতৰত প্ৰথম তেল শোধানাগাৰ ডিগবৈ। গতিকে এই শোধানাগাৰৰ সম্পৰ্কে দুটামান সমস্যাৰ বিষয়ে মই অৱগত কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোত যিহেতু কেন্দ্ৰীয় চৰকাৰ প্ৰত্যক্ষভাৱে জড়িত, তথাপিও আমাৰ অসম চৰকাৰৰ দ্বাৰা আপোনাৰ যোগেদি মাননীয় মন্ত্ৰীৰ যোগেদি আমাৰ সমস্যাখিনি অৱগত কৰিবৰ কাৰণে আশা ৰাখিছো। আমি সকলোৱে জানো পৃথিৱীৰ প্ৰথম তেল শোধানাগাৰ আমেৰিকাই প্ৰথম প্ৰতিষ্ঠা কৰিছিল আৰু তাৰ ৮ বছৰ পিছতে ডিগবৈ তেল শোধানাগাৰ প্ৰতিষ্ঠা কৰিছিল ১৯০১ চনত। কিন্তু অতি পৰিতাপৰ বিষয় যে এচিয়াৰ প্ৰথম তেল শোধানাগাৰ ডিগবৈত প্ৰতিষ্ঠা হোৱাৰ পাছত যি সমূহ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত প্ৰতিষ্ঠা হৈছে, প্ৰায় ৩০ মিলিয়ন, ৩৫ মিলিয়ন, ৬০ মিলিয়ন টনলৈ তেওঁলোকে Capacity বঢ়ালে। কিন্তু অতি পৰিতাপৰ বিষয় যে ডিগবৈ শোধানাগাৰ ১৯০১ চনত প্ৰতিষ্ঠা লাভ কৰা মাত্ৰ সেইটো সময়ত ০.৫ মিলিয়ন মেট্ৰিকটন শোধন ক্ষমতা আছিল। কিন্তু ১৯৮১ চনৰ ১৪ অক্টোবৰ তাৰিখে ব্যক্তিগত খণ্ডৰ পৰা ডিগবৈ তেল শোধানাগাৰটো ৰাষ্ট্ৰিয়কৰণ কৰা হ'ল। কিন্তু তাৰ ৰাষ্ট্ৰীয়কৰণ কৰাৰ পিছত কিঞ্চিত মাত্ৰ, মানে ০.৬ মিলিয়ন মেট্ৰিকটন শোধন বৃদ্ধি কৰা হ'ল অতি পৰিতাপৰ বিষয়, তাৰ পিছতো অসমটো তিনিটাকৈ তেল শোধানাগাৰ স্থাপন হ'ল। তাৰ পিছত গুৱাহাটী Refinery প্ৰতিষ্ঠা ১৯৬২ চনত হৈছিলে ১ মিলিয়ন মেট্ৰিকটন তাৰ পিছত বঙাইগাওঁ হৈছিলে ২.৩৫ মিলিয়ন টন আৰু আমাৰ নুমলিগড়ৰ শোধন ক্ষমতা হ'ল ৮ মিলিয়ন মেট্ৰিকটন। কিন্তু অতি পৰিতাপৰ বিষয় যে আজি আমাৰ Barauniৰ পৰা আমাৰ Pipe ৰে একলিটাৰ তেল শোধানাগাৰ শ্ৰীবৃদ্ধিৰ কাৰণে যিখিনি পদক্ষেপ লৈছে Food oil আনিবৰ কাৰণে এই ক্ষেত্ৰত কিন্তু আমাৰ ডিবগৈয়ে অতি পুৰণি, প্ৰথম যিটো Refinery তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে হওঁক বা ৰাজ্য চৰকাৰে হওঁক কোনো এটা উদ্যোগ লোৱা নাই। গতিকে মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক দাবী জনাব বিচাৰিছো যে যিহেতুকে আমি আমাৰ অসমত Food oil ৰ নাটনি দেখাই কেন্দ্ৰীয় চৰকাৰে Capacity বঢ়াৰ কথা নকয়। যিহেতুকে আমি মই Expartৰ দ্বাৰা যিখিনি শুনিছো আমি আলোচনা কৰিছো অসমত ৪ ৰ পৰা ৫ মিলিয়ন মেট্ৰিকটন Food oil উৎপাদন হয়। গতিকে অনায়াথে ডিগবৈ Refinery টোৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে ৩ বা ৪ মিলিয়ন মেট্ৰিকটন বঢ়াব পৰা হয় গতিকে এই পৰিৱৰ্তনকামী চৰকাৰ খনে ডিগবৈৰ এইবিষয়টোত অলপ গুৰুত্ব প্ৰদান কৰিব বুলি মই আশা কৰিছো। তাৰোপৰিও আমাৰ যিটো বিপনন আৰু Marketing বিভাগটো ২০০৮ চনৰ পৰা এপদ দুপদকৈ কলিকতাত তেওঁলোকে হস্তান্তৰিত কৰিলে আৰু কলিতাত Eastern Zone হিচাপে যিটো কাৰ্য্যালয় আছে সেই কাৰ্য্যলয় হস্তান্তৰিত কৰাৰ পৰা ২০১৫ বৰ্ষত প্ৰশাসনিক আৰু বিত্তীয় ক্ষমতা সম্পূৰ্ণ ৰূপে তেওঁলোকৰ হাতলৈ নিয়া হ'ল। ইয়াৰ ফলত আমাৰ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ যিখিনিয়ে এই উদ্যোগটোৰ লগত ব্যৱসায় কৰি আছিলে আৰু যিখিনিয়ে ঠিকা থুকলি কৰি আছিলে, যিখিনি নিযুক্তি পাইছিলে সেইখিনি IOC ৰ কোনো কৃতিত্ব নথকা হ'ল। আমি সৰুসুৰা ঠিকা থুকলি পাবৰ কাৰণে বা নিযুক্তি পাবৰ কাৰণে আমি অযথা সময় আৰু ধন অপব্যায় কৰি এতিয়া আমি সুদূৰ কলিকতালৈ যাব লগীয়া হৈছে। তাৰ কাৰণে আমি যোগ্য প্ৰাৰ্থীও আমাৰ অসমৰ, উত্তৰ পূৰ্বাঞ্চলৰ বা ডিগবৈ বাসীয়েও আমি সদায় বঞ্চিত হৈ আহিছো। গতিকে ইয়াৰ উদাহৰণ আছে যোগ্য প্ৰাৰ্থীও আমাৰ তাৰ পৰা বঞ্চিত হৈ আহিছে। গতিকে অধ্যক্ষ মহোদয়

তেল উৎপাদন ডিগবৈত হয়, ডিগবৈৰ যি oil ৰ দ্বাৰা বিভিন্ন প্ৰান্তত আমাৰ যিখিনি ব্যৱসায় Depot চলাই আছে ইয়াৰ সকলো, গোটেইখিনি চোৰা চিতা, পৰিচালিত কামখিনি ডিগবৈয়ে কৰিব লাগে। গতিকে তাৰ Marketing বিভাগটো ২০১৫ চনত সম্পূৰ্ণ ৰূপে তালৈ হস্তান্তৰিত কৰা হ'ল আৰু এই হস্তান্তৰিত কৰণ আৰু শ্ৰীবৃদ্ধিৰ কাৰণে আজি ডিগবৈ বাসীৰ লগত সমগ্ৰ অসম বাসীৰ বিভিন্ন দল সংগঠনে আজি বহু বছৰ ধৰি আন্দোলন কৰি আহিছে। এই বিষয়ত অধ্যক্ষ মহোদয় আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী অৱগত। গতিকে অতি শীঘ্ৰে আমাৰ যিটো বিপনন বিভাগ বিশেষকৈ Marketing বিভাগটো আমাৰ North-East Region হৈ ডিগবৈ লৈ অনাৰ ব্যৱস্থা কৰিব লাগে আৰু আমাৰ ইয়াৰ যিখিনি উত্তৰ-পূৰ্বাঞ্চলৰ যিখিনি ইয়াত ঠিকা থুকলি কৰি আছে বা নিযুক্তি পাই আছে সহজতে আমাৰ উত্তৰ পূৰ্বাঞ্চল আমাৰ অসমৰ যুৱক-যুৱতীয়ে নিযুক্তি পাব। গতিকে ইয়াৰ উপৰিও বিশেষকৈ আজি যিটো তিনিচুকীয়াৰ terminal, এই তিনিচুকীয়াৰ terminal টো আমাৰ ডি গবৈৰ গোলাইলৈ হস্তান্তৰিত কৰা হ'ল আৰু তাৰ পিছত ডিগবৈ এনেও সৰু টাউন আৰু সেই সৰু টাউন খনত যানজঁটৰ যথেষ্ট ভিৰ থাকে। সেই যানজঁটৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে বিশেষকৈ আমাৰ চৰকাৰৰ ফালৰ পৰা এটা Bypass ৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু দুজনমান ব্যক্তিয়ে সেই Bypass টো Elephant Corridor বুলি তেওঁলোকে আপত্তি জনক, অসম চৰকাৰৰ বনবিভাগে ইতিমধ্যে বন্ধ কৰি ৰাখিছে। গতিকে মই চৰকাৰক আহ্বান জনাইছো যে অতিশীঘ্ৰে এই Elephant Corridor টো য'ত Elephant Corridor আছে তাত Fly Overৰ ব্যৱস্থা কৰিব লাগে আৰু প্ৰয়োজন সাপেক্ষে দিনত গাড়ী চলাৰ ব্যৱস্থা কৰিব লাগে নতুবা এনেকুৱা এটা ব্যৱস্থা হ'ব এটা সময়ত যদি আজি এক ডেৰমাহ পিছত যিটো terminal, এই terminal টো মুকলি কৰা হ'ব আৰু প্ৰতিদিনে ৪০০ তকৈ অধিক Tanker তাত চলাচল কৰিব আৰু ৪০০ তকৈ অধিক Tanker চলাচল কৰিলে যথেষ্ট যান জোঁটৰ সমস্যা বৃদ্ধি হ'ব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বস্তুকেইটা pointত কব দীঘল কৰিলে বাকীকেইটা কথা থাকি যাব। অইলৰ কথাটো হ'ল বাকী কেইটা কওঁক।

**শ্ৰী সুৰেণ ফুকন ঃ** তাৰ পিছত, গতিকে ইয়াৰ উপৰিও।

**মাননীয় অধ্যক্ষ ঃ** আপুনি চাহ বাগানৰ কথাটো কৈছিলে।

**শ্ৰী সুৰেণ ফুকন ঃ** যিহেতু আমাৰ ইয়াৰ পিছত North-East Hydrocarbon Vision 2030, এটা প্ৰস্তাৱ লোৱা হৈছে যে নুমলিগড় এতিয়া ৮ মিলিয়ন টনৰ পৰা ৯ মিলিয়ন টন কৰা হ'ব আৰু বঙাইগাঁও ২.৩৫ ৰ পৰা ৪.৫ লৈ শ্ৰীবৃদ্ধি কৰ হব আৰু আমাৰ বঙাইগাওঁ ১ পইন্টৰ পৰা ১.৭ লৈ শ্ৰীবৃদ্ধি কৰা হ'ব, ইয়াত প্ৰস্তাৱ লোৱা হৈছে । কিন্তু অতি পৰিতাপৰ বিষয় এই ক্ষেত্ৰত এচিয়াৰ প্ৰথম Refinery ডিগবৈৰ ইয়াত কোনো প্ৰস্তাৱ লোৱা হোৱা নাই। গতিকে মই চৰকাৰক আপোনাৰ যোগেদি আহ্বান জনাইছো এইটো আমাৰ শ্ৰীবৃদ্ধিৰ কাৰণে আমাৰ শোধন ক্ষমতা বৃদ্ধি কৰাৰ কাৰণে চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দাবী জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে, আপুনি চমুকৈ কব। আপোনাৰ প্ৰথম পইন্টতে এইটো কব লাগিছিল। এইটো কৈছে ভাল কৰিছে আৰু কিবা আছে নেকি পইন্ট।

**শ্ৰী সুৰেণ ফুকন ঃ** মই থুলমূলকে কব বিচাৰিছো, বিশেষকৈ চাহবাগিচাৰ সম্পৰ্কত। মাননীয় মন্ত্ৰী ডাঙৰীয়া আছে, বিশেষকৈ চাহ শ্ৰমিক সকলৰ বিষয়ে কবলৈ বিচাৰিছো যে আমাৰ অসমত সৰু বৰ চাহ বাগিচা প্ৰায় ১০৫০ খন মান আছে, তাত প্ৰায় ৯৫১০০০ শ্ৰমিকে জীৱনধাৰণ কৰি আছে। কিন্তু

মন্ত্ৰী ডাঙৰীয়াক মই সুধিব বিচাৰিছো, জানিব বিচাৰিছো যিহেতুকে আমাৰ মঞ্জুৰী বৃদ্ধি কেতিয়া হৈছিলে আৰু কেতিয়া হব? গতিকে মই মন্ত্ৰী মহোদয়ক দাবী জনাইছো যে অতি দুখ কষ্টৰে খাতিখোৱা চাহ শ্ৰমিক সকলে আমাৰ হাজিৰাটো বঢ়াব লাগে। অতিকমেও ৩০০ টকামান কৰিব লাগে। ইয়াৰ উপৰিও যি সমূহ কোম্পানী চাহ বাগিচাত বা মালিকাধীন চাহ বাগিচাত যিসমূহ পঢ়াশালী আছে সেই পঢ়াশালী সমূহৰ অৱস্থা অতি নিম্নমানদণ্ডৰ। ছাত্ৰ অনুপাতে শিক্ষক শিক্ষয়িত্ৰী নাই, Desk and Bench নাই, তেওঁলোকৰ বিশুদ্ধ খোৱা পানী নাই বা তেওঁলোকৰ লাইটৰ ব্যৱস্থা নাই।

গতিকে ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ ব্যৱস্থা কৰিব লাগে, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিব লাগে, লাইটৰ ব্যৱস্থা কৰিব লাগে। কোম্পানীক জোৰ দি এইখিনি ব্যৱস্থা কৰিব লাগে। তাৰোপৰি , অসমৰ বিভিন্ন চাহ বাগিছাত লাইটৰ ব্যৱস্থা কৰিছে কিন্তু মোৰ ডিগবৈ সমষ্টিৰ চাহ বাগিছাত এতিয়াও চাহ শ্ৰমিক সকলৰ Quarter ত লাইটৰ ব্যৱস্থা কৰা নাই। এইটো অতি পৰিতাপৰ বিষয়। বাগিছাৰ শ্ৰমিক সকলক মালিক পক্ষই বহুদিনৰ পৰাই শোষন কৰি আহিছে। তেওঁলোকে লাইট জ্বলালেও ৩০০ টকা দিব লাগে, লাইট নজ্বলালেও ৩০০ টকা দিব লগা হয়। গতিকে ব্যক্তিগত মিটাৰৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এইখিনি কথা আমি চাহ বাগিছাৰ আলোচনা এটাত কথা পাতিছো আৰু Reply চৰকাৰে দিছে। আমি চাই লম চৰকাৰে তাত চাহ শ্ৰমিক সকলক কি কি দিছে।

**শ্ৰী সুৰেণ ফুকণ ঃ** হয়, ধন্যবাদ। মই বিশেষকৈ চিকিৎসাৰ ক্ষেত্ৰতো কবলৈ বিচাৰিছো যে আজি ৰোগী অনুপাতে নাৰ্চ নাই, ডাক্টৰ নাই আৰু প্ৰয়োজনীয় ঔষধ পাতি নাই। গতিকে আমাৰ চৰকাৰৰ পৰিদৰ্শনৰ দ্বাৰা তাত Inquiry ৰ এটা ব্যৱস্থা কৰিব লাগে। যিহেতু পৰিৱৰ্তন কামী চৰকাৰ খনে ইতিমধ্যে চাহ শ্ৰমিক সকলৰ কাৰণে আঁচনি তৈয়াৰ কৰিছে তাৰ বাবে মই ধন্যবাদ জনাইছো আৰু অহা দিন বিলাকত চাহ শ্ৰমিকৰ কাৰণে যিখিনি কৰণীয় , নিশ্চয় কৰিব বুলি আমি আশা ৰাখিছো।

ইয়াৰ উপৰিও মই ক্ষুদ্ৰ চাহ -খেতি য়ক সন্থাৰ ওপৰত দুটামান বিষয় ক'ব বিচাৰিছো। যিহেতু অসমত প্ৰায় ১ লাখ ৪০ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়ক আছে। তেওঁলোকে চৰকাৰৰ কোনো লোন নোলোৱাকৈ আজিলৈকে কৃষি কৰ্মত জৰিত হৈ আছে। পৰবৰ্ত্তী যিসমূহ চৰকাৰ গ'ল, সেই চৰকাৰে কিন্তু আজিলৈকে ক্ষুদ্ৰ চাহ-খেতিয়ক সন্থাৰ সমস্যা সমূহ কিন্তু কোনোদিনে আন্তৰিকতাৰে গ্ৰহণ নকৰিলে। গতিকে আমাৰ পৰৱৰ্ত্তন কামী চৰকাৰখনে ক্ষুদ্ৰ চাহ-খেতিয়ক সকলৰ কাৰণে যথেষ্ঠ কৰণীয় আছে। ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২০১৭ চনৰ ১১ চেপ্তেম্বৰ তাৰিখে যি ঘোষণা কৰিছিলে, ১০০০ টকাৰ বিনিময়ত পট্টা দিয়াৰ ঘোষণা, সেই নিৰ্দেশটো অতি শীঘ্ৰেই আমাৰ জিলা সমূহৰ উপায়ুক্ত সকললৈ পঠিয়াব লাগে। কিছু জিলাত ইতিমধ্যেই মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিছে। তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে অসম চৰকাৰক ধন্যবাদ জনাইছো।

ইয়াৰ লগতে মই ক'ব বিচাৰিছো যে, আমাৰ অসমৰ প্ৰায় ২০ লাখৰো অধিক লোক পৰোক্ষ বা প্ৰত্যক্ষ ভাৱে ক্ষুদ্ৰ চাহ খেতিৰ লগত জৰিত। আমি কৃষি কৰ্মৰ লগত জৰিত। কিন্তু অতি পৰিতাপৰ বিষয় যে ৮০-৯০ শতাংশ কৃষকেই মাটিৰ পট্টাৰ পৰা বঞ্চিত হৈ আছে। মাটিৰ পট্টা নথকাৰ কাৰণে আমি চৰকাৰৰ পৰা যিখিনি লোন পাব লাগে, সেইখিনি পোৱা নাই। ২০০৯ চনৰ পৰা ২০১৫ বৰ্ষলৈ যোৱাটো চৰকাৰে আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ Cess ৰ যোগেদি বা

উপকৰৰ যোগেদি প্ৰায় ১৮৮ কোটি টকা সংগ্ৰহ কৰি উদ্যোগ বিভাগত ৰাখিছে। গতিকে এই চকাখিনিও শ্ৰমিক আৰু ক্ষুদ্ৰ চাহ -খেতিয়কৰ স্বাৰ্থত কাম কৰাৰ কাৰণে তেওঁলোকে আমাক প্ৰস্তাৱ দিছিলে। এই টকাখিনি অতি শীঘ্ৰেই নিয়ম-নীতি খিনিৰ শিথিলতা আনি হ'লেও ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ স্বাৰ্থত টকাখিনি Releaseকৰিব লাগে বুলি মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক অৱগত কৰিছো। ইয়াৰোপৰি আজি ১০ বছৰ ধৰি আমি ক্ষুদ্ৰ চাহ খেতিয়ক সকলে কেচা পাতৰ যি rate পাওঁ, সেইটো একেই হৈ আছে। সেইকাৰণে আমি শ্ৰমিকৰ দৰমহাটো বৃদ্ধি কৰিব পৰা নাই। আমি সেইকাৰণে আহ্বান জনাইছো যে যি সকল ফেক্টৰীয়ে কেচা চাহ পাত লয়, তেওঁলোকৰ এটা minimum cost আমি controll ত অনাৰ ব্যৱস্থা কৰিব লাগে। প্ৰতিদিনে তেওঁলোকে rate ৰ তাৰতম্য ঘটায়। কেতিয়াবা আমি কেচা তাপৰ মূল্য নাপাই ৰাস্তাত পেলাই দিব লগা অৱস্থা হয়। গতিকে আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলক চৰকাৰে নিৰাপত্তা দিব লাগিব। এই পৰিৱৰ্ত্তন কামী চৰকাৰখনে মই যিখিনি বক্তব্য ৰাখিছো সেইখিনি আন্তৰিকতাৰে ল'ব বুলি আশা ৰাখিলো। ধন্যবাদ। জয় আই অসম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী মতী নন্দিতা দাস।

**শ্ৰী মতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই অসম বিধান সভা কাৰ্য্য পৰিচালনা নিয়ম ২৩/২ ৰ অধীনত মোৰ সমষ্টিৰ বিষয়ে মোৰ বক্তব্য দাঙি ধৰাত আপুনি অনুমতি দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, বকো সমষ্টিটো যথেষ্ঠ ডাঙৰ। এই সমষ্টিটোত বিভিন্ন জাতি-জনগোষ্ঠী বসবাস কৰে, যেনে- বড়ো, ৰাভা, গাড়ো, হিন্দু, নেপালী,মুছলমান আদি। এই সমষ্টিটো যেন এটা বৈচিত্ৰৰ সমাহাৰ। বিভিন্ন নদ-নদী, পাহাৰ-ভৈয়াম, পৰ্ব্বতেৰে আৱৰি থকা এইটো এটা বৰ সুন্দৰ সমষ্টি। স্বাধীনতাৰ কালৰে পৰা কিন্তু এই সমষ্টিৰ জনসাধাৰণে বিভিন্ন সমস্যাত ভাৰাক্ৰান্ত হৈ আছে। ইয়াত গৰাখহনীয়া, বানপানী আদি সমস্যাৰ লগতে বিভিন্ন লোক ভূমিহীন হৈ আছে। বিভিন্ন সমস্যাৰে জৰ্জৰিত এই সমষ্টিটোৰ কিছুমান সমস্যা আজ এই পবিত্ৰ সদনত দাঙি ধৰিবলৈ দিয়াৰ কাৰণে মই ধন্যবাদ দিয়াৰ লগতে বিভাগীয় মন্ত্ৰী সকলৰ পৰা এই সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত যাতে তাৎক্ষনিকভাৱে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই অনুৰোধ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, গৰাখহনীয়াটো বকো সমষ্টিৰ এটা প্ৰধান সমস্যা। মই বিভিন্ন সময়ত সদনৰ মজিয়াতো গৰাখহনীয়াৰ ওপৰত মন্তব্য ৰাখি মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছিলো আৰু তেখেতৰ পৰা উত্তৰো বিচাৰিছিলো। হয়, তেখেতে কিছু কাম কৰিছে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। কিন্তু অধ্যক্ষ মহোদয়, আমাৰ সমস্যাটো বৰ ডাঙৰ কাৰণ এই বকো সমষ্টিটোৰ মাজেৰে ৪ খন প্ৰধান নৈ বৈ গৈছে, যেনে ব্ৰহ্মপুত্ৰ, জলজলী, চিংৰা, কলহী। এই ব্ৰহ্মপুত্ৰ নদীৰ জৰিয়তে কেইবাখনো গাওঁ ক্ষতিগ্ৰস্ত হৈছে, গৰাখহনীয়াত আক্ৰান্ত হৈছে। জলজলী নদীৰ দ্বাৰাও নগৰবেৰাৰ নিচিনা এটা অঞ্চল, মালিবাৰীৰ এটা সত্ৰ অঞ্চল, এই অঞ্চল সমূহো বিভিন্ন সময়ত ক্ষতিগ্ৰস্ত হৈ আহিছে। কলহী নদীৰ দ্বাৰাও বিভিন্ন অঞ্চল ক্ষতিগ্ৰস্ত হৈছে। লগতে যিহেতু আমাৰ সমষ্টিটো এটা সীমামূৰীয়া অঞ্চল, বোৰ্ডাৰ সীমাৰ এটা সমস্যা আছে। মেঘালয়ৰ লগত আমাৰ সমষ্টিটো সংলগ্ন হৈ আছে আৰু মেঘালয়ৰ লগত যিটো আমাৰ ৰাস্তা আছে হাহিম, সেই ৰাস্তাটো বিভিন্ন সময়ত চিংৰা নদীৰ দ্বাৰাও আক্ৰান্ত হৈছে। সেয়েহে অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ প্ৰধান সমস্যা হিচাপে গৰাখহনীয়াক লৈছো আৰু সেই সুত্ৰেই মই আপোনাৰ ওচৰত মোৰ যিখিনি বক্তৃতা আপুনি লিখিত বিচাৰিছিলে, সেই বক্তৃতাত মই কেইটামান আঁচনি লিপিবদ্ধ কৰিছো।

**माननीय अध्यक्ष ঃ** এইখিনি মই বিভাগীয় মন্ত্ৰী মহোদয়লৈ ইতিমধ্যে প্ৰেৰণ কৰিছো। আচঁনি কেইটাৰ নাম আপুনি ক'ব নালাগে।

**শ্ৰী মতী নন্দিতা দাস ঃ** হয়। মাজুলীৰ দৰে আমাৰ সমষ্টিটোও বিভিন্ন ধৰণে গৰাখহনীয়াই ক্ষতি কৰিছে। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এই আচঁনি সমূহ সোনকালে ৰূপায়ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰি সমষ্টিটোৰ ৰাইজক সকাহ দিয়ে। মাননীয় অধ্যক্ষ মহোদয়, যাতায়াতৰ ওপৰতো মই আগতে কেইবাবাৰো কৈছো । বিভিন্ন সময়ত সদনৰ মজিয়াত এই বিষয়ত মই অংশগ্ৰহণো কৰিছো। মই কৈছোৰেই যে, বকো সমষ্টিটো নদ-নদী, পাহাৰ- ভৈয়াম, পৰ্ব্বতেৰে আৱৰা এটা অঞ্চল। এই অঞ্চলটোত যাতায়তৰ ব্যৱস্থা খুবেই দুৰ্বল। সেইবাবে বিভিন্ন সময়ত ৰাইজে বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে মোৰ বকো সমষ্টিটো পাহাৰ-ভৈয়াম, নদ-নদীৰে আৱৰা এটা অঞ্চল আৰু যিহেতু এই অঞ্চলটোত যাতায়তৰ ব্যৱস্থাটো খুবেই দুৰ্বল, সেইবাবে বিভিন্ন সময়ত এই অঞ্চলৰ ৰাইজে এই সমস্যাৰ সন্মুখীন হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ কীৰ্তিচিহ্ন স্বৰূপ ছমৰীয়া সত্ৰ, মালিবাৰী সত্ৰ, ভালুকঘাতা সত্ৰ আদি কেইবাখনো সত্ৰ আছে। ইয়াত মই কৈছো যে অসম-মেঘালয় সংযোগী অঞ্চল- হাহিম, দুয়োখন ৰাজ্যৰ ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰস্থল। কিন্তু সেই অঞ্চলবোৰত যাবলৈ যাতায়তৰ সু-ব্যৱস্থা নাই। মই আগতেও কৈছিলো যে তাত লাম্পীৰ নিচিনা খুব সুন্দৰ, মনোমহা, এখন প্ৰদূষণমুক্ত আৰু স্বাস্থ্যকৰ পাহাৰুৱা অঞ্চল আছে কিন্তু সেই অঞ্চলবোৰলৈ যাবলৈ যাতায়তৰ সু-ব্যৱস্থা নাই। বানপানীয়ে চৰ-অঞ্চলত বিভিন্ন সময়ত ৰাস্তা-ঘাটৰ যথেষ্ট ক্ষতি কৰে কিন্তু সেই ৰাস্তাবোৰ মেৰামতি কৰিলেও বানপানীয়ে পুনৰ ক্ষতি-সাধন কৰে। গতিকে, যাতায়তৰ ক্ষেত্ৰত মোৰ সমষ্টিটো অতি পিছ-পৰা আৰু দুৰ্বল। সেইবাবে মই বিভিন্ন সময়ত আঁচনি প্ৰস্তুত কৰি বিভাগীয় মন্ত্ৰী তথা বিষয়া সকলৰ ওচৰলৈ গৈছিলো কিন্তু মই বিচৰা ধৰণে সঁহাৰি পোৱা নাছিলো। বানপানীত বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা বিশেষ দুটা ৰাস্তা হ'ল- মালিবাৰী-ছমৰীয়া চুনতলী পথ (ডেকাচাং হৈ) আৰু ৰঙাপানী-টুপামাৰী পথ। বিভাগে বিভিন্ন সময়ত মালিবাৰী-ছমৰীয়া চুনতলী পথটো কামৰূপ জিলাৰ আটাইতকৈ বেয়া ৰাস্তা হিচাপে প্ৰদৰ্শন কৰিছে। PMGSY ৰ সময়ত এই ৰাস্তাটো বনোৱা হৈছিল কিন্তু এই ৰাস্তাটোক বানপানীয়ে প্ৰতি বছৰে ক্ষতগ্ৰস্ত কৰি আহিছে। সেইবাবে এই ৰাস্তাটো অতি সোনকালে নতুনকৈ নিৰ্মাণ কৰাটো মই বিচাৰিছো আৰু তাৰ বাবে ইয়াত যথেষ্ট খিনি টকাৰ প্ৰয়োজন আছে। এই ৰাস্তাটোৰ দৈৰ্ঘ্য হ'ল ১৫ কিঃমিঃ আৰু ১৫ কিঃমিঃ দৈৰ্ঘ্যৰ এনে এটা গুৰুত্বপূৰ্ণ ৰাস্তা মোৰ সমষ্টিৰ মাজেৰে গৈছে। সেইবাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো তেওঁ যাতে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ আমাৰ বিধায়ক সকলক দিয়া fund খিনিৰ বাহিৰে special fund দি এই ৰাস্তাটো নিৰ্মাণ কৰি দিয়ে যাৰ ফলত এই ৰাস্তাটোৰ ক্ষেত্ৰত যিবোৰ সমস্যাৰ সন্মুখীন হ'ব লগীয়া হৈছে সেইবোৰ সমাধান হ'ব বুলি মই আশা কৰো। মাননীয় অধ্যক্ষ মহোদয়, বকো সমষ্টিৰ উত্তৰ-পশ্চিম প্ৰান্তত অৱস্থিত নগৰবেৰা ঠাইখনৰ বৌদ্ধিক দিশৰ পৰা এটা সুনাম আছে। এই অঞ্চলত কেইবাখনো শিক্ষানুষ্ঠান আছে, যেনে- বিমলা প্ৰসাদ চলিহা কলেজ, হেকৰা হায়াৰ ছেকেণ্ডাৰী স্কুল, নগৰবেৰা হাইস্কুল ইত্যাদি। ইয়াৰোপৰি, ইয়াত Block Office, Poilce Station, Medical আদি সকলো আছে। এই নগৰবেৰা অঞ্চলৰ কাষেৰে জলজলী নৈ বৈ গৈছে আৰু এই জলজলী নৈৰ সিপাৰে প্ৰায় ২৫ হাজাৰ লোকৰ জনবসতিৰে সমৃদ্ধ কেইবাখনো গাঁও আছে। কিন্তু এই ২৫

হাজাৰ লোকে যিবোৰ গাঁৱত বসবাস কৰি আছে, তেওঁলোকে নাঁৱেৰে নদী পাৰ হৈ নগৰবেৰালৈ আহিব লাগে আৰু তেওঁলোকৰ এই নৌকা যাত্ৰাটো একেবাৰে বিপদ সংকুল। সেয়েহে, তাত পকী দলং এখন নিৰ্মাণ কৰাটো অতিকৈ প্ৰয়োজন। তাৰ বাবে মই কেইবাবাৰো 'RCC Bridge over Jaljali River connecting Nagarbera and Bhukuradia'-বুলি scheme এটাৰ প্ৰস্তাৱ দিছিলো। বিগত চৰকাৰৰ সময়তো NLCPR ৰ অধীনত এই আঁচনি হোৱাৰ কথা আছিল কিন্তু সেই সময়ত এই কামটো নহ'ল। মই এইবাৰ CRF তো দিছিলো, কিন্তু এই আঁচনিত বেছি টকাৰ প্ৰয়োজন আছে। আনকি মই আমাৰ সন্মানীয় বিত্ত মন্ত্ৰীয়ে বিচৰা অনুযায়ী Signature Scheme ত এই scheme টোৱেই দিছিলো। কিন্তু সেই scheme টোত যিহেতু অতিকমেও প্ৰায় ২৫ কোটি টকাৰ প্ৰয়োজন গতিকে সেইটো accept নহ'ল। সেয়েহে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই scheme টো যাতে তেখেতে গুৰুত্ব সহকাৰে লয় কাৰণ তাৰ পৰা ২৫ হাজাৰ লোক বিভিন্ন সময়ত স্কুল, স্বাস্থ্যকেন্দ্ৰ, ব্লক আদিলৈ আহিব লগীয়া হয়। গতিকে, মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, এই ক্ষেত্ৰত তেখেতে যাতে বিহীত ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষঃ** এই দলংখন হোৱাটো খুবেই দৰকাৰী। কিন্তু দলংখনৰ নিৰ্মাণৰ খৰছ টো যথেষ্ট বেছি। 'Prime Minister North-East Initiative' বুলি নতুনকৈ scheme এটা হৈছে, you can try there also. আপুনি কথাখিনি ইতিমধ্যে details ত দিছেই। বেছিকৈ ক'লে আপোনাৰ সময়ো বেছি লাগিব।

**শ্ৰী মতী নন্দিতা দাস, মাননীয় সদস্যা, (বকো)ঃ** ঠিক আছে, মই চমু কৰি কৈছো। অধ্যক্ষ মহোদয়, অসম-মেঘালয়ৰ সীমান্ত অঞ্চলত বিভিন্ন সময়ত বিভিন্ন ধৰণৰ ঘটনা সংঘটিত হোৱা দেখা গৈছে। ২০১০ চনত খাছিয়া আৰু নেপালী সম্প্ৰদায়ৰ মানুহৰ মাজত হোৱা সংঘৰ্ষত বহু মানুহৰ মৃত্যুও হৈছিল। সেই সময়ত তাত দুটা BOP স্থাপন কৰা হৈছিল কিন্তু এই BOP বোৰৰ অৱস্থা অতি শোচনীয় আৰু তথৈবচ। তাত জোৱান সকলৰ নিজৰ নিৰাপত্তাৰ ব্যৱস্থাটোৱেই নাই। গতিকে তেনে পৰিস্থিতিত তেওঁলোকে জনসাধাৰণক কি ধৰণেৰে নিৰাপত্তা প্ৰদান কৰিব? সেয়েহে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো তেওঁ যাতে এই অঞ্চলৰ সমস্যাখিনিক গুৰুত্ব সহকাৰে লয়। কিছুদিন আগতে সদনৰ মজিয়াত মই 301 ত আনিছিলো যে মেঘালয়ত যেতিয়া নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল, তেতিয়া অসমৰ মাটি, লাম্পীত তিনিটা ভোট কেন্দ্ৰ স্থাপন কৰিছিল। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ পাইছিলো যে তেনেধৰণৰ একো হোৱা নাই। তাৰোপৰি অসমৰ অন্তৰ্গত কিছুমান গাঁও নতুন নামেৰে নামাকৰণ কৰি তেওঁলোকৰ নিজ গাঁও বুলি দাবী প্ৰতিপন্ন কৰিছিল। এই ক্ষেত্ৰত SP আৰু DC ডাঙৰীয়াই স্বীকাৰোক্তি দিছিল যে তাত স্থাপিত হোৱা গাঁওবোৰৰ প্ৰকৃত নাম সলনি কৰি নতুন নামেৰে নামাকৰণ কৰিহে গাঁও স্থাপন কৰিছে। উদাহৰণ স্বৰূপে- হৰ্ষ নগৰ গাঁওৰ নাম সলনি কৰি লৌবা, উমতাপৰ নাম সলনি কৰি মাদাংজো, কাটাপাৰাৰ নাম সলনি কৰি নংছোৰম, দ্ৰোনপাৰাৰ নাম সলনি কৰি নংদ্ৰোন কৰিলে আৰু আপাৰ লাম্পীৰ ঠাইত মৌছিকা কৰিলে। গতিকে এনেধৰণেআমাৰ অঞ্চলৰ নামবোৰ সলনি কৰি তেওঁলোকে নিজৰ নামেৰে নামাকৰণ কৰাৰ ফলত সেই অঞ্চলবোৰ আমাৰ নহয় বুলি ভাৱি বিভাগে হয়তো সেই সময়ত উপযুক্ত ব্যৱস্থা নল'লে। সেই কাৰণে অধ্যক্ষ মহোদয় এই বিষয়টো অতি গুৰুত্ব সহকাৰে ল'ব লাগে কাৰণ বিভিন্ন সময়ত মেঘালয়ে যি ধৰণে সেই অঞ্চলবোৰত স্কুল, গীৰ্জাঘৰ, ৰাস্তা-ঘাট আদি নিৰ্মাণ কৰিছে সেই অনুপাতে আমাৰ অসম চৰকাৰৰ ফালৰ পৰা কিন্তু কাম-কাজ কৰা হোৱা

নাই। গতিকে, মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে তেওঁ এই কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি অনাগত দিনত আমাৰ সীমা-সুৰক্ষাৰ ক্ষেত্ৰত যিবোৰ ব্যৱস্থা ল'ব লাগে সেইবোৰ যাতে গুৰুত্ব সহকাৰে গ্ৰহণ কৰে।

অধ্যক্ষ মহোদয়, লাম্পী অঞ্চলৰ লগত জড়িত হৈ থকা আন এটা বিষয় হ'ল বগাইসাচ সংৰক্ষিত বনাঞ্চল । মোৰ সমষ্টিত প্ৰায় ১২ খনতকৈও অধিক সংৰক্ষিত বনাঞ্চল আছে যদিও তাৰ ভিতৰত আটাইতকৈ ডাঙৰ সংৰক্ষিত বনাঞ্চল খনেই হ'ল- অসম-মেঘালয়ৰ সীমান্তত থকা বগাইসাচ সংৰক্ষিত বনাঞ্চল, যাৰ মাটিকালি - ২৪ হাজাৰ হেক্টৰ। এই বৃহৎ অঞ্চলটোত হাবি-বননি, বাহনি আৰু বিভিন্ন ধৰণৰ মূল্যৱান গছ, যেনে- শাল, মাক্ৰিছাল আদি আছে। গতিকে এইবোৰক সুৰক্ষিত কৰাৰ যথেষ্ট প্ৰয়োজন আছে। তাত এটা Beat Office আছে যদিও Office টোত বিষয়াৰ সংখ্যা যথেষ্ট কম আৰু তেওঁলোকে বন সুৰক্ষাৰ ক্ষেত্ৰত যেনে-ধৰণে কাম কৰিব লাগে তেনেধৰণে কৰিব পৰা নাই। সেয়েহে সেই বনাঞ্চল সুৰক্ষিত কৰি ৰাখিবৰ বাবে তাত এটা পূৰ্ণাংগ বনাঞ্চলিক বন কাৰ্যালয় স্থাপন হোৱাতো বিচাৰিছো কিয়নো ইয়াৰ ফলত আমাৰ সীমা সুৰক্ষাৰ ক্ষেত্ৰটো প্ৰাধান্য পাব আৰু বনাঞ্চলৰ ভিতৰত আমাৰ যিবোৰ সম্পদ আছে, সেইবোৰো সুৰক্ষিত হৈ থাকিব। ইয়াৰোপৰি অধ্যক্ষ মহোদয়, আমাৰ লাম্পীখন খুবেই ধুনীয়া, তাত গ'লে দ্বিতীয় শ্বিলঙত যোৱা যেন লাগে।

**মাননীয় অধ্যক্ষঃ** হয়, আপুনি কোৱা কথাটো সঁচা। Lampi is a very beautiful place. আমি সকলোৱে এবাৰ চাবলৈ যোৱাটো ভাল। অৱশ্যে তাৰ যাতায়ত ব্যৱস্থাটো কেনেকুৱা মই নাজানো। গতিকে, লাম্পীৰ ক্ষেত্ৰত আপুনি যিখিনি কথা ক'লে সেইখিনি মই explicit কৰিছো । গতিকে এই বিষয়ে Tourism Minister লৈ আৰু আগৰ point টোৰ ক্ষেত্ৰত Forest Minister লৈ বুলি note লিখি মোক দিব যাতে এই ক্ষেত্ৰত মই তেওঁলোকক ক'ব পাৰো।

**শ্ৰী মতী নন্দিতা দাস, মাননীয় সদস্যা, (বকো)ঃ** ঠিক আছে মহোদয়। তাৰ লগতে, "আমাৰ ঘৰ আমাৰ আলহী" আঁচনিৰ অধীনত Eco-Tourism বা Forest Protection ৰ ব্যৱস্থা গ্ৰহণ কৰিলে অঞ্চলটোৰ সুৰক্ষাৰ ক্ষেত্ৰটোৱে গুৰুত্ব পাব। এতিয়া, মই পানী যোগানৰ ক্ষেত্ৰত ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, ২০১১ চনৰ লোকপিয়ল মতে মোৰ সমষ্টিত জনসংখ্যা প্ৰায় ৩,২৯,৮৭৮ আৰু যিখিনি পানীযোগান আঁচনি তাত আছে সেইখিনি পৰ্য্যাপ্ত নহয়। পানীযোগান আঁচনিৰ প্ৰয়োজন আছে। মোৰ সমষ্টি ৪০ শতাংশ আঁচনিয়েই defunct হৈ আছে। সেই আঁচনিবোৰ কাৰ্য্যকৰী কৰিবৰ বাবে............

**মাননীয় অধ্যক্ষ ঃ** আপুনি লিষ্টত আঁচনিৰ নাম দিছে। এইখিনি Minister ৰ তাত যাব আৰু ছয়টা আঁচনিৰ কথা কৈছে। defunct ছয়টা আপুনি ইয়াৰ মাজৰ পৰা দিয়া উচিত। আপুনি ছয়টা নাম দিছে। এই defunct কেইটা এইবাৰ functional কৰিব লাগে। ১৫ মিনিট হৈ গ'ল আপুনি conclusion কৰক।

**শ্ৰী মতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমষ্টিৰ কথা ক'বলৈ গ'লে বহুত আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱে হাতী মাৰি ভুৰুকাত ভৰোৱাৰ কথাষাৰ কোৱাৰ দৰে। তথাপি কেইটামান major সমস্যা দৃষ্টিগোচৰ কৰিলো আৰু আশা কৰিছো বিভাগীয় মন্ত্ৰী সকলে ইয়াৰ ওপৰত গুৰুত্ব দিয়ে আৰু সমাধানৰ কাৰণে ব্যৱস্থা লব আৰু শেষত এইখিনি কথা সদনৰ মজিয়াত দাঙি ধৰিব দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো।

**Hon'ble Speaker :** Last Shri Ajij Ahmed Khan. South Karimganj.

**শ্রী আজিজ আহমেদ খান (দক্ষিণ করিমগঞ্জ) :** মাননীয় অধ্যক্ষ মহোদয় আমাকে কথা বলার সুযোগ দেওয়ার জন্য আমি আপোনাকে ধন্যবাদ জানাচ্ছি। মাননীয় অধ্যক্ষ মহোদয় আমার দক্ষিণ করিমগঞ্জ বিধানসভা সমষ্টিতে কোনো খণ্ড উন্নয়ন কার্য্যালয় নেই।

**অধ্যক্ষ :** -মিনিষ্টার পঞ্চায়েত এণ্ড রুরাল ডেভলেপমেন্ট তেওঁর সমষ্টিত বুলে এটাও ব্লক নাই। সেই কারণে কবলৈ দিছো।

১৯৯০ সালের ২১ আগষ্ট একটা পঞ্চায়েত ও গ্রামোন্নয়ন বিভাগ থেকে একটি Notification হয়েছিল। উক্ত Notification য়ে খণ্ড উন্নয়ন অফিসের কার্য্যালয় নিলামবাজারে হওয়ার কথা ছিলো। কিন্তু পরে এটা আমার সমষ্টিতে না হয়ে বদরপুর বিধানসভা সমষ্টিতে হয়েছে। কিন্তু এই জায়গায় যোগাযোগের ব্যৱস্থা খুবই খারাপ, বিদ্যুতের অনেক সমস্যা এবং বিশেষ করে ইন্টারনেটের যোগাযোগ নেই। যার জন্য জবকার্ড নতুন করে বানানো সম্ভব হচ্ছে না। Wages র টাকা গুলো দেওয়া সম্ভব না হোৱার ধরুন করিমগঞ্জ জিলা সদরে জেলা গ্রামোন্নয়ণ আধিকারীক অফিসে ৩ জন MIS বসিয়ে কাজ করতে হয়। আমি অধ্যক্ষ মহোদয়ের মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ করছি যে ১৯৯০ সালে যেহেতু Notification বাহির হয়েছিল সেই হেতু অতি অল্প সময়ের মধ্যে আমার উন্নয়ন খণ্ড কার্য্যালয়টি Notification অনুযায়ী নিলামবাজারে স্থানান্তরিত করার জন্য অনুরোধ করছি। যেহেতু আমার দক্ষিণ করিমগঞ্জ সমষ্টিতে আর কোনো খণ্ড উন্নয়ন কার্য্যালয় নেই। কারণ স্যার আজকেও যে উন্নয়ন খণ্ড ভিত্তিক খেল প্রদান করা হবে সেটা থেকে আমি বিরত কারণ আমার সমষ্টিকে চারটি ভাগে বিভক্ত করা হয়েছে। কিছু সংখ্যক বদরপুর সমষ্টিতে, কিছু সংখ্যক উত্তর করিমগঞ্জ, কিছু সংখ্যক পাথারকান্দিতে, কিছু সংখ্যক রাতাবাড়ী সমষ্টিতে বিভক্ত করা হয়েছে।

**মাননীয় অধ্যক্ষ :** ঠিক আছে এটা আমি দেখবো। এর পরে বলুন।

মাননীয় অধ্যক্ষ মহোদয়, দক্ষিন করিমগঞ্জ সমষ্টি, যেহেতু করিমগঞ্জ জেলা অন্য ৪টি সমষ্টির থেকে জনবহুল এবং ভৌগলিক দিক থেকে অনেক বড়। আমার সমষ্টিতে বহু পুরোনো একটি IB ছিল কিন্তু বর্তমানে ওই IB টিতে নিলামবাজার চক্র বিষয়া র কার্যালয় চলিতেছে এবং ওই IB র অবস্থা যথেষ্ট শোচনীয়। আমার দক্ষিণ করিমগঞ্জ সমষ্টিতে কোন IB বা রেষ্ট হাউস নেই। তাই অধ্যক্ষ মহোদয়ের মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ করছি যে অতি কম সময়ের মধ্যে কমপক্ষে একটি IB বা রেস্ট হাউস গড়কপ্তানি বিভাগের মাধ্যমে নির্মান করার জন্য অনুরোধ রইল। কারণ গড়কাপ্তানি বিভাগের মন্ত্রী আমার অতি নিকটতম সমষ্টির লোক এবং তিনি অত্যন্ত ভালো লোক এবং উনাকে আমরা দাদা বলে ডাকি। কিন্তু দুঃখের বিষয় আমি জানি উনি আমার দক্ষিণ করিমগঞ্জের ইনচার্জও কিন্তু আমার সমষ্টিতে কোনো IB নাই । তিনি নিজেও দু তিন বার এম পি ভোট খেলেছেনে। উনার আমার থেকেও অনেক বেশী অভিজ্ঞতা আছে। আমার দক্ষিণ করিমগঞ্জ সমষ্টির বিষয়ে তাই আমি এই সদনে বিনম্র সহকারে অনুরোধ করছি যাতে কম পক্ষে একটি IB দেওয়া হয়। আমরা এম এল এ রা বসার জন্য সহকারে অনুরোধ করছি যাতে কম পক্ষে একটি IB দেওয়া হয়। আমরা এম এল এরা বসার জন্য নয়, আপোনারা যারা বাইরে থেকে মন্ত্রী মহোদয়রা যান তারা যাতে বসতে পারেন, সেই বসার জন্য কমপক্ষে অন্তত একটা IB দেওয়ার জন্য অনুরোধ করছি। মাননীয় অধ্যক্ষ মহোদয়, দক্ষিন করিমগঞ্জ সমষ্টিতে গত বছরের বন্যায় ১৭টি রাস্তা মারাত্বকভাবে ক্ষতি হয়েছে। এর মধ্যে কিছু পয়সা উনি দিয়েছিলেন যার মধ্যে আমি পাঁচটি রাস্তা মেরামতি করেছি। এই বর্ষার আগে যদি বাকী রাস্তাগুলি মেরামতি না হয় তাহলে অত্যন্ত

শোচনীয় অবস্থা হবে। জরুৰীকালীন অবস্থায় এম্বুলেন্স বা দমকল বাহিনীর গাড়ীও যেতে পারবেনা। কারণ আমার সমষ্টিতে কোনো টাউন বা শহর নেই। পুরো গ্রাম অঞ্চল। অমি মনে করি অসম বিধান সভার ১২৬ টি সিটের মধ্যে একমাত্র আমার সমষ্টিতে হবে যে কোনো একটা শহর নেই। আমার দক্ষিণ করিমগঞ্জ সমষ্টিতে । আমার সমষ্টির শতকরা ৮০ভাগ জায়গায় গাড়ী চলাচল করা সম্ভব হবেনা এবং জরুরীকলীন অবস্থায় এম্বুলেন্স ও দমকল বাহিনীর কোনো গাড়ী আসা অসম্ভব হবে। তাই আমি অধ্যক্ষ মহোদয়ের মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ করছি যে অতি তাড়াতাড়ি যাতে ঐ রাস্তাগুলোর মেরামতি করার জন্য বিহীত ব্যবস্থা নেন।

মাননীয় অধ্যক্ষ মহোদয় আমার সমষ্টিতে ২৩ টা PWSS প্রকল্প ছিল এর মধ্যে লাষ্ট ইয়ারে আমর মন্ত্রী মহোদয় দিয়েছেন। কিন্তু এর মধ্যে আরও ১৮ টি PWSS প্রকল্প সম্পূর্ণরূপে বন্ধ আছে। আমার সমষ্টিতে কোনো শহর এলেকা নেই এবং শতকরা ৯০ শতাংশ মানুষ বিশুদ্ধ খাবার জল পাচ্ছেন না যার ধরুন আমার সমষ্টির জনসাধারণ বিরাট সমস্যার সন্মুখীন হচ্ছেন। তাই অধ্যক্ষ মহোদয়ের মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ করছি অতি কম সময়ের মধ্যে যাতে আমার সমষ্টির বিশুদ্ধ পানীয় জলের সমস্যা সমাধান করা হয়। যেহেতু আমার সমষ্টিতে কোনো শহর নাই এবং আমার সমষ্টি ২২ টি গ্রাম পঞ্চায়েত নিয়ে গঠিত তাই আমি মাননীয় অধ্যক্ষ মহোদয়ের মাধ্যমে মন্ত্রী মহোদয়কে বিশেষ অনুরোধ করছি যে এই কাজ গুলো করে দেওয়ার জন্য। যেহেতু মাননীয় প্রধানমন্ত্রীজী স্বচ্ছভারত মিশনে খুবই গুরুত্ব প্রদান করেছেন। সেইজন্য আমার সমষ্টিতে কমপক্ষে ৫০ টি কমিউনিটি টয়লেট স্থাপন করার জন্য বিশেষ অনুরোধ রইলো। অবশেষে আমি অধ্যক্ষ মহোদয়কে অনেক অনেক ধন্যবাদ জানাই যেহেতু অধ্যক্ষ মহোদয় আমার সমষ্টির বক্তব্যগুলি তুলে ধরার জন্য আমাকে সময় প্রদান করেছেন। তাই আমি অত্যন্ত খুশি। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ গোটেইখিনি এটা New initiative. মই খুব সুখী। মই ভাবিছিলো এইটো কৰোতে সদস্য সকলে কেনেকৈ ভাৱিব। যেতিয়া মই প্ৰথম দিছিলো, খুব কম সদস্যই এইটোৰ ক্ষেত্ৰত ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু পুৰণি সদস্য সকলে বিচাৰিছিল। কিন্তু মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে এতিয়া মই ৭২ খন মান কাগজ পাইছো। Members hour ত তেওঁলোকৰ সমষ্টিৰ যিকেইটা গুৰুত্বপূৰ্ণ কাম সেইকেইটা যাতে চৰকাৰক সোনকালে কৰোৱাৰ ক্ষেত্ৰত দৃষ্টি আকৰ্ষণ কৰিব পাৰে, তাৰ কাৰণে কৰা হৈছিল। মই সুখী আজি চাউথ কৰিমগঞ্জৰ সমষ্টিৰ কথা শুনি অসম খনৰ প্ৰতি মোৰো ধাৰণাটো অলপ বেলেগ হৈছে। কিছুমান আমাৰ এনেকুৱা অঞ্চল আছে অত্যন্ত দুৰ্গম অঞ্চল। মই লাংপি গৈছো। সেই কাৰণে আপুনি কোৱা কথাটো মই support কৰিছো। আমাৰ মন্ত্ৰী সকলো বহুত উৎসুক। তেওঁলোকে ইয়াৰ উত্তৰ দিব। আপোনালোকক লিখিত উত্তৰ দিবলৈ মই কম। লিখিত উত্তৰ যিটো দিছে তাত মই দুই এটা correct কৰিম।

**শ্ৰী দেৱানন্দ হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, যিবিলাকক ক'বলৈ দিয়া নহ'ল তেওঁলোককো কথাবিলাক ক'বলৈ কিবা সুবিধা দিব নেকি?

মাননীয় অধ্যক্ষ ঃ প্ৰত্যেকেই পাব। প্ৰত্যেক মংগলবাৰেই আমি দিম। আজি যিহেতু SDG ৰ ওপৰত discussion দিছিলো নহ'লে মন্ত্ৰী সকলক উত্তৰ দিবলৈ ক'লোহেতেন। তেখেত সকলে উত্তৰ পোনপটীয়াকৈ দিব। মন্ত্ৰী সকলে উত্তৰ দিব বিচাৰিছে কিন্তু মইহে তেওঁলোকক সময় দিব পৰা নাই। উত্তৰটো আপোনালোকে পাব। নহ'লে কথাটো আলোচনা নহ'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** .মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমেই আপোনাক ধন্যবাদ দিছো Parliamentary Affairs Minister হিচাপে। ধন্যবাদ এই কাৰণেই দিছো যে, অসম বিধান সভাত প্ৰথম বাৰৰ বাবে মাননীয় সদস্য সকলৰ কাৰণে এটা আপুনি Members Hours বুলি এটাinitiation কৰিছে আৰু প্ৰতিগৰাকী সদস্যই নিজৰ নিজৰ সমষ্টিৰ ৰিলেটেড কিছু জ্বলন্ত সমস্যা ইয়াতে দাঙি ধৰিবলৈ সুযোগ পাইছো। তাৰ কাৰণে প্ৰথমতে মই এই ইনিচিটিভটো লোৱাৰ কাৰণে আপোনাক আমাৰ সদনৰ তৰফৰ পৰা মই ধন্যবাদ জনাইছো। এইটো খুব ভাল পদক্ষেপ হৈছে অধ্যক্ষ ডাঙৰীয়া। সময়ৰ অভাৱত আপুনি কৈছে যে, আমি লিখিত উত্তৰ দিব লাগে। লিখিত উত্তৰ দি দিম। কিন্তু on behalf of all Ministers as Parliamentary Affairs Minister আমি সময় নষ্ট নকৰো। আৰু বাকী মন্ত্ৰী সকলে আৰু কথা নকয়। On behalf of all Ministers মই সকলো মন্ত্ৰীৰ লগত কথা পাতিছো। আমাৰ প্ৰতিজন মন্ত্ৰীয়ে এই প্ৰশ্নটোৰ উত্তৰ দিয়াৰ কাৰণে আমি প্ৰস্তুত আছো। আৰু আমি তথ্যপাতিও সেই হিচাপে লৈ আহিছো। কাৰণ আপোনাৰ ইনিচিটিভটো ভাল হৈছে। যে আমাৰ যিটো বিষয় ইয়াত উত্থাপন কৰিব দিছে আগদিনাখনেই আমাক ইয়াৰে সদস্য গৰাকীয়ে যি বিচাৰিছে। যি status আমালৈকে পঠিয়াইছে। So, on the basis of that all Department এই গোটেই বস্তুখিনি with all datas and facts কেনেকৈ কৰিব পৰা যাব এইখিনি আনিছে। যিহেতুকে আপোনাৰ নিৰ্দেশ। গতিকে আমি কোনো মন্ত্ৰীয়ে আজি সদনত মৌখিক উত্তৰ নিদিওঁ, আপোনাৰ নিৰ্দেশ মৰ্মে। কিন্তু আমি উত্তৰ দিবলৈ প্ৰস্তুত আছো। গতিকে আমি লিখিতভাৱে আপোনাক উত্তৰখিনি দিম। মাননীয় অধ্যক্ষ মহোদয়,আমি এটা অনুৰোধ কৰিম সকলো মন্ত্ৰীৰ হৈ আজিযে যিসকল মাননীয়দস্যই ইয়াত কথাখিনি ক'লে এই কথাখিনিৰ কপিটো আমাক দিলে ভাল পাম। তেতিয়া কি হ'ব, তেতিয়া আমি প্ৰত্যেকটো দফাই দফাই আমি উত্তৰটো দিব পাৰিম আৰু কি ইনিচিয়েটিভ আমি লব পাৰিম চৰকাৰৰ পৰা, সেইখিনিও আমি জনাব পাৰিম। গতিকে আমি উত্তৰ দিবলৈ প্ৰস্তুত আছো। কিন্তু লিখিতভাৱে দিম খালী এই কামটো দিলেই হয় আৰু বাকী মন্ত্ৰীয়ে কথা নকয়। মই Parliamentary Affairs Minister হিচাপে সকলো মন্ত্ৰীৰ হৈ কথাখিনি কম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। চৰকাৰে এটা সাংঘাটিক Positive attitude লৈছে আৰু সেই কাৰণে মই ধন্যবাদ জনাইছো। তাৰ বাবে এইখিনি কথা কৈছে আৰু মই ভাবিছো যে, আপোনালোকে সকলোৰে উত্তৰ পাব। আৰু দৰকাৰ হ'লে Next Members Hours ত মই আপোনালোকৰ clarification ৰ কাৰণে অকনমান সময় arrange কৰি দিম।

**শ্ৰী আজিজ আহমেদ খান, দক্ষিণ কৰিমগঞ্জ ঃ** চাৰ, আমাৰ ব্লকটোৰ কথাখিনি ক'লে ভাল।

**মাননীয় অধ্যক্ষ ঃ** একমিনিট। আপোনাৰ দুখৰ মই সমভাগী। I will try. So that you get a block.

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো আগতীয়াকৈ মই যিমান দুৰ জানো লিখিত দি দিছে নেকি।

**মাননীয় অধ্যক্ষ ঃ** তিনিদিনৰ আগতে মোক লিখি ত দিব লাগিব। তেতিয়াহে মই গম পাম। দৰকাৰ হ'লে শুধৰাম। ঠিক আছে। এতিয়া আমি Sustainable Department Goal ৰ ওপৰত কেইবাজনেও কব বিচাৰিছে। মই তাৰ আগতে এটা আমাৰ Video clipping প্ৰদৰ্শন হ'ব। মই চাবলৈ কৈছো। দুই-তিনি মিনিটমান কাৰণে হ'ব বোধকৰো আৰু এইটো মই দিবৰ কাৰণে অনুৰোধ কৰিছো আৰু আপোনালোকৰ বিধায়িনী দল বিলাকৰ নাম কেইবাটাও পাইছো। কিন্তু

সকলোৰে কাৰণেটো সম্ভৱ নহ'বগৈ। গতিকে আপোনালোকৰ মাজত চৰ্চা কৰি যাক আগতে দিয়ে মই সেই মতে দি থাকিম। এতিয়া Clipping টো দিব , Please start the clipping, see the screen. (Sustainable Department Goal ৰ ওপৰত এখনি তথ্যচিত্ৰ সদনত প্ৰদৰ্শন কৰে আৰু সদনত থকা সকলোৰে তথ্যচিত্ৰখন প্ৰত্যক্ষ কৰে)

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহুত ধুনীয়া হৈছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, একমিনিট সময় লম। আপুনি বিধান সভাৰ অধ্যক্ষ হোৱাৰ পাছত মই ১৯৮৫ চনৰ পৰা অসম বিধান সভাত সদস্য হিচাপে থকাৰ সৌভাগ্য হৈছে। আৰু আপোনাৰ নিত্য নতুন যিবিলাক জনসাধাৰণৰ হিতৰ কাৰণে কাৰ্য্যসূচী লৈ আছে আমি আপোনাক অসম বিধান সভাৰ তৰফৰ পৰা ধন্যবাদ জনাইছো। কাৰণ মই ভাবো Leader of the Opposition এ এই ক্ষেত্ৰত একাষাৰ কব। কিন্তু অধ্যক্ষ ডাঙৰীয়া আজি পৃথিৱীত আটাইতকৈ ডাঙৰ Subject হৈছে Global warming. Climate change. এইটো আটাইতকৈ ডাঙৰ কথা কাৰণ গছে অক্সিজেন এৰি দিয়ে, আমি লওঁ, আমি কাৰ্বনডাই অক্সাইড এৰি দিওঁ, সেইটো গছে খায়। গতিকে এই যিটো Ecological balance,এই balance টো imbalance হৈছে। যাৰ কাৰণে এই Subject টো আজিৰ দিনত global warming টো পৃথিৱীৰ আটাইতকৈ ডাঙৰ চাবজেক্ট হৈছে। গতিকে অধ্যক্ষ ডাঙৰীয়া এই যে ব্যৱস্থাটো যে,আপুনি কৰিছে, তাৰ কাৰণে আপোনাক ধন্যবাদ দিছো, আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়েও এটা কথা কৈ আছে চাৰিটা বিন্দুৰ ভিতৰত তেওঁৰ প্ৰথম অন্য এটা বিন্দু আছে যে, প্ৰদুষণমুক্ত অসম। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ। এই চৰকাৰৰ চাৰিটা বিন্দুৰ এটা প্ৰধান বিন্দু যে প্ৰদুষণমুক্ত অসম। আৰু সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইবাৰ ফৰেষ্ট বিভাগৰ মন্ত্ৰীডাঙৰীয়াইনী আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইবাৰ দহ কোটিগছ পুলি ৰোৱাৰ কাৰণে বন বিভাগক নিৰ্দেশ দিছে আৰু মই ধন্যবাদ দিছো আমাৰ মাননীয় সদস্য শ্ৰীতপন কুমাৰ গগৈ ডাঙৰীয়াক যে তেখেতে এদিনৰ ভিতৰত আজি চাৰিদিন মানৰ আগত ছয়লাখ গছপুলি তেওঁৰ এটা সমষ্টিত ৰুইছে। গতিকে শ্ৰী যোগেন মোহন ডাঙৰীয়া আছে, শ্ৰীতপন কুমাৰ গগৈ ডাঙৰীয়া আছে। ছয়লাখ গছপুলি ৰোৱাটো ধেমালী কথা নহয়আৰু এঘণ্টাৰ ভিতৰতইমান বিশাল এটা প্ৰগেম কৰিছে। সেই কাৰণে অধ্যক্ষ মহোদয়, মই ভাবো, এই দুই মিনিটত্ব ক্লিপিংটোদেখুৱাইছে আমি আস্বস্ত হৈছো, আমিও সকলো বিধায়কে নিজৰ নিজৰ সমষ্টিত স্কুল-কলেজ বিভিন্ন ঠাইত আমিও গছ পুলি ৰোৱাৰ ব্যৱস্থাটো নিশ্চয় কৰিম।গতিকে তাৰ কাৰণে আপোনাক আমি ধন্যবাদ দিছো।মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰদুষণমুক্ত অসম আৰু বিশ্বত Global warming ৰ যিটো আজি সমস্যা, এই সমস্যাটো আপুনি বিধানসভাৰ মজিয়াত নিজা ইনিচিয়েটিভত আপুনি টানি অনাৰ কাৰণে আপোনাক আমি অসম বিধান সভাৰ পৰা মই ধন্যবাদ দিছো। মই ভাৱো বিৰোধী পক্ষই এই ক্ষেত্ৰত আমাৰ লগত একমত হ'ব আৰু বিৰোধী পক্ষৰ দলপতিয়ে দুআষাৰ নিশ্চয় কব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যিখিনি Initiative, Speaker initiative য়েই হওঁক, বা এনেধৰণৰ বিভিন্ন সমস্যা সমূহৰ সন্দৰ্ভত আমাৰ বিধান সভাৰ সদস্যসকলৰ মাজত সজাগতা আৰু লগতে কেনেকৈ সমস্যাখিনি সমাধান কৰিব পৰা যায়, তাৰবাবে যিখিনি পদক্ষেপ লৈছে, তাৰ বাবে আপুনিও আমাৰ সকলোৰে ধন্যবাদৰ পাত্ৰ আৰু

সচাঁকৈয়ে আমি যোৱা সময়চোৱাত বিভিন্ন ধৰণৰ সমস্যা সমূহৰ বিষয়ে আমি সকলোৱে অৱগত হওঁ। কিন্তু আমাৰ হাতত এনেধৰণৰ পদক্ষেপ লব পৰাকৈ বিধান সভাত সুযোগ নাছিলে। আ পুনি দায়িত্বভাৰ লোৱাৰ পাছত এইখিনি সুযোগ আপুনি আমাক সকলোকে দিয়াৰ বাবে শাসক বিৰোধী সকলোৱে আপোনাৰ শলাগ লৈছো। আমি আশা কৰো আগন্তুক সময়ত আপুনি আমাৰ সকলোৰে অসমৰ সমস্যা সমাধানৰ ক্ষেত্ৰত যাতে আমি একেলগে কাম কৰিব পাৰো। তাৰ বাবে আপুনি পদক্ষেপ সমূহ লব। যাতে আমি সকলোৱে অসমখনৰ বাবে চেষ্টা কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমল সিং নাৰ্জাৰী, বিধায়ক ঃ**-মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যিটো উদ্যোগ, সেই উদ্যোগটো আমি নিশ্চয় শলাগিব লাগিব। আপুনি টো ধন্যবাদৰ পাত্ৰ। এইটো ক্ষেত্ৰত যিটো আমি Climate Change that we don't want মই এটা কথা কব বিচাৰিছো, Forest Minister বাইদেউয়ো আছে। যে শালগছ, আমাৰ ৬ লাখ গছ-গছনি ৰুইছে। ঠিক আছে। মই তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছো যি সকলে উদ্যোগ লৈছে তেওঁলোকক মই ধন্যবাদ জ্ঞাপন কৰিম। শাল গছে আমাৰ যিটো Under ground water টো ২০ ওপৰলৈকে টানি আনে। য'ত পানী নাই তাত শাল গছ এটা ৰুই দিলে ৩ বছৰৰ আগত সেইটো ডাঙৰ নহয়। শাল গছৰ যি শিপা, মুল শিপাটো পানী য'ত আছে তাতে বিচাৰি যায়। ৩০০ -৪০০ ফুট তললৈ পানী বিচাৰি যোৱাৰ পাচতহে ৩ বছৰ পাচতহে ইয়াৰ গ্ৰোথটো আৰম্ভ হয়। প্ৰতিটো সমষ্টিত যদি শাল গছ ৰুব পৰা যায়, তেনেহলে আমি নিশ্চয় আমাৰ পানীৰ যিটো আদ্ৰতা, layer ধৰি ৰখাত আমাৰ যথেষ্ট লাভজনক হব। গতিকে মই বাইদেউক অনুৰোধ কৰিম, যাতে আমি প্ৰতিটো সমষ্টিত অন্ততঃ পাৰে যদি ৫০০০ কৈ শাল গছ দি দিয়ে, তেন্তে নিশ্চয় আমাৰ প্ৰতিটো সমষ্টিত উপকৃত হব। আৰু আপোনাৰ যিটো উদ্যোগ, সেই উদ্যোগটো শলাগি ধন্যবাদ জনাই মই এই উদ্যোগটো লবৰ কাৰনে অনুৰোধ জনাইছো।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ**- মাননীয় অদ্যক্ষ মহোদয়, এটা অতি সুন্দৰ আৰু গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে আপোনাক ধন্যবাদ জনাইছো। আজি আমাৰ যিটো ৩ মিনিটৰ ভিডিঅ' ক্লিপিং অতি কম সময়ৰ হলেও ইয়াত যিখিনি message আমি পাইছো, এইটো হয়তো আমাৰ ৩ বছৰৰ অভিজ্ঞতাতকৈ ও বেছি এটা message পাইছো, এনেকুৱা লাগিছে, আৰু মাননীয় অধ্যক্ষ মহোদয়, আপুনি SDG ৰ ওপৰত যিটো আলোচনাৰ পৰা আৰম্ভ কৰি যিখিনি initiative আপুনি লৈছে,, কথাটো হৈছে, অধ্যক্ষ মহোদয়, আপোনাৰ সন্মুখত কব নালাগে, মই নিজেই হয়টো বিধান সভাৰ মেগাজিনত লিখিছো, আমাৰ অসমবিধান সভাক জনমুখী কৰাৰ কাৰনে জনসাধাৰন আৰু বিধান সভাৰ যিটো ব্যৱধান আছিল, সেই ব্যৱধানটো কমাই বিধান সভাক ৰাইজৰ মাজলৈ লৈ যোৱা আৰু ২য় চৰকাৰৰ ওপৰত বিধান সভাৰ নিয়ন্ত্ৰন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আপুনি যিখিনি উদ্যোগ লৈছে, সেই খিনি ৰাজ্যখনৰ কাৰনে এইটো অতি শুভ লক্ষণ। ছাত্ৰ-ছাত্ৰী সকলক বিধান সভাখনচোৱাৰ সুবিধা কৰি দিয়াৰ লগতে। গতিকে এই ক্ষেত্ৰত সেই কথাটো ইতিহাসে সাক্ষী দিব অনাগত দিনত। আৰু তাৰ লগতে SDG সংক্ৰান্তত আজি যিখিনি আলোচনা হব, আৰু বিষয়টো যি হেতু অতি গুৰুত্বপূৰ্ণ ৰাজ্যখনক এই ১৭ টা উন্নয়নী লক্ষ্যত উপনীত কৰাৰ ক্ষেত্ৰত মই ভাবো যে আমি এই ক্ষেত্ৰত আমাৰ প্ৰতিগৰাকী বক্তাই যাতে বিভিন্নজাতি জনগোষ্ঠীক বিশ্বাসত লৈ সকলোৱে মিলি জুলি কেনেকৈ অসমখনক আগুৱাই লৈ যাব পাৰো, এই ধৰণৰ বক্তব্য হলে ভাল। কালিও মই দেখিছো দুই এজনৰ মনত ৰাজনৈতিক কথা আহিছে, ইয়াত কোনো ৰাজনৈতিক

কথা নাথাকে।

**মাননীয় অধ্যক্ষ ঃ-** I am humble by your expression.

**শ্ৰী বৃন্দাৱন গোস্বামী, বিধায়ক ঃ-** অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জনাইছো। দীঘলীয়া সময় ধৰি গোটেই পৃথিৱী খনত যিটো মুল সমস্যাই সমগ্ৰ মানুহক শংকিত কৰিছে এই বিষয়টো আমাৰ বিধান সভাৰ মজিয়ালৈ লৈ আনিছো। আৰু মই নিজেও পৰিবেশ দপ্তৰৰ মন্ত্ৰী থাকোতে আমাৰ পাটকাই পাহাৰৰ গোটেই গছ বিলাক কাটি পেলালে। গোটেই অসমত সেই ফালৰ পৰা যিটো Open task mining হ'ল, যাৰ ফলত আগতে আমি বংগোপ সাগৰৰ পৰ মৌচুমী বতাহ আহে আৰু ইয়াত ঠেকা খাই পেলাই ধাৰাষাৰ বৰষুণ হয়। এই পৰিবেশ বিলাকৰ সলনি হল। climate the change that we don't want. হয় এই পৰিবৰ্তন আমি নিবিচাৰো। মোক বহুতে সোধে যে আপুনি ইমান বছৰ বিধায়ক হৈ থাকিলে, কি কাম কৰি ভাল পালে? মই ভাল এটাই পাইছো, মোৰ নিজৰ কাম কৰি যে মই চাৰিখন ক্ষুদ্ৰ অৰণ্য গঢ়িছো অসমত। আৰু নাম দিছো সোৰৰনী অৰণ্য সমাজ। আমাৰ বিধায়কে প্ৰত্যেকেই ১ কোটি টকা পাওঁ। গতিকে মই আপোনালোক সকলোকে এটা অনুৰোধ জনাইছো, প্ৰত্যেকেই বিধায়ক পুঁজিৰ ১ কোটি টকাৰ অন্ততঃ ১ লাখ টকাৰ গছ ৰুওঁ। আমি এটা বছৰত যদি ৫০০০ জোপা যদি মুল্যবান গছ ৰুব পাৰো, আমি ২৫০০০ গছ আমি ৰুব পাৰিম। গতিকে আজি মই আপোনাৰ যোগেদি বিধান সভাৰ সদস্য সকললৈ অনুৰোধ। এখন এখন সোঁৰৰণি অৰণ্য সমাজ কৰক। অসমত বহুত খালী ঠাই আছে। তাত সেই অঞ্চলৰ মানুহৰ যোগেদি গছপুলি ৰোৱাওক। কোনোবাৰ দেউতাক ঢুকাইছে তেওঁৰ সোৰৰণত গছ পুলি ৰোৱক। কাৰোবাৰ ল'ৰা-ছোৱালী জন্ম হৈছে, তেওঁলোকৰ নামত ৰোৱক। আৰু জন্ম দিনটোতে ল'ৰা-ছোৱালীক তাতে এগছি বন্তি জলাওক, কোনোবাই মম জ্বলাওক। দেউতাকৰ শ্ৰাদ্ধৰ দিনা শ্ৰাদ্ধৰ বিধি কৰক, কিন্তু গছজোপাৰ ওচৰতো যাতে চাকি দিয়ক। আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো। প্ৰত্যেকজন বিধায়ক অন্ততঃ কোনে বেছি পাৰে কৰক। অন্তঃ ১ লাখ টকা এখন সোৰৰণী অৰণ্য সমাজ কৰিবৰ কাৰণে অনুমোদন দিয়ে। আৰু ইয়াৰ যোগেদি আমি এই কাৰ্য্যকালতে আমি ১২৬ জনে ১২৬ টা সমষ্টিত এখন এখন সোৰৰণী অৰণ্য সমাজৰ যোগেদি we don't want the change যিটো climate change তাৰ বিৰুদ্ধে এইটো এটা আমাৰ সংগ্ৰাম আৰম্ভ হওঁক।

**মাননীয় অধ্যক্ষ ঃ-** Thank you. এইটো আচলতে, লোক সভাৰ Speaker য়ে প্ৰথমে তেখেতে SDG ৰ কথাটো আমাক মাটি নি কৈছিল সকলো Speaker ক। আৰু তেতিয়া আমি মুখ্য মন্ত্ৰী সকললৈ চিঠি এখন দিবলৈ কলো। কাৰন আমি সদনত আলোচনা কৰিবলৈ হলে, মুখ্যমন্ত্ৰীৰ Good will টো খুব প্ৰয়োজন। আৰু I am happy that chief Minister after received of that letter, immediately he agreed . Then I discuss with leader of the opposition. কাৰন আমি ইয়াত কিবা এটা কৰিবলৈ হলে সকলোৰে সহযোগ লাগিব। গতিকে সহযোগটো আমি সকলোৰে পৰা পাইছো। অকল ময়েই তাৰ কাৰনে credit ৰ যোগ্য নহওঁ। মুখ্যমন্ত্ৰীয়েও সেইখিনি কৰিছে, বিৰোধী দলৰ দলপতিয়েও কৰিছে, আমি সকলোৱে। আমাৰ কথাটো হৈছে আমি এচেম্বলিত হয়তো পাতিম। কোনোবা আকৌ আহিম কোনোবা নাহো। থকা দিন কেইটাত কিছুমান ভাল কাম কৰি গলে সমগ্ৰ জাতিটোৰ কাৰনে ভাল হব। ৰাজ্যখনৰ কাৰনেও ভাল হব। কালি অশোক সিংহালে, মই সেই কাৰনে কৈছো, আপোনালোকৰ Speech বিলাক বহুত কবলৈ মন যাব, কিন্তু যিমানেই to the point কব সিমানেই বাকী সকলেও অংশগ্ৰহণ কৰাত

সুবিধা পাব। please try to limit your speech.

**শ্ৰী অশোক সিংহাল, বিধায়কঃ**- Thank you Hon'ble Speaker Sir, যাৰা কালি সময়ৰ অভাবৰ কাৰনে কথাখিনি মই সম্পুৰ্ন কৰিব নোৱাৰিলো, আজি আকৌ আপুনি মোক কোৱাৰ সুযোগ দিলে, তাৰ কাৰণে ধন্যবাদ। যোৱা কালি মই বেদবাক্যৰে নিজৰ কথাটো আৰম্ভ কৰিছিলো, আৰু কওঁতে need and greed মানুহৰ প্ৰয়োজন আৰু মানুহৰ লোভ। ইয়াৰ কথা কওঁতে মোৰ সময় শেষ হৈছিল। অধ্যক্ষ মহোদয় ভগৱানে যেতিয়া সৃষ্টি কৰিলে, জীৱ-জন্তু মানৱ, সাগৰ, পাহাৰ গছ-গছনি। জীৱ-জন্তু যেতিয়া ৰচনা কৰিলে এটা Eco-System বনাই দিলে। আৰু তাৰ আটাইতকৈ ওপৰত মানৱক ৰাখিলে। বাকী কোনো জীৱ-জন্তুৱেই হওঁক ভগৱানৰ দ্বাৰা নিৰ্মিত যিকোনো ব্যৱস্থাই নিজৰ ব্যৱস্থাত চলে। তেওঁলোকে ব্যৱস্থাটো নিজৰ মতে সলনি কৰি নলয়, বা ব্যৱস্থাটো ভাঙি নিদিয়ে। আজি সূৰ্য্যই ৰাতি পুৱা উঠিব, উঠিবই। গধূলি নামিব লাগে, নামিবই। নদী এখন বৈ আছে বৈ থাকিবই। কিন্তু মানৱে নিজৰ যিটো দায়িত্ব ভগৱানে যিটো দায়িত্ব দিলে, প্ৰকৃতিয়ে যিটো দায়িত্ব দিলে, সদায় তাৰ পৰা ফালৰি কাটি বেলেগ এটা ব্যৱস্থা লববলৈ যেতিয়া আৰম্ভ কৰিলে মানুহৰ greed বিলাক যেতিয়া বাঢ়িবলৈ আৰম্ভ কৰিলে, আমাৰ ভূপেনদাই যেতিয়া কৈছিলে, "মানুহে যদি মানুহৰ বাবে নাভাবে ভাবিব কোনেনো কোৱা " এই কথাটো যদি আজি আমি সচাঁকৈ দেখিবলৈ যাওঁ এইটো সচা হবলৈ ধৰিছে। SDG ৰ যি কথা বিলাক কোৱা হৈছে, এই কথা বিলাক সচাকে আমাৰ সংস্কৃতিয়েই হওঁক culture য়েই কওঁক আমাৰ দৈনন্দিন উৎসৱেই কওঁক, পৰ্বই কওঁক তাত কিন্তু সংশ্লিষ্ট আছে। চাবলৈ যদি আমি যাওঁ আজি অসমত যিমান উৎসৱ পৰ্ব আমি পালন কৰো, তাৰ ভিতৰত আটাইতকৈ ডাঙৰ বিহু আছে। বিহুৰ যেতিয়া মই কথা কম, ৰঙালী বিহুত আমি গৰুক পূজা কৰো, কাতি বিহুত তুলসীপূজা কৰো আৰু মাঘ বিহুত আমি অগ্নিক পূজা কৰো, আমি গছক পূজা কৰো, খেতিক পূজা কৰো, কৃষকক আমি সন্মান কৰো। এই গোটেই কথাটো যিহেতু SDG ৰ ভিতৰত ৰখা হৈছে। মই ভাবো যে সমুহ কথা বিলাক অসমত আমি কিবা নহয় কিবা প্ৰকাৰে কৰি আহিছো। কিন্তু আচল কথাটো হ'ল, মানুহে নিজৰ দায়িত্ব আৰু অধিকাৰ। এই দায়িত্ব আৰু অধিকাৰৰ ক্ষেত্ৰত মই নিজৰ অধিকাৰৰ কথা ঠিকেই কওঁ কিন্তু দায়িত্বৰ কথা যেতিয়া মই কবলৈ পাহৰি যাওঁআৰু দায়িত্ব আৰু অধিকাৰৰ মাজত যিটো সামঞ্জস্য থাকিব লাগে। যিটো এটা ভাল Cooperation থাকিব লাগে, এইটো যেতিয়া নোহোৱা হয়। মই ভাবো তেতিয়া এটা disbalance হয়। এই disbalance যেতিয়াই হব climate change ৰ নিচিনা ঘটনা ঘটি থাকিব।

. মাননীয় অধ্যক্ষ মহোদয়, মহাত্মা গান্ধীয়ে কৈছিল, "One must care about the world one will not see." কোৱাৰ অৰ্থটো হ'ল আমি এই বিশ্বৰ চিন্তা কৰিব লাগিব যিখন বিশ্ব আমি আমাৰ জীৱন কালত দেখিবলৈ নাপাওঁ। অৰ্থাৎ আজিৰ পৰা ৫০ বছৰ পিছত, ৭০ বছৰ পিছত, ১০০ বছৰ পিছত যিখন বিশ্ব থাকিব - সেই বিশ্বখনৰ কথা আমি কল্পনা কৰিব লাগিব। আজি আমি যি ফলমূল খাই আছো সেই ফলমূলৰ গছ আমি লগোৱা নাই, আমাৰ পূৰ্বপুৰুষ ককাদেউতাসকলে লগাইছিল। তেখেতসকলে চিন্তা কৰা নাছিল যে আমি যি ফল-মূলৰ গছ লগাইছো সেই ফলমূল আমি ভৱিষ্যতে খাব পামনে নাপাম। তেখেত সকলে সেই কথাটো চিন্তা নকৰি বিশ্ব কল্যাণৰ বাবে কাম কৰিলে। তেখেতসকলে লগাই দিয়া গছপুলিৰ পৰা আজি যি ফলমূল হৈছে সেইবিলাক আমি খাই আছো। কিন্তু আমি পাহৰি গৈছো যে আম খোৱাৰ পিছত আমাৰ গুটিটো আমি লগাই নিদিলে বিশ বছৰ পিছত আম খাবলৈ নাপাব। আমি চিন্তাৰ পৰা আমি এইটো বাদ দিছো যে বিশ বছৰ

পিছত কি হ'ব। এই দায়িত্বৰ পৰা আমি ওলাই আহিছো। মই অনুভৱ কৰো এইটো ভাল কথা হোৱা নাই। চৰকাৰে বহু ধৰণৰ কল্পনা লৈছে - এই কল্পনা অসম চৰকাৰ নাইবা ভাৰত চৰকাৰৰ নহয়। যোৱা ২৫ ছেপ্টেম্বৰ ২০১৫ চনত New Yorkত গোটেই বিশ্বৰ সকলো ৰাষ্ট্ৰই বহি যি সিদ্ধান্ত ল'লে যে অকল আমাৰ কাৰণে নহয়, গোটেই বিশ্বৰ এশকোটি দৰিদ্ৰ মানুহৰ উন্নয়নৰ স্বাৰ্থত, অফ্ৰিকাত বসবাস কৰা দুখীয়া মানুহৰ স্বাৰ্থত, এছিয়াত বসবাস কৰা দুখীয়া মানুহৰ স্বাৰ্থত আমি এক গোট হ'ব লাগিব। কাৰণ আজি বিশ্বখন অকল অসমে সুকীয়াকৈ চিন্তা কৰিব, ভাৰতবৰ্ষই সুকীয়াকৈ চিন্তা কৰিব তেনেকুৱা পৰিৱেশ হৈ থকা নাই। বিশ্ব এখন Global Village হৈ গ'ল। বহুতে কবলৈ খোজে It is a round organisation. It is a flat surface where everybody has equal oppertunity. Everybody is connected to each other. আজি Malaysiaত production হৈছে সেই মাল ইয়াত বিক্ৰী হৈছে, ইয়াত assemble হৈ U.S.ত গৈছে, চাইনাৰ মাল ইয়াত আহিছে তাৰ অৰ্থটো হৈছে যে বিশ্বখন আমি বহু সৰু কৰি পেলাইছো আৰু সৰু বিশ্ব হৈ যোৱা বিশ্বত দেশ বা ৰাজ্য হিচাপে আমাৰ দায়িত্ব আছে। এই দায়িত্বৰ পৰা আমি যদি আঁতৰি যাওঁ তেতিয়া ভুল হ'ব। মই ক'ব খুজিছো বৰ্তমানৰ যিটো ব্যৱস্থা, এই যিটো কথা Global Warming কওক বা Sustainable Development Goal কওঁক ইয়াত এ.জি.পি., বিজেপি, কংগ্ৰেছ এই কথাবোৰ আনিলে লাভ নহ'ব। আমি যিটো চিন্তা কৰি আছো মহাত্মা গান্ধীয়ে কোৱাৰ দৰে - এনেকুৱা এখন বিশ্বৰ কথা যিখন আমি আমাৰ জীৱন কালত চাবলৈ নাপাম। তাৰকাৰণে ইয়াত ৰাজনীতি আনিব নালাগে - সমগ্ৰ বিশ্বৰ বাবে ভাৰতৰ কল্যাণৰ স্বাৰ্থত দুখীয়াৰ কাৰণে আমি কি কাম কৰিব পাৰো সেইখিনি আমি কৰিব লাগে। আজি ভাৰতবৰ্ষত বহুত মানুহে বহু কাম কৰি গৈছে প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে কৈছিল - জয় জোৱান, জয় কিষাণৰ শ্লোগান দিছিল। এই জয় জোৱান, জয় কিষাণৰ শ্লোগান দিয়াৰ পিছত ভাৰত বৰ্ষত যিটো খাদ্যৰ নাতনি আছিল সেইটো নোহোৱা কৰিব পাৰিছো। আজি ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে স্বচ্ছতাৰ কথা কৈছে, শিক্ষাৰ কথা কৈছে এই কথাবোৰ অকল কথাই নহয়, আজি ভাৰতৰ প্ৰধানমন্ত্ৰীৰ নেতৃত্বত বিশকোটি লোকৰ বেঙ্ক একাউন্ট খুলিদি Financial Inclusion যিটো কাম কৰা হৈছে সেইটো মই ভাবো Sustainable Development Goal এটা ভাল কাম হৈছে। আজি বহু ক্ষেত্ৰত দেখিবলৈ পাইছিলো যে সৰু সৰু কাম হোৱা নাছিল। অনাময় আঁচনিৰ জৰিয়তে লেট্ৰীন দিয়াৰ কথাই হওক, আজি বিশ্বৰ আটাইতকৈ ডাঙৰ খাদ্যসুৰক্ষা যি আঁচনি ভাৰত বৰ্ষত চালি আছে, এম.জি.এন.ৰেগা আঁচনি চলি আছে Direct Benefit Transfer ৰ যিটো কথা কোৱা হৈছে সেইটোত মই ভাবো Financial Inclusion ৰ দ্বাৰা হ'ব। ইয়াৰ কাৰণে আমি এটা ভাল সিদ্ধান্ত লৈছো। গান্ধীজীয়ে যি স্বৰাজৰ কথা কৈছিল, ৰাম ৰাজ্যৰ কথা কৈছিল অকল ব্যক্তি কল্যাণ নহয়, ব্যক্তিৰ লগত সমাজৰ কল্যাণ, সমাজৰ লগত ৰাজ্যৰ কল্যাণ, ৰাজ্যৰ লগত ৰাষ্ট্ৰৰ কল্যাণ আৰু ৰাষ্ট্ৰ কল্যাণৰ লগত বিশ্ব কল্যাণ বিশ্বৰ কল্যাণ কেনেকৈ হ'ব পাৰে সেইটো পণ্ডিত দীন দয়াল উপাধ্যায়ে একাত্ম মানৱ দৰ্শনৰ জৰিয়তে কৈছিল। সেই কথাবিলাক যদি আমি চাওঁ আৰু ভালদৰে যদি উপলব্ধি কৰো তেতিয়াহ'লে মই ভাবো যে আমি কাম বিলাক ভালকৈ কৰিব পাৰিম। আজি Global Warming কথা আপুনি সদনত দেখুৱালে। এই সময়ত আমি গুৰুজনাৰ কথা মনত পেলাব লাগিব, তেখেকে কি আদৰ্শ দি গৈছে। আজি এছ.ডি.জিত কি কোৱা হৈছে? সমঅধিকাৰ, অৰ্থনৈতিক উন্নয়ন, স্বাক্ষৰতা, আৰ্থিক অন্তৰ্ভূক্তি, পৰিৱেশ পৰিৱৰ্তন আদিৰ কথা কোৱা হৈছে। যেতিয়া আমাৰিকাৰ মানুহে কাপোৰ পিন্ধিব জনা

নাছিল তেতিয়া মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমত ‘বৃন্দাবনীবস্ত্ৰ’ তৈয়াৰ কৰি দেখুৱাইছিল। আমি এক সময়ত উন্নত আছিলো- অধ্যক্ষ মহোদয়। মই ভাবো গুৰুজনাই দিয়া পথ যদি আমি অনুসৰণ কৰো, এটা ভাল পৰম্পৰা আনিব পাৰিম। এই পৰম্পৰাৰ দ্বাৰা কামসমূহ কৰিব লাগিব। আমি যদি zero hunger ৰ ফালে যাব লাগে, কোনো মানুহৰ খাদ্যৰ অভাৱত মৃত্যু হ’ব নালাগে, সকলোৰেই ভাল স্বাস্থ্য পাব লাগে, ভাল শিক্ষা পাব লাগে, নিৰ্মল পানী পাব লাগে, উদ্যোগীকৰণ আৰু আন্তগাথনি উন্নয়ন হ’ব লাগে এই কথাবিলাকৰৈ ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰখনে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ সম্পূৰ্ণ সম্ভাৱনা থকাৰ পিছতো অসম ভাৰতৰ ভিতৰৰ পিছপৰা ৰাজ্যৰশাৰীত আছে কাৰণ মানুহে সপোন দেখা নাছিল, আশা কৰা নাছিল, চিন্তা কৰা নাছিল। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো কাৰণ বৰ্তমানৰ চৰকাৰখনে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰিছে। তাৰভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্য্যসূচীটো হ’ল 'Advantage Assam'। কোনোবাই কৈছে - বহুত কোটি টকা খৰছ কৰা হ’ল। মাননীয় অধ্যক্ষ মহোদয় খৰছ হ’ব পাৰে কিন্তু এই কাৰ্য্যসূচীৰ জৰিয়তে ৰাইজে এটা আশাৰ ৰেঙণি দেখিছে - সপোন দেখিছে যে আমি নিজৰ ভৰিত ঠিয় হ’ব পাৰিম। উদ্যোগ স্থাপন হ’ব, আমাৰ ল’ৰা-ছোৱালীয়ে কৰ্মসংস্থাপন পাব। এই Advantage Assam ৰ যোগেদি সমগ্ৰ ভাৰতবৰ্ষক এটা বাৰ্তা দিব খুজিছো যে অসম এতিয়া আগবাঢ়িবলৈ চেষ্টা কৰি আছে। হয়টো আমি দহ খোজ যাব খুজিছো- আমি দহ খোজ যাব নোৱাৰিব পাৰো কিন্তু দুই খোজটো যাব পাৰিম। এই কথাটোক লৈ যদি নেতিবাচক কথা কোৱা হয়, প্ৰচাৰ চলায়, ৰাজনীতি কৰে তেতিয়া আমাৰ কোনো ক্ষতি নহয়, ক্ষতি হ’ব আমাৰ নতুন প্ৰজন্মৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ - তেওঁলোকৰ ভৱিষ্যতক কুঠাৰাঘাট কৰা হ’ব। গতিকে নেতিবাচক প্ৰচাৰ নকৰিলে ভাল হ’ব বুলি মই অনুভৱ কৰো। মাননীয় অধ্যক্ষ মহোদয় অসমত আগতে ইমান ডাঙৰ ডাঙৰ উদ্যোগপতি, বিনিয়োগকাৰী অহা নাছিলে কিন্তু Advantage Assamত ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় বিনিয়োগকাৰী অসমলৈ আহিছে। তেখেত সকলে উপলব্ধি কৰিছে যে অসম চৰকাৰে আমাক ৰঙা দলিচা পাৰি দিছে। সকলোৰেই অসমত বিনিয়োগ কৰিব বুলি কৈছে আৰু এক লাখ কোটি টকা এম.অ’.ইউ স্বাক্ষৰিত হৈছে। একলাখ কোটি নহ’লেও তাৰে বিশ শতাংশ হ’লেও বহুত - এইটো আমাৰ বাবে বহু ডাঙৰ উপলব্ধি। নিবনুৱাই চাকৰি পাব। মোৰ সমষ্টি দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মই আলাপ কৰিছিলে - তেওঁলোকে চৰকাৰৰ বিশেষ আঁচনিৰ কথা নাজানে কিন্তু তেখেতসকলৰ চকুত যিটো পোহৰ মই দেখিলো সেইটোৰ পৰা মই ক’ব পাৰো যে অসম এতিয়া আগুৱাই আছে - উন্নতিৰ দিশত। মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান চৰকাৰৰ প্ৰতিটো কামত ৰাইজে আশা দেখিছে, এটা বিশ্বাস নতুনকৈ জাগ্ৰত হৈছে - যিটো আশা আগতে মানুহে দেখিবলৈ পোৱা নাছিল, সেইটো বৰ্তমান দেখিবলৈ পাইছে। যেতিয়া ভাৰতৰ স্বাধীনতা আন্দোলন চলি আছিল লোকমান্য গঙ্গাধৰ তিলকে কৈছিল, “Freedom is my birth right”। তেখেতে যেতিয়া এই কথা কৈছিল - মানুহে আশা দেখিছিল, কথাত বিশ্বাস কৰিছিল আৰু কথাটো বিশ্বাসত লৈ আগবাঢ়ি গৈ আমি স্বাধীনতা লভা কৰিবলৈ সক্ষম হৈছিলো। মাননীয় অধ্যক্ষ মহোদয়, কিবা এটা ডাঙৰ কাম কৰিবলৈ হ’লে প্ৰথমে আমি সপোন দেখিবই লাগিব আৰু সপোন দেখাৰ পিছত আশা এটা আহিব লাগিব তাৰ পিছত যদি আমি কাম কৰো তেতিয়া হ’লে আমি আমাৰ সপোনবোৰ বাস্তৱত ৰূপায়ণ কৰিব পাৰিম।

এইটো বিশ্বাস কৰি মানুহ আগবাঢ়ি যোৱা কাৰণে এটা সময়ত আমি স্বাধীনতা লাভ কৰিবলৈ সক্ষম হলো। গতিকে কিবা এটা ডাঙৰ কাম কৰিবলৈ হ’লে প্ৰথমতে আমি সপোনটো দেখি ল’ব

লাগিব। সপোন দেখাৰ পিছত আশা এটা আহিব লাগে। তাৰ পিছত যদি আমি কাম কৰো তেতিয়া মই ভাৱো যে বাস্তৱত আমি কথাবোৰ ৰূপায়ণ কৰিব পাৰিম আৰু চৰকাৰে এই ক্ষেত্ৰত ভাল কাম কৰি আছো। সেইকাৰণে আমি চৰকাৰক ধন্যবাদ দিব খুজিছো। অধ্যক্ষ মহোদয়, আমি We are not in harmony with mother nature. We have to be in harmony with mother nature. This Development is most threanted by the bad Government. চৰকাৰ যদি ভালকৈ নচলে, তেতিয়া Development ত আটাইতকৈ বেছি ক্ষতি হয়। We have to be overcome by this bad Government. We need participation from everybody, We need participation from the officers. We need participation from all the classes of the officials, We need perticipationfrom the mass of people. এই যে এটা প্ৰৱণতা ইয়াত গা কৰি উঠিছে। অধ্যক্ষ মহোদয়, প্ৰত্যেকটো দায়িত্ব যদি আমি চৰকাৰৰ ওপৰত এৰি দিওআৰু যিকোনো কাম যে চৰকাৰেই কৰিব লাগিব। এক কোটি টকাৰ পানী যোগান আঁচনি চৰকাৰে বনাই দিলে, তাত যদি কিবা বিকল হয়, দুহেজাৰ টকাৰ মেৰামতিও যদি ৰাইজে কৰিব নোখোজে, চৰকাৰে এই কামটো কৰি দিব। কিন্তু সেই কাম চৰকাৰী প্ৰক্ৰিয়াৰে হ'ব। তাৰ পিছত ছমাহ এক বছৰ নষ্ট হ'ব। দুহেজাৰ টকা খৰচ কৰিলে যিটো কাম হ'লহেঁতেন, এবছৰত তাত কিছুমানে কিবা চুৰি কৰিলে, কোনোবাই কিবা কৰিলে, এতিয়া তাত দহলাখ টকা দিলে কামটো হ'ব। মই ভাৱিছো ৰাইজক লগত লৈহে আমি ভাল ব্যৱস্থা লৈ আগবাঢ়ি যাব পাৰিম। মই জানো অধ্যক্ষ মহোদয়, সময়ৰ নাটনি আছে। তথাপিও আপুনি মোক এইখিনি সময় ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ দিলো। মই বিশেষভাৱে এটা কথা ক'ব খুজিছো যে morning shows the Day. মানে ৰাতিপুৱা যেতিয়া হয়, আমি পোহৰ দেখো। আমি এই বিধান সভাৰ পোহৰ দেখিবলৈ পাইছো। আপুনি যিখন আসনত বহি যি কাম কৰি আছে, শাসক-বিৰোধী দুইফালৰে মানুহক ল'ব খুজিছে। চৰকাৰী বা শাসক পক্ষৰ কথা নহয়। আজি আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়েও climate change ৰ ওপৰতেই হওক, Sustainable Development Goal ৰ ক্ষেত্ৰতেই হওঁক, প্ৰদূষণ মুক্তই হওক, যি আঁচনি লৈছে, প্ৰত্যেকটো আঁচনিয়েই আমাক Sustainable Growth ৰ ফালে আগবাঢ়ি আছে। মই সেইকাৰণে সকলোকে ধন্যবাদ দিব খুজিছো আৰু আহক আমি সকলোৱে লগলাগি এটা ভাল বিশ্ব নিৰ্মাণত আমাৰ যিটো ভূমিকা তাত আমি অংশ গ্ৰহণ কৰো ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ১০/১২ জন সদস্যই ক'বলৈ আছে। সেইকাৰণে যিমান পাৰে চমুকৈ ক'লে মই সকলোকে ক'বলৈ সময় দিব পাৰিম। এতিয়া প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কওঁক। আপুনি দীঘলীয়াকৈ ভালকৈ কয়। কিন্তু আজি আপুনি ভুৰুকাত হাতী ভৰাব লাগিব। চমুকৈ ক'ব, কাৰণ সময়ৰ কথা আছে।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৫ চেপ্তেম্বৰ, ২০১৫ UN General Assembly ৰ পৰা যিটো মেচেজ গোটেই পৃথিৱীক দিয়া হ'ল, সেই মেচেজটোৱে গোটেই পৃথিৱীখনক আগুৱাই লৈ যোৱাত সহায় কৰিব। এই গোটেই কথাখিনি ২০১৫ চনৰ ১৫ চেপ্তেম্বৰত UN General Assembly ত ১৯৩ খন দেশৰ সদস্য তাত উপস্থিত হৈ তেখেতসকলে আলোচনাৰ মাজেৰে যি Sustainable Development Goal, 2030, লক্ষ্য বান্ধি যি সিদ্ধান্ত ল'লে সেই সিদ্ধান্তটো হয়তো আমি খুব ভালধৰণে আমি নাপালোহঁতেন, এনেয়ে কাগজে-পত্ৰে আমি কিছু কথা জানিলোহেঁতেন। এই সুবিধাটো অধ্যক্ষ মহোদয়, মই যে আচলতে আপোনাৰ

Speakers Initiative ত ২৬ আৰু ২৭ ফ্ৰেব্ৰুৱাৰী ২০১৮ ৰ যিখন আলোচনা হ'ল, য'ত all stakeholders আৰু Experts আৰু আমাৰ মাননীয় বিধায়ক সকলক লৈ যি আলোচনা কৰাৰ ব্যৱস্থা আপুনি কৰিলে। আগতে Sustainable Development Goal নো কি, সেই বিষয়ে আমি আগতে বিস্তৃতভাৱে জনা নাছিলো। অধ্যক্ষ মহোদয় এই বিষয়ত এটা clear concept আমাৰ হাতত নাছিল। Sustainable Development Goal ৰ ওপৰত মুখা-মুখিকৈ আলোচনা কৰা অসম ৰাজ্যখন ভাৰতবৰ্ষৰ ভিতৰতে প্ৰথম ৰাজ্য হ'ব আৰু এটা কথা আমাৰ ৰাজ্যখন প্ৰথম হ'ব সেইটো হৈছে, আমাৰ ৰাজ্যিক পৰিকল্পনা সন্নিবিষ্ট কৰি আগবাঢ়ি যাব খুজো। ৰাজ্যৰ ভিতৰত প্ৰথম হ'ব। এই দুটা পইণ্টৰ প্ৰথমটো হৈছে, যে আমাৰ পৰিকল্পনাত সন্নিবিষ্ট কৰি আমাৰ ৰাজ্যখন আগবাঢ়ি যাব খুজিছে আৰু দ্বিতীয়টো হৈছে, আপোনাৰ Speakers Initiative ত মুখা-মুখিকৈ আলোচনা কৰিবলৈ আমাৰ বিধায়ক সকল, অনুষ্ঠান-প্ৰতিষ্ঠান সকলোবিলাক লৈছে আৰু একেধৰণে UN General Assembly তো আলোচনা হৈছিল। এটা সৰু পৰিসৰত এই আলোচনাটো কৰা গোটেই ভাৰতবৰ্ষৰ ভিতৰত এইখন প্ৰথম ৰাজ্য হৈছে। সেই কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, আৰু এটা মই আপোনাৰ পৰা বা এই সদনৰ পৰা বিচাৰিম যে এই আলোচনাটো আৰু Micro Level লৈ যোৱাৰ সুবিধা আছে, যদি আমাৰ চৰকাৰে বিচাৰে বা আপোনাৰ এই Initiative টো আৰু কিছু Micro Level লৈ যোৱা হয়। আজি বিধান সভা হৈছে, কিন্তু Micro Level লৈ আমি গাওঁ বা আঞ্চলিক সভা বা আমাৰ জিলাৰ যি সভাবোৰলৈ যাব। আজি আমাৰ বিধায়ক সকলে কিছু জানিছো আৰু জনাৰ পিছত আমি কিছু লৈ যাম। কিন্তু এই পৰিৱেশটো যদি আমি Micro Level লৈ লৈ যাব পাৰো, তেতিয়াহ'লে মই ভাৱো সামগ্ৰীকভাৱে ৰাজ্যখনৰ জনসাধাৰণে এইবোৰ কথা বুজাত সহায় হ'ব। আমি ২০১৭চনৰ Sustainable Development Goal ৰ ওপৰত আমি আলোচনা কৰিলো বা আলোচনা কৰি আছো। সাধাৰণতে আমাৰ মাজে মাজে এই বিষয় বোৰৰ ওপৰত আলোচনা কৰা হয়। কিন্তু ইমান Systematic, ইমান বিজ্ঞান সন্মতভাৱে, ইমান সুন্দৰভাৱে কোনেও চোৱা নাছিল। In a Globale prospective or in a Wider prospective চোৱা হোৱ নাছিল। গতিকে এইটো এনেকুৱা ধৰণে UN Assembly ত এইখিনি আলোচনা হৈ গ'ল আৰু যেতিয়া আপোনালোকে এইখিনি লৈ আহি ইয়াত এটা পৰিৱেশ দিলে তাৰ কাৰণে সুবিধা হৈছে , অধ্যক্ষ মহোদয়। ১৭টা Goal ৰ কথা আমি আলোচনা কৰিছিলো। এই Goal কেইটাৰ প্ৰথমটো হৈছে - i) To end poverty in all forms to everywhere ii) To end hunger and food security improve nutrition and promote sustainable Agriculture আমাৰ ইয়াৰ পিছৰ যিটো 'গ'ল' আছে, সেইটো হৈছে - iii) To Ensure Healthy Lives for all, iv) To provide Education to all v) To maintain Gender Equality, vi) To provide Water and Sanitation, vii) To provide Energy viii) Economic Growth and Employment and works for all, ix) Infrastructure and Industrialization and foster innovation, x) To Reduce in-equality across the country, xi) Make cities and human settlements, safe and sustainable, xii) Consumption and producation, xiii) Climatic change and its impact, xiv) Ocean, Seas and marine re-

sources Conserve, xv) Eco-systems,Forest, Desertification and Land de-gradation and halt bio-diversity, xvi) Peaceful Societies, সকলোতকৈ ডাঙৰ কথাটো হৈছে অধ্যক্ষ মহোদয়, xvi) Strengthening Global partnership for SDGSআমি প্ৰত্যেকটো কথাই সৰুৰ পৰাই ব্যক্তিগতভাৱে চোৱাৰ অভ্যাস এটা আছে, যিহেতু আমি সৰুৰ পৰাই এখন ঘৰত ডাঙৰ হৈছো। ইয়াত যিটো আলোচনা হৈছে যেStrengthening of Global Partnership. এতিয়া তাৰমানে কাম কৰাৰ এটা বৃহৎ সুবিধা ওলাইছে।এই কামবিলাক আমি অকলে কৰাটো সম্ভৱ নহয়। এই ক্ষেত্ৰত কোনো Competitionৰ নকৰাকৈ কোনে United Nation ৰ General Assembly টো discussion হওঁতেও কাৰোবাৰ মুখত ওলাইছে যে - This discussion is not for competition with other countries. এই Global Partnership টো হ'ল আমি সকলো দেশে সমানে উত্তৰণৰ দিশত আগবাঢ়ি যোৱাৰ এটা জখলা। আমাৰ সকলোৰে বাবে এইটো এটা ডাঙৰ সুবিধা আহিছে। আমাৰ ৰাজ্যচৰকাৰেও কেন্দ্ৰীয় চৰকাৰৰ সহযোগীতাত যি Look East Policy আদিৰ মাধ্যমেৰে বিভিন্ন দেশৰ লগত আলোচনা কৰা হ'ল আৰু ইয়াৰ পিছত South-East Asian Countries ৰ লগত এটা সু-সম্পৰ্ক স্থাপন হ'ল। বৰ্তমানৰ চৰকাৰে ২০১৬ চনৰ জানুৱাৰী মাহৰ পৰাই Sustainable Development Goal ৰ লক্ষ্য আগত ৰাখিয়েই কিছুমান কাম হাতত লোৱা যেন অনুমান হৈছে। যদি এই কামবোৰ এতিয়াৰ পৰাই আৰম্ভ কৰে তেতিয়াহ'লে বৰ্তমানৰ চৰকাৰখনে ২০৩০ চনত যি Sustainable Development Goal ৰ লক্ষ্যত উপনীত হোৱাৰ লক্ষ্য আগত ৰাখিছে, সেইটো আমি সহজে achieve কৰিব পাৰিম যেন বোধ হয়। এইটো achieve কৰিবলৈ হ'লে আমি আমাৰ Economic Growth 7% হ'ব লাগিব। এই 7% ত উপনীত হোৱাৰ লক্ষ্য আগত ৰাখি যদি আমি কাম কৰো তেতিয়া আমি নিশ্চয় আমাৰ লক্ষ্যত উপনীত হ'ব পাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত মাাাত্ৰ এটা Goal ৰ ওপৰত মোৰ বক্তব্য ডাঙিধৰিব বিচাৰিছো। সেইটো হৈছে Economic Growth and Employment। আমাৰ এই Economic Growth ৰ প্ৰধান ক্ষেত্ৰটো হ'ল কৃষি খণ্ড। বিশেষকৈ আমাৰ অসমখন হ'ল Agriculture based Society, সেয়েহে আমাৰ Man Power বা Work Force টো কৃষিখণ্ডতে আৱদ্ধ হৈ আছে। গতিকে আমি এই কৃষি খণ্ডটোৰ উত্তৰণ ঘটাব পাৰিলেই আমাৰ বহুটো সমস্যাৰ সমাধান হৈ যাব। ইয়াৰ লগে লগে আমাৰ দুৰ্ভিক্ষ বা Poverty আদিত ভুগি থকা লোক সকলেও ইয়াৰ পৰা পৰিত্ৰান পাব। কিয়নো. Economic Growth and Poverty are co-related with each other, because 1% Economic Growth means 1% Poverty reduce and 2% Economic Growth will reduce 2% Poverty. Thus, Economic Growth will reduce Poverty gradually day by day সেই কাৰণে যদিও এইটো Goal No. 8 ৰ অন্তৰ্গত, তথাপিও ইয়াৰ Goal No. 1 ৰ লগত সম্পৰ্ক আছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াৰ অৰ্থাৎ অসমৰ Total Geographical Areas হ'ল 78,438 Sq. Km. ইয়াৰে মাত্ৰ One Third Areas come under Cultivated Areas and 60% of our total population still depand upon Agriculture Sector. কিন্তু আমাৰ খেতি কৰাৰ পদ্ধতিটো এতিয়াও পুৰণি মাধ্যমতে চলি আছে। Agriculture Sector টো এতিয়াও fully modernized হোৱা নাই। অসমৰ

যিবোৰ অঞ্চলত কৃষিকৰ্ম বেছিকৈ কৰা হয় সেই অঞ্চল সমূহক উন্নয়ণৰ ক্ষেত্ৰত প্ৰাধান্য দিব লাগে। Priority Area List ত Agricultural Areas, Sericulture Areas বিলাকক যদি সোমোৱাই লও, (যিহেতু এই দুটাটেই Maximum 50% আৰু 60% Work Force আছে তেতিয়াহ'লে এই Work Force ৰ Upliftment ৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিন্তু অধ্যক্ষ মহোদয়, আমাৰ যিটো Traditional Way of Cultivation আছে সেইটো Change কৰিব যাওতে আমি বহুতো বস্তু সলনি কৰিবলগীয়া হ'ব। আমাৰ কৃষি কৰ্মত ব্যৱহাৰ কৰা নাঙলৰ লগত আমাৰ Traditional, Cultural, Social and Economic Side জড়িত হৈ আছে। যেনেদৰে বলোভদ্ৰৰ নাঙলৰ আগত ভাৰতীয় সভ্যতাৰ বিকাশ ঘটিছিল, ঠিক তেনেদৰে অসমৰ নাঙলৰ আগত অসমীয়া ঐতিহ্যৰ বিকাশ ঘটিছে। গতিকে অধ্যক্ষ মহোদয়, আমাৰ কৃষি খণ্ডৰ উন্নয়ণ কৰিবলৈ যাওতে আমাৰ অসমীয়া কৃষ্টি-সংস্কৃতিৰ যাতে অপঘাট নহয়, তাৰ বাবে অতি সতৰ্কতাৰে কৃষি খণ্ডটো Modernije কৰিব লাগিব। কাৰণ আমাৰ অসমীয়া লোক সকলে পুৰণি কৃষিকৰ্মৰ পদ্ধতিটোত পটুতা অৰ্জন কৰিছে।They are skilled people. Although these people are not Institutionally skilled, yet they are Traditionally very skilled and expart. এটা কথা অৱশ্যে কব লাগিব যে আমি কৃষিকৰ্ম পদ্ধতিত বৈজ্ঞানিক পদ্ধতি অৱলম্বন নকৰাৰ বাবে বহুতো আহুকালৰ সন্মুখীন হবলগীয়া হৈছে। আমি যদি এই Work Force টোক Scientific Way ত নিব খোজো তেতিয়াহ'লে এই Force টোক Gear-up কৰিব লাগিব। তেতিয়াহে আমি প্ৰকৃতাৰ্থত Skill Development টো Sustain কৰিব পাৰিম।

অধ্যক্ষ মহোদয় ইয়াত আমাৰ গোটেই, Tradition , Culture আমাৰ Social Side আমাৰ অৰ্থনীতি সকলোখিনি ইয়াত জড়িত আছে অধ্যক্ষ মহোদয়। সেই কাৰণে traditional way টো আমি যেতিয়া change কৰিম, আমি up grade কৰিম, ইয়াক যেতিয়া উত্তৰণ ঘটোৱা হ'ব, তেতিয়া গোটেই বস্তুটোৰ চাৰিও চাইড চাব লাগিব অধ্যক্ষ মহোদয়। side by side চাব লাগিব। এতিয়া এই যিখিনি work force সেইখিনি skilled work force । তেওলোকে জানে নাঙল কেনেকৈ বনাব লাগে, ফাল কেনেকৈ লগাব লাগে , ঢিলামাৰি কেনেকৈ লগাব লাগে। ইয়াত যুঁৱলি কেনেকৈ লগাব লাগে , ইয়াত এছাৰি কেনেকুৱা ধৰণে আনিব লাগে। These are all skilled people and traditioally skilled not institutional skilled এতিয়া এই টো যদি উত্তৰণ ঘটাবলগীয়া হয় আৰু এনেকুৱাকৈ area বাছি লৈ পেলাই বিজ্ঞানসন্মতভাৱে কাম নকৰা বাবে অসমৰ কিন্তু আজি আমি বহুত বিপদৰ সন্মুখীন হ'বলগীয়া হৈছে। institutional skilled যদি কৰিব পৰা যায় আমি যদি সেইটো লাইনত যাও এটা sustain এতিয়া কৰিম। এতিয়া অধ্যক্ষ মহোদয় আমি এই কথাটো চাব লাগে । মই এই পইন্টটো এই কাৰণে উলিয়াইছো যে এতিয়া নাঙলটোৰ লগত গৰুৰ কথাটো আছে। গৰুৰ লগত হাল ধৰা মানুহখিনিৰ কথা আছে অধ্যক্ষ মহোদয়। এই হালখন লৈ ৰাতিপুৱা ৪ টা বজাত মানুহ পথাৰলৈ যায়। সেই খেতি কৰা মানুহৰ স্বাস্থ্য পাতি বহু ধুনীয়া। তেওঁলোকৰ ষ্টেমিনা বহুত ভাল। আমাৰ চহৰত থকা মানুহক যদি ধৰে উঠিব নোৱাৰিব ইমান শক্তি থকা মানুহ। তেওঁলোকে কাম কৰি থকা মানুহ। এই খেতি কৰা মানুহখিনি তেওঁলোকে ৰাতিপুৱা ৪ বজাতে খেতি পথাৰলৈ যায়। দুপৰীয়াৰ ভাত সাজ চাহ জলপান ঘৰৰ মানুহজনীয়ে যে তেখেতক পথাৰতে যোগান ধৰে , তেওঁলোকে দুয়োজনে যে এখন ঘৰ পৰিচালনা কৰিছে, তেওঁলোকে ঘৰৰ যে, economy

developed  কৰিছে এই গোটেই কথাটো কিন্তু অধ্যক্ষ মহোদয়,    চোৱাটো প্ৰয়োজন আছে। just  it is not that only cultivation। ইয়াত  আমাৰ কালচাৰটো কেনেকৈ ইয়াত জড়িত হৈআছে চাওক অধ্যক্ষ মহোদয়। আমাৰ পথাৰত  মহ চ'ৰাবলৈ যাওতে, মহ গোৱালটোৰ মুখত সন্ধিয়া সময়ত আপুনি বিহু গীত শুনিবলৈ পাব ।  মহৰ পিঠিত উঠি পেলাই কেতিয়াবা বিহু গীত পথাৰত গাই থকা শুনা পাব। গতিকে কালচাৰটো ইয়াত জড়িত হৈ আছে।  আমাৰ ৰোৱনী-দাৱনী তাৰ পিচত বহাগ বিহু যেতিয়া আহিব  আমাৰ গৰুক গা ধুৱাই  নাঙল ছাফা কৰি পেলাই এই  যিবিলাক কাম কৰে এই' গোটেইখিনি আমাৰ কালচাৰ। আকৌ এক হাজাৰ এটা শাক গোটাই পেলাই খোৱা। এই গোটেই কথাবিলাক আমাৰ কালচাৰৰ লগত জড়িত হৈ আছে।  এতিয়া আমাৰ টাৰগেটটো হ'ল আমি  এৰিয়া কেইটা বাছি পেলাই যিকেইটা  প্ৰায়োৰিটি দিছে আমি কাম কৰিব লাগিব। কিন্তু লগতে culture and tourism  আমি ভাল কৰিব লাগিব বুলি  তাত লিখা আছে , মই পাইছো।   কিন্তু অধ্যক্ষ মহোদয় , আমাৰ এই কালচাৰটো এতিয়া নষ্ট হৈ যাব। এতিয়া tractor- machine  লৈ দিনৰ ১২ বজাত বা নিশা হাল বাবলৈ যায়। আমাৰ গৰুৰে কিন্তু ৰাতি হাল নাবায়। এই  হালবোৱা গৰাকীক ঘৰৰ মানুহে চাহ দিবলৈ  নাযায়। এতিয়া  গোটেই বস্তুটো এতিয়া সাংঘাতিক ধৰনৰ চেঞ্জ  হৈছে  ।আমাৰ পথাৰখন  আগৰ নিচিনা হৈ থকা নাই। আমি  হাল বাওতে সমস্যা নহয়। কিন্তু ট্ৰেক্টৰ দিওঁতে  আপোনাৰ গোটেই ৰাস্তা হয়তো   বনাই দিব লাগিব নহয়  ।  আন  মানুহৰ  পথাৰ ভাঙি গুছি যাব , পিছত আন ১০ জন মানুহৰ মাজত তাকে লৈ কাজিয়া পেছাল হ'ব। এতিয়া সেই কাৰণে গোটেই  বস্তুটো যিটো আমাৰ economic  যিটো growth অধ্যক্ষ মহোদয় আমি চাব লাগে যে, ২০০৯-১০ আমাৰ growth   average এভাৰেজতকৈ বেছি আছিল ।আকৌ ২০০৪ আৰু ২০১৪ চনত আমাৰ national average কৈ বেছি আছিল। এতিয়া national averageৰ গোটেই গ্ৰোথটো আমাৰ তেতিয়া  declare. কৰিছিল তেতিয়া ।তাৰ পিছত  আমাৰ এই total growth টো যদি চাওঁ তেতিয়া growth in service sector, growth in inindustry  , Growth in Agriculture এই গোটেই কেইটাই contribute কৰিছে আমাৰ  total growth টো বঢ়াত। ইণ্ডিয়াতকৈ বেছি হোৱাৰ পিচতো অধ্যক্ষ মহোদয় আমাৰ growth টো আজি যিটো অৱস্থা  আজি কিন্তু আমাৰ 40 per cent  কিন্তু  below the national average। আমি  যদি এই গেপটো  কমাবলৈ হয় ১৫-২০ বছৰত তেতিয়া হ'লে  আমি target টো ৰাখি পেলাই কাম কৰিলে এই  growth টো আমি ৰাখিব  পৰা নাই।  ৭ শতাংশ যিটো আমি ভাবি আছো। সেই growth টো হয়তো আহিব পাৰে নহ'লে ।   অধ্যক্ষ মহোদয় আৰু কেইটামান কথা মই ক'ব  বিচাৰিছো । আমাৰ ইয়াত ৫০০ million মানুহ all india basis  ত যদি work force টো যদি চাওঁ তেন্তে  ২.৩ per cent skilled মানুহ আছে ˆইণ্ডিয়াত আৰু ৫ per cent  হে আমাৰ capable skilled মানুহ আছে। আমিতো মানুহখিনিক skilled  কৰিব লাগিব। আপুনি যদি চাই দেখিব যে ২০০ million  ছাত্ৰ- ছাত্ৰী  ক্লাছ ওৱানত  পঢ়িবলৈ আমি শ্ৰেনী কোঠাত পঠিয়াওঁ আৰু তাৰে  ২০ million  টুৱেলভ ক্লাছ পাছ কৰে। বাকীখিনি dropped  out student  হৈ যায়। এই dropped out students হোৱা মানুহখিনিক যদি আমি skilled কৰিব পাৰো তেতিয়াহ'লে আমি হয়তো work force টো পাব পাৰো। আৰু এটা কথা অধ্যক্ষ মহোদয়, আমাৰ Engineering College  , polytechnic  বিলাকত আগৰ পুৰণা মেচিন যন্ত্ৰ পাতিখিনিয়ে আছে

. ।এইবোৰে মানুহখিনিক স্কীলড্ কৰিব নোৱাৰে অধ্যক্ষ মহোদয়। দেশৰ মুঠ ইঞ্জিনিয়াৰিঙৰ স্নাতকৰ মাত্ৰ ২০ শতাংশ ইঞ্জিনিয়াৰহে capable। গতিকে অধ্যক্ষ মহোদয় কেইখনমান Institution খুলি পেলাই কেইজনমানক Certificate দি পেলাই ভাবি লয় যে আমি স্কীলড মানুহ সৃষ্টি কৰিছো এইটো শুদ্ধ নহয় । গতিকে আমাৰ চৰকাৰৰ motive হ'ব লাগিব community centre খুলি Technical Shool খুলি মানুহখিনিক proper skilled কৰিব লাগিব। তেতিয়াহে হয়তো total work force টো পাব পৰা যাব। আমাৰ ৱৰ্ক ফোৰ্চটো কেৱল ৫ পাৰ্চেন্ট আছে অন্য উন্নত দেশত কিন্তু ৫৫-৫৬ শতাংশ আছে অধ্যক্ষ মহোদয়। only ২.৩ per cent total work force in India under going Formal skilled Training । 68 per cent inU.K, 75 percent in Germany ৫৯ per cent in USA , 80 percent in Japan , 96 per cent in South Korea। about ৫ per cent work force has marketable skilled in India . only 5 per cent ২০ per cent Engineers employble for job . U N General Assembly তো স্কীলড্ কৰিব লাগিব বুলি কৈছে। আমাৰ MBA পাছ কৰা Student মাত্ৰ ২৩ per cent student হে employable ।আমাৰ বহুত কৰিবলগীয়া আছে কিন্তু আপুনি Sustainsble Devlopment Goals যিটো বিষয় আপুনি আনিলে গোটেই কথাবিলাক আমি জানিবলৈ সুবিধা পালো যদিও গোটেই খিনি আপোনাক details ত ক'ব পৰা নাই কিন্তু এই গোটেই process টো micro level লৈ আগবঢ়াই লৈ যোৱাৰ বাবে আপোনাৰ ফালৰ পৰা উদ্যোগটো ৰাখিব এই কথাখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** আপুনি দুটা মান খুব গুৰুত্বপূৰ্ণ কথা কৈছে। micro level লৈ নিয়াৰ কথাটো আপুনি কৈছে। SDGৰ আলোচনাৰ শেষৰ দিনাখন ৰ আলোচনাত আমি কৈছিলো যে প্ৰতিটো সমষ্টিতে যাতে SDG লৈ যাব পাৰো তাৰ কাৰণে আপোনালোকক Empower কৰাৰ বাবে কৈছিলো আৰু সেইটো micro levelলৈ নিয়াত সহায় কৰিব। I will talk with Chief Minister, Chief Secretary and I will try to implement it ।secondly আপুনি যিটো কৈছে আমাৰ Engineering College , Business College কিন্তু employable quality বহুতৰে নাই, পুৰণা মেচিনেৰীবিলাক এতিয়াও আছে। এইটো খুৱ ৰাইটলী যে আমি যদি improve কৰিব লাগে আমি সেই কথাবিলাকো চাব লাগিব। latest instrumation যিবিলাক develop হৈছে সেইবিলাক আনিব লাগিব তেতিয়া আমাৰ লৰা ছোৱালীখিনি competitive field খনত নামিব পাৰিব। আপোনালোকক ধন্যবাদ। কেইবাজনো ক'বলগীয়া আছে কিন্তু সময় তাকৰ মোৰ উপায় নাই। গতিকে সকলোকে কৈছো যিমানে ক'ম ক'ব সিমানে কোৱাৰ বাবে বেছিকৈ সুযোগ দিব পাৰিম। এতিয়া ভূৰন পেগু, সুমন হৰিপ্ৰিয়া, ৰূপজ্যোতি কুৰ্মী, মামুন ইমদাদুল হক আছে আৰু বহুতৰে নাম আছে ।

**শ্ৰী ভূৰন পেগু, জোনাই,** ঃ মাননীয় অধ্যক্ষ মহোদয়, সময়ৰ প্ৰতি লক্ষ্য ৰাখি মই ক'ম, মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। যিহেতু **১৯০** কৈ অধিক ৰাষ্ট্ৰই পৃথিৱীজোৰা **২০৩০,** তাৰ মানে আৰু **১২** বছৰৰ ভিতৰত দৰিদ্ৰতা নিৰ্মুল কৰাক লৈ যি **১৭** টা লক্ষ্য নিৰ্ধাৰণ কৰিছো, এক প্ৰকাৰে চাবলৈ গ'লে এইটো খুৱ কঠিন কাম। কিন্তু এই কঠিন কামটো, কঠিন বুলি ভাৰি থাকিলে নহ'ব। এইটো সন্মুখৰ পৰা নেতৃত্ব দি ইয়াক নিৰ্মূল কৰা বা implement কৰাৰ প্ৰচেষ্টা চলাব লাগিব। অসমত আপুনি সন্মুখৰ পৰা যিধৰণে নেতৃত্ব দিছে, বিধানসভাৰ মজিয়াৰ পৰা নেতৃত্ব দি

গাঁওলৈকে নিয়া যিটো প্ৰচেষ্টা চলাইছে, তাৰ কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গোটেই ১৭ টা লক্ষ্যৰ প্ৰায়খিনি interrelated । ২৬, ২৭ তাৰিখে যিটো session organise কৰিছিলে বিধায়ক সকলৰ কাৰণে তাত যিখিনি experts আহিছিলে, মই বিশেষকৈ প্ৰভাৱিত হলো এজন ব্যক্তি, যিজন নাৰায়ানা গ্ৰুপ অফ হস্পিতাল, ডাক্তৰ দেৱী চেত্ৰীয়ে যিটো presentation উপস্থাপন কৰিছিলে, তাত কেইটামান খুব সুন্দৰ তথ্য with facts দাঙি ধৰিছিলে। এটা হ'ল 21st century economy টো। 21st century টোক কোনটো sector ৰে নেতৃত্ব দিব? কোনটো sector ৰে 21st century ৰ growth টো কেনেকুৱা হ'ব বুলি, পৃথিৱীজোৰা projection দিছিলে। তাতে Food and Agriculture ৰ World economy ত share হ'ব 8 Trillion US $ । তাৰ পিছত Health Care তো 8 Trillion US $., Information Technology তাৰ তুলনাত আমি যিটো Information Technology ৰ growth ভাল হ'ব বুলি ছাত্ৰ-ছাত্ৰী আগবাঢ়ি যাব বিচাৰে। তাৰ share টো হ'ল 3.7 Trillion ।

(মাননীয় সভাপতি শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সদন পৰিচালনা কৰে)

মাননীয় সভাপতি মহোদয়, তাৰ পিছত Oil & Natural Gas যিটো sector এ economically দেশ আগুৱাই নিব বুলি ভাৱো, তাৰ share টো হ'ল 2 Trillion only. তাৰ পিছত Automobile sector য'ত গাড়ী, ঘোঁৰা, মটৰ চাইকেলৰ কথা ভাবিলে, এইটো Industry হ'লে দেশ আগবাঢ়িব বুলি ভাৱো। তাৰ share টো হ'ল 2.75 Trillion। Media - 1.7 Trillion, Energy sector - 1.4 Trillion, appearance অৰ্থাৎ কাপোৰ - কানি পিন্ধা বজাৰৰ share 1.4 Trillion. তাৰ মানে যদি economic growth হ'ব লাগে। দুটা sector ক গুৰুত্ব দিছে। Food and Agriculture 8 Trillion, Health Care 8 Trillion. এই দুটা sector টোত মই ভাৱো আমি যদি গুৰুত্ব নিদিও, বেলেগ sector ক গুৰুত্ব দিওঁ, এই দুটা sector ক avoid কৰি আমাৰ economic growth টো যেনেকৈ আমি আগুৱাই নিব বিচাৰিছো, তেনেকৈ আগুৱাই নিব নোৱাৰিম তাৰ এটা projection সুন্দৰভাৱে দিছে।

মাননীয় সভাপতি মহোদয়, Agriculture sector টোত যদি আমি চাওঁ, Goals ত কৈছে Agriculture is the largest employer in the World. zero hunger ৰ ফালে যদি যাব লাগে, মানুহক যদি employment provide কৰিব লাগে, Agriculture is the single largest employer in the World. কিন্তু সভাপতি মহোদয়, এই sector টোত আমি যেনেকৈ গুৰুত্ব দিব লাগে, মই ভাৱো আমি যেনেকৈ গুৰুত্ব দিব পৰা নাই। কিয়নো সভাপতি মহোদয় Agriculture হ'ল Food Producing এটা কৰ্ম। আজিৰ তাৰিখত খুব উদ্বেগজনক বিষয় এটা হ'ল যিকোনো কলেজ বা শিক্ষানুষ্ঠানৰ ছাত্ৰ জনক উঠাই যদি প্ৰশ্ন সোধে যে তেওঁ কি হ'ব বিচাৰিছে, এশজনৰ ভিতৰত কোনো এজন ছাত্ৰ নপাব কৃষক হ'ম বুলি কোৱা। মই শিক্ষা দীক্ষা লোৱাৰ পিছত কৃষি কৰ্মত লাগিম, Food production ত লাগিম বুলি কোনো এজন ছাত্ৰই নকয়। আৰু আমাৰ শিক্ষা ব্যৱস্থাই কি কৰিছে, কৃষি কৰ্মৰ পৰা আমাৰ লৰা - ছোৱালীক আঁতৰাই নিছে। সভাপতি মহোদয়, কৃষি কৰ্ম এনেকুৱা এটা কৰ্ম যি খাদ্য উৎপাদন কৰে। যি খাদ্য Reliance ৰ মালিক মুকেশ আম্বানিয়েও খাব লাগিব, দুখীয়া জনেও খাব লাগিব। যি খাদ্য নহ'লে মানুহ জীয়াই থাকিব নোৱাৰে। এই খাদ্য উৎপাদনৰ পৰা আমাৰ শিক্ষা ব্যৱস্থাটোয়ে

আমাৰ ল'ৰা -ছোৱালী খিনিক আঁতৰাই নি আছে।

ছাত্ৰ - ছাত্ৰীক সুধিলে কোনোবাই ক'ব Engineer হম। Professor হম, সকলোৱে চৰকাৰী চাকৰি মুখী or some form of employment which is not related to Agriculture, not related to food production । এজন ডক্তৰে ভাবিব যে মোৰ ল'ৰাজন ডাক্তৰ হ'ব। Engineer জনে ভাবিব যে মোৰ ল'ৰাজনে Engineer হ'ব। Professor জনে ভাবিব যে মোৰ লৰাজন Professor হ'ব। কিন্তু কোনো কৃষকে নাভাৱে যে মোৰ লৰা কৃষি কৰ্মত নিয়োজিত হওঁক। সভাপতি মহোদয়, এইটো এনেকুৱা এটা সমস্যা আমাৰ কাৰণে। যিটো লাহে লাহে পৃথিৱীজোৰা চৰ্চা হৈ আছে। সেইটো হ'ল food crisis. তাৰ মানে food production ৰ পৰা যদি মানুহ আঁতৰি যায়, তেতিয়া পৃথিৱীজোৰা crisis হৈ আছে। নতুন উঠি অহা প্ৰজন্মৰ কৃষি কৰ্মৰ প্ৰতি আগ্ৰহ নাইকিয়া হৈছে। অলপতে বাজেটত দেখিছো আমি কৃষিকৰ্মত মানুহখিনিক নিয়োজিত কৰি, তাত উৎপাদন হ'ব পৰাকৈ আমাৰ মুখ্যমন্ত্ৰী গ্ৰাম্য আঁচনিত ট্ৰেক্টৰ দিছো। বিভিন্ন আঁচনি লৈছো। কিন্তু Agriculture is not developing তাৰ মানে এই কৃষিকৰ্মত নিয়োজিত হৈ জীৱিকা অৰ্জন কৰিব পৰা এটা অৱস্থালৈ আহিব পৰাকৈ effective হোৱা নাই। কিয়নো আমি যিখিনি বস্তু উৎপাদন কৰো, উৎপাদন কৰা বস্তুবোৰৰ মুল্য আমি বজাৰত নোপোৱা হৈছো। এই কাৰণে কৃষিকৰ্মৰ পৰা আমাৰ মানুহবোৰ আঁতৰি আহিছে। আৰু এই Sustaintable Development Goals যদি implement কৰিব লাগে, কৃষক সকলে যিখিনি বস্তু উৎপাদন কৰে তাৰ সঠিক মুল্য পাব পৰাকৈ আমি যদি ব্যৱস্থা নকৰো then we will fail. আৰু এই কৃষিকৰ্মৰ পৰা যিমান মানুহ আঁতৰি আহিব employment opportunities লাহে লাহে নাইকিয়া হৈ যাব। highest employment যিটো sector তাৰ পৰা মানুহ আঁতৰি আহিছে। আৰু এই sector টো neglectd হৈছে। মই ভাৱো যে we need to do more.

কৃষক সকলে যেতিয়া আলু উৎপাদন কৰে, গুৱাহাটীত যেতিয়া আমি ২৫, ৩০ টকা দি কিনো, তাৰ শতকৰা ৮০ ভাগ টকা কৃষকে যাতে পাই তাৰ ব্যৱস্থা আমি কৰিব লাগিব, Sustaintable Development Goals যদি implement কৰিব লাগে । কিন্তু আমি সেইটো কৰিব পৰা নাই we have failed there. বিলাহী যিটো উৎপাদন হয়, আমি গুৱাহাটী যেতিয়া ৪০ টকা দি কিনো, তাৰে ৩০ টকা কৃষকে যেন পাই, তাৰ ব্যৱস্থা আমি কৰিব নোৱাৰিলে we will fail.

সভাপতি মহোদয়, মোৰ সমষ্টিতো আলু, বিলাহী আৰু ধান ইত্যাদি উৎপাদন কৰে। কিন্তু যিটো সময়ত উৎপাদন হয়, বজাৰত বিক্ৰী কৰিব লাগে, সেই সময়ত এটা nexus এটা আছে, syndicate আছে, mafia group আছে, বজাৰ crash কৰি দিয়ে। যাৰ ফলত আলু পেলাই দিব লগীয়া হয়, বিলাহী দুই টকা দামতো পেলাই দিব লগীয়া হয়। আলু তিনিটকাত বিক্ৰী কৰিলে বজাৰত কিনা মানুহ নোহোৱা হয়। মাটিমাহ সময়ত কিনা মানুহ নোহোৱা হয়। সৰিয়হ কিনা মানুহ নোহোৱা হয়, ধানৰ উৎপাদন নাইকিয়া হৈ যায়। কৃষসকলে যিটো capital invest কৰিছে, সেই capital টো ঘুৰাই নাপায়। গতিকে এই কৃষিকৰ্মত কোন নিয়োজিত হ'ব। আমি ট্ৰেক্টৰ দিছো, কিন্তু কোনজন যুৱকে সেই ট্ৰেক্টৰ লৈ কৃষি কৰ্মত লাগি গ'ল। প্ৰায় ভাগ ট্ৰেক্টৰে এতিয়া বালিমহল, বেলেগ কামত নিয়োজিত হৈ আছে। মাননীয় সভাপতি মহোদয়, এই sector টোক যদি আমি highest priority ক নেতৃত্ব নেদিও, আমাৰ কৃষক সকলে উৎপাদন কৰা

সামগ্ৰী উচিত মুল্য দিয়াৰ যদি ব্যৱস্থা নকৰো, তেতিয়া হ'লে Sustainable Development Goals implement কৰিব নোৱাৰো। গতিকে এই sector টোক সেই কাৰণে গুৰুত্ব দিব বিচাৰিছো সভাপতি মহোদয়।

আৰু এটা বিষয় Health Care টো 8 trillion economy ৰ intervention টো ক'ত হ'ব পাৰে। employment generation ক'ত হ'ব পাৰে। economic growth কেনেকৈ হ'ব পাৰে, ইয়াত সুন্দৰ ভাৱে দেখুৱাইছে। কিউৱা এনে এখন ৰাষ্ট্ৰ, তাৰ জনসংখ্যা হ'ল ১.২০ কোটি। তাৰ মানে অসমতকৈ আধা কিন্তু Cuba earns 8 billion annually through 45 thousand doctors and nurses who are working in central America and Africa. তাৰ মানে Cuba এনেকুৱা এখন সৰু ৰাষ্ট্ৰ, কিন্তু এইখন ৰাষ্ট্ৰই doctor and nurse produce কৰি বেলেগ বেলেগ ৰাষ্ট্ৰলৈ পঠাই highest dollors অৰ্জন কৰিছে। আৰু এটা ৰাষ্ট্ৰৰ কথা কৈছে Phillipines received 29.7 billion dollors of remittance majority from 1.50 thousand nurses and 18 thousand Physician working abroad. আৰু এটা projection দিছে, তাৰ মানে ভাৰতবৰ্ষত Indian needs two million doctors six million nurse.

মাননীয় সভাপতি মহোদয়, ২০ লাখ Doctor লাগে, ৬০ লাখ Nurse লাগে। এই ২০ লাখ Doctor আৰু ৬০ লাখ Nurse ৰ ভিতৰৰ পৰা যদি আমি অসমত যদি প্ৰত্যেক জিলাতে থকা District Hospital বোৰক যদি Nursing College লৈ Convert কৰো আৰু ইয়াত যদি Nurse বোৰক ৩/৫ বছৰৰ ভিতৰত Nurse ৰ প্ৰশিক্ষণ আমি যদি Complete কৰিব পাৰো তেতিয়া যথেষ্ট ভাল হ'ব। ভাৰতবৰ্ষৰ যদি Market খন যদি আমি চাওঁ তেতিয়া হলে এই Market খনৰ Potential কিমান বুলি কওঁতে কোনোৱাই কৈছে, 5 million Doctors, Nurses and technician can remit. 100 Billion Annually ভাৰতবৰ্ষৰ Market ত প্ৰয়োজন আছে। কিউবা ভাৰতবৰ্ষৰ আটাইতকৈ সৰু এখন ৰাষ্ট্ৰ হোৱাৰ পিছতো বৃহৎ ধনৰাশি অৰ্জন কৰি আছে। ভাৰতবৰ্ষইও যদি Trained practician আৰু Nurse বহিৰলৈ পঠিয়াই এই market দখল কৰিব পাৰে তেনেহ'লে Economic Growth যথেষ্ট বাঢ়ি যাব। এই দুটা দিশত Intervention টোৰ অতি প্ৰয়োজন। কিন্তু আজি আপোনাৰ সমষ্টিয়ে হওঁক বা মোৰ সমষ্টিয়ে হওঁক প্ৰত্যকটো সমষ্টিৰ Crisis টো হ'ল যে আমাৰ Nurse নাই। এতিয়া মোৰ সমষ্টিৰ PHC structure টো বনালে, Public Health Centre টো খুলিলে কিন্তু তাত আমি ডাক্তৰ আৰু Nurse দিব পৰা নাই। আমি Building টো বনালো কিন্তু Nurse আৰু Doctor আমি দিব পৰা নাই আৰু এটা কথা ভাল Trained Nurse নহোৱাৰ কাৰণে গাওঁ বোৰত সাধৰণ ডায়েৰিয়াত মানুহ এতিয়াও মৃত্যু মুখত পৰে। সাধৰণ বেমাৰত যিটোৰ Immediate Intervention পালে মানুহজন বাচি যোৱাৰ সম্ভাৱনা থাকে কিন্তু সময়ত Nurse বা Doctor নোপোৱাৰ কাৰণে আমাৰ এই সমস্যাটো আছে। আমাক যিমান Doctor ৰ প্ৰয়োজন সিমান Doctor নাই। চৰকাৰে Hospital, Medical College খোলাৰ যি প্ৰচেষ্টা চলাইছে, এইটো শলাগ লব লাগে যিটো বিষয়ক মাজে মাজে কিছুমানে সমালোচনা কৰি থাকে। ইয়াক সমালোচনা নহয় বৰঞ্চ মই ভাৱো, যিটো আমাক চেত্তি ডাঙৰীয়াই কৈ গৈছে, যে চাৰিশ কোটি খৰচ কৰি Hospital খোলাৰ নামত ইমান টকাৰ Invest কৰাৰ কোনো প্ৰয়োজন নাই, তেখেতৰ মতে প্ৰত্যকখন District Hospital can become a Medical College. যিটো বস্তু

কিউবাই কৰে বুলি কৈছে। District Hospital এখনত এজন ডাক্তৰ পঢ়াব পৰা নহ'ব বুলি তেখেতে কেতিয়াও কোৱা নাই। If it invests 400 Crores for building up a Medical College, all District Hospitals and Sub-Divisional Hospitals can be converted to nursing colleges আৰু এইটো যদি আমি কৰো তেতিয়া হলে মই ভাৰো যে যিহেতু আমি কৰিব পৰা অৱস্থাত আছো, Agriculture তো যিটো আমি কৰিব পাৰো। কৃষক সকলক তেখেত সকলৰ উৎপাদিত সামগ্ৰীৰ Linkage আমি দিয়াৰ বাবে Cold storage পৰা আৰম্ভ কৰি Minimum Market Price ৰ ক্ষেত্ৰত Government ৰ ফালৰ পৰা Visible intervention দিয়াটো দৰকাৰ। বহুত Sector ত আমি সময় দিওঁ কিন্তু এই Visible intervention ৰ ক্ষেত্ৰত বাৰে বাৰে আমি কৈ থাকো। প্ৰত্যক বছৰে কৃষক সকলৰ হাঁহাকাৰ হয় যেতিয়া উৎপাদিত সামগ্ৰীৰ উৎপাদন খৰচৰ তুলনাত বজাৰত দাম নাপায়। মই কেতিয়াবা আচৰিত হওঁ যে গুৱাহাটীৰ বজাৰত ৫০/৬০ টকা দি বিলাহী কিনো কিন্তু মোৰ গাওঁৰ কৃষকে মাত্ৰ ৩/৫ টকা পায়। গুৱাহাটীৰ বজাৰত আমি নতুন আলু ৩০/৪০ টকাত কিনো কিন্তু গাওঁৰ কৃষকে ৫/৬ টকা পায়। এই মাফিয়া বা Nexus টো যদি আমি নোহোৱা কৰিব পাৰো তেতিয়া হলে মই ভাৰো যে অসমত ৪০শতাংশ নিবনুৱা সমস্যা সমাধান হৈ যাব। কৃষি কৰ্মত যদি মানুহখিনি জড়িত হোৱা আৰম্ভ হয় তেতিয়াহে আমাৰ উঠি অহা যুৱক চামে কব, শিক্ষিত যুৱ চামে ক'ব I will go for scientific farming or I will go for organic farming আৰু farming কৰাৰ পাছতো মই পইচা আৰ্জিব পাৰিছো। যদি দেখে মাক দেউতাকে উৎপাদিত সামগ্ৰী বজাৰত যেতিয়া নিয়াৰ পিছত পেলাই দিব লগীয়া হৈছে, যাৰ ফলত ঘৰ চলোৱাত অসুবিধা হৈছে, তেনেকুৱা ঘৰৰ লৰা -ছোৱালী বোৰে যিমান পঢ়া-শুনা কৰিলেও, যিমান ইচ্ছা থাকিলেও তেনেকুৱা কৰ্মত কেতিয়াও নিয়োজিত নহয়। সভাপতি মহোদয়, মই বেছি দীঘলীয়া নকৰো, এই দুটা বিষয় মই ভাৰো যে, যিহেতু আমাৰ অসমৰ ৮০ শতাংশ মানুহ কৃষি কৰ্মৰ লগত জড়িত, বৰ্তমান এই কামটোৰ পৰা আঁতৰি আহিছে। That is a very alarming situation. মই সদায় আচৰিত হওঁ যে যেতিয়া গুণোৎসৱৰ সময়ত মই School বিলাকলৈ গৈছিলো আৰু ছাত্ৰ-ছাত্ৰী সকলৰ লগত যেতিয়া Interact কৰিছিলো তেতিয়া মই এজনো ছাত্ৰ-ছাত্ৰী পোৱা নাছিলো যিয়ে ভৱিষ্যতে কৃষি কৰ্মত নিয়োজিত হম বুলি বা বৈজ্ঞানিক পদ্ধতিৰে এজন ভাল খেতিয়ক হ'ম বুলি কৈছিল। এই বস্তুটোৱে পৃথিৱীযোৱা সমস্যা এটা সৃষ্টি কৰিছে, যে Food production ৰ পৰা মানুহ লাহে লাহে আতৰি আহিব ধৰিছে, যাৰ ফলত প্ৰশ্ন আহিছে যে খাদ্য উৎপাদন কোনে কৰিব। Machine য়ে টো উৎপাদন কৰি নিদিয়ে, মানুহে কৰিব লাগিব আৰু এই মানুহৰ নতুন প্ৰজন্মই যদি এই কৃষি কৰ্মৰ পৰা আতৰি যায়, তেতিয়া হ'লে কি হব? আজিৰ নতুন প্ৰজন্মই কয় কোনোৱাই Computer Engineer হ'ব, কোনোৱাই professor হ'ব আৰু কাৰোবাক চৰকাৰী চাকৰি লাগে, তেতিয়া হ'লে খাদ্য উৎপাদন কোনে কৰিব। কোনোবাই Engineer হৈ যদি কোটি টকা অৰ্জন কৰে তেতিয়া হ'লে আমি সেই টকাটোৰ কেনেকৈ খাম, টকাটো আমি খাব নোৱাৰো কাৰণ খাদ্য লাগিবই। আজিৰ প্ৰজন্মই খাদ্য উৎপাদনৰ পৰা আঁতৰি গৈছে। গতিকে মই এইটো ভাৰো যে Sustaiable Developement Goals ৰ Agenda টো হ'ল যে Nobody should be hungry after 2030. ১২ বছৰৰ পিছত যেন কোনোৱে খাব নোপোৱাকৈ নাথাকে, দুখীয়া হৈ যেন কোনোয়ে নাথাকে। Health of well being ৰ কথা কৈছে, কিন্তু খাদ্য উৎপাদন যদি নহয় তেতিয়া হলে এই লক্ষ্যত

উপনীত হোৱাটো অসম্ভৱ আৰু মই ভাৱো যে immediate intervention কৰিব পৰা ঠাই এই দুটা। Health care and Agriculture. সভাপতি মহোদয়, আমি সকলোৱে সংকল্প লওঁ যে অহা দিনবোৰত যদি বিধান সভাই সিদ্ধান্ত লয়, যদি চৰকাৰে সিদ্ধান্ত লয়, এই Nexus টো যাৰ বাবে কৃষকৰ উৎপাদিত সামগ্ৰী আৰু বজাৰৰ দামৰ মাজৰ যিটো তাৰাতম্য, এই nexus টো বা Syndicate টো ভঙাৰ বাবে যদি আমি সিদ্ধান্ত লওঁ তেতিয়া হ'লে মই ভাৱো যে অসমৰ ৮০শতাংশ কৃষক ৰাইজে আমাক Salute দিব আৰু আমাক ধন্যবাদ দিব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় সভাপতি** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্যা শ্ৰীমতী সুমন হৰিপ্ৰিয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছোঁ।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (মাননীয় সদস্যা, হাজো)** ঃ মাননীয় সভাপতি মহোদয়, আজিৰ সদনত অসমত সৰ্বাত্মক উন্নতি আনিবৰ বাবে যি আমি ইয়াৰ দীৰ্ঘম্যাদী পৰিকল্পনা কৰিছো সেই পৰিকল্পনাৰ অংশীদাৰ হিচাবে আমাৰ বিধায়ক সকলক অংশীদাৰ কৰাৰ বাবে আপোনাৰ জৰিয়তে মই চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ Sustainable Developement আনিবৰ কাৰণে প্ৰথম কথাটো হল It is a process of continutation, without Sustenance no development is possible. গতিকে এই Developement আমি continue কেনেকৈ ৰাখো। Developement continue কৰিবৰ কাৰণে বহুত কেইটা Factory ইয়াত জড়িত আছে, আমাৰ Developement টো মাজে মাজে স্থবিৰ হৈ যায়। Apollo ও Mill য়ে হওঁক, জাগীৰোড পেপাৰ Mill য়ে হওঁক আমাৰ ধুম ধামকৈ আৰম্ভ হয়, Apollo ৰ কাপোৰৰ বিষয়ে আগতে আমি শুনা পাইছিলো সৰুতে বহুত চলিছিল তাৰ পিছত বন্ধ হৈ গল । কথাটো হল যে আমি Sustain কৰি কিয় ৰাখিব নোৱাৰো, ইয়াত বহুত Factors আছে। যোৱাকালি আমাৰ বিধায়ক শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই কৈছিল যে ভুল উদ্যোগিক নীতি কিন্তু মই সেইটো নাভাৱো, ভুল উদ্যোগিক নীতিক অকল জগৰীয়া কৰিলে নহব । ইয়াৰ ক্ষেত্ৰত আমাৰ যিখিনি Machinery, প্ৰয়োজন আমাৰ মাননীয় সদস্যই কৈ গ'ল যে সেইখিনি Install কৰে Company য়ে কিন্তু এই Machinery খিনি চলাব কোনে, মেৰামতি কোনে কৰিব Maintenance কোনো কৰিব। সেইখিনি আমাৰ চিন্তা ধাৰা অভাৱ আৰু তাৰ লগে লগে প্ৰতি বছৰে বছৰে আমাৰ বজাৰৰ চাহিদাটো বেলেগ হৈ যায়। কিন্তু আমি সেই একেখিনি Machinery কে ব্যৱহাৰ কৰি থাকো আৰু এই Machinery বোৰ No-mans property হৈ যায় কোনো চলাব। আমেৰিকাত কি হয় যে Ropeway বোৰ Successful হয় কিন্তু আমাৰ ভাৰতত বহুত Ropeway মাজতে চিঙি যায়। আমাৰ এই Ropeway বোৰৰ Maintenance ৰ অভাৱ, Technician ৰ অভাৱ। আমাৰ ইয়াত Skill Development ৰ কথাটো আহি পৰিছে। আমাৰ Skill Development ৰ যিটো Process সেইটো continous process. এই Process টো Successful কৰিবৰ কাৰণে আমাক প্ৰথমে লাগিব Human Resources, আমাক লাগিব Financial Resources। আমাৰ Financial Resources ৰ কথাটো লিখিছে, আমি পাইছো ইয়াত বেলেগ বেলেগ Bank ৰ পৰা সহায় লম বুলি কৈছে, আনকি বাহিৰৰ অনুষ্ঠানৰ পৰা সহায় লম বুলি কোৱা হৈছে, NABARD, World Bank আদিৰ পৰা সাহায্য পাম। গতিকে Financial Resources, Human Resources আৰু

তাৰ লগত Technology Coordination কৰি আমি কাম কৰিব লাগিব। গতিকে এই বিষয়টো গুৰুত্ব সহকাৰে লোৱাটো উচিত। এতিয়া চাওঁক আমাৰ স্বাস্থ্য বিভাগত বহুত ভাল ভাল Hospital হৈছে, Medical ত উপযুক্ত চিকিৎসাৰ বাবে বহুত বেমাৰ ভাল হৈ যায়। কিন্তু ঘৰত গৈ যদি Patient য়ে ভালকৈ খাবলৈ নাপায়, পৰিৱেশ লেতেৰা আৰু যদি অৰ্থনৈতিক স্বচ্ছতা নাথাকে মানে Patient জন যদি দৰিদ্ৰ হয়, তেতিয়া হ'লে যিখিনি Medicine দি পঠাই সেইখিনি কেনেকৈ Continue কৰিব। গতিকে এনেকুৱা হৈছে, যে Operation is successful but the patient dies. কামটো কৰা হল কিন্তু শেষত গৈ একো নহ'ল গতিকে আমাৰ সেইটোয়ে Sustaiable Developement যাৰ জৰিয়তে প্ৰতিজন ব্যক্তিক আমি অৰ্থনৈতিক স্বচ্ছতা, আৰ্থসামাজিক উন্নতিৰ লগতে আমি Social Security প্ৰদান কৰি তেওঁলোকক ভালকৈ জীয়াই থকাৰ সুবিধা যদি প্ৰদান কৰিব গৈছো Sustainable Development Goals ৰ জৰিয়তে। ইয়াত আমি মানৱৰ কল্যাণৰ কথা কৈছো আৰু প্ৰতিজন নাগৰিকক মানৱ সম্পদ হিচাপে গঢ়িব খুজিছো। কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে সেই কাৰণে কৈছিল 'সবাৰ ওপৰে মানুহৰ চৰ্ত, তাহাৰ ওপৰে কেওনাই' গতিকে আমি সেই মানৱকে সম্পত্তি কৰি দৰিদ্ৰতা নিৰ্মূল কৰিবৰ কাৰণে যিটো Sustainable Development Goals ত আমি State Economic বৃদ্ধি কৰিবৰ কাৰণে গুৰুত্ব প্ৰদান কৰিছো। State Economic growth rate বঢ়াবৰ কাৰণে সভাপতি মহোদয়, আমি গ্ৰাম্য অৰ্থনীতিটো Uplift কৰিব লাগিব। কিন্তু আমাৰ Rural Economic growthআহিব ক'ৰ পৰা, সেইটো হ'ল Agriculture. সভাপতি মহোদয় মই ভাৱো Sustainable Development Goal ৰ ক্ষেত্ৰত সবাতোকৈ জোৰ দিয়া উচিত Agriculture ত আৰু পৰিতাপৰ বিষয় এই মুহূৰ্তত আমাৰ Agriculture ৰ যিকেইটা বিষয় আমি অলপ হ'লেও নিৰাশ হৈ আছো। আমি কাম কৰিছো আমাৰ বহুত অভিলাসী আঁচনিও আছে Agriculture ৰ ক্ষেত্ৰত। কিন্তু তথাপিও আমাৰ আমি কৰিবলগীয়া বহুত আছে। ইয়াত অলপ Modification ৰ প্ৰয়োজন আছে। এতিয়া Modification বুলি কলে চাঁওক আমাৰ SDO আছে, আমাৰ গ্ৰামসেৱক আছে। কিমানবোৰ Fieldত যায়? গতিকে আপোনাৰ ফালৰ পৰা আমি ৰাইজৰ কাৰণে বিভাগীয় বিভাগক আমি Pressure দিব চেষ্টা কৰিছো যাতে আমাৰ বিষয়া সকলৰ work culture টো অলপমান সলনি হয়। দ্বিতীয় কথা Agriculture ৰ ক্ষেত্ৰত চাওঁক আজি আমি যিটো TV ত দেখা পালো Global Warming যাৰ কাৰণে Agriculture ৰ ক্ষেত্ৰত আমাক বতৰেও সহায় নকৰে এতিয়া। যেতিয়া আমাৰ খেতিত পানীৰ দৰকাৰ হয় তেতিয়া শুকান বতৰ, একেবাৰে খৰাং আৰু যেতিয়া আমাক শুকান বতৰৰ প্ৰয়োজন হয় শস্য চপাবলৈ তেতিয়া ঘপককে বানপানী আহি যায়। তাৰ লগতে খেতিমাটিও কমি গৈছে খহনীয়া আৰু বানপানীত। গতিকে আমাৰ বতৰৰ লগতো আমি যুদ্ধ কৰিব লগীয়া হৈছে। এতিয়া আমাক কৈছে Sustainable Development Goals ত আমাক আগজাননী দিয়া হ'ব। বানপানী কেতিয়া আহিব, কি হ'ব, বতৰ কেতিয়া বেয়া হ'ব সেইখিনি Technology ব্যৱহাৰ কৰিম বুলি কৈছে, গতিকে আমি ভাৱো যে সেইখিনি সোনকালে ব্যৱহাৰ কৰক। দ্বিতীয়তে Agriculture ৰ ক্ষেত্ৰত আৰু ক'বলগীয়া আছে। আমাৰ যিখিনি শস্য ব্যৱহাৰ কৰো, যিখিনি Seed Farm আমি খেতিবাতিত, কিছুমান এলেকাত কিছুমান উন্নত মানৰ Seed Farming হ'ব যিখিনি কৃষকক দিব কাৰণে, কিন্তু আজি কালি কৃষক সকলৰ Seed Farm ৰ ক্ষেত্ৰত গুৰুত্ব নোহোৱা হৈ গৈছে। হয়তো অৰ্থনৈতিক ভাৱে তেওঁলোকৰ বেছি লাভজনক নহয় নেকি? কাৰণ

আৰু বাহিৰৰ পৰা কিছুমান উন্নত মানৰ Seed Farm আহি যায়। গতিকে Seed Farming ৰ ক্ষেত্ৰত অকনমান চৰকাৰে চিন্তাচৰ্চা কৰা উচিত। গতিকে সেই বিষয়টো কোনটো দিশত লৈ যাব। তাৰ লগে লগে চাওঁক Agriculture ৰ যে bringing green riverstation to Eastern India, সেইটো বহুত ভাল আঁচনি আছিল কিন্তু সেইটো কিমান successfully implement হৈছে অসমত আমি ভালকৈ গম নাপাও, আপোনাৰ জৰিয়তে মই বিভাগীয় বিভাগক মই Pressure দিব খুজিছো যে bringing green riverstation to Eastern India খুব ভালকে Implement হয় অসমত তাৰ বাবে এটা দায়িত্ব লব তাৰ লগতে আমাৰ প্ৰধান মন্ত্ৰী ফচল বীমা যোজঁনা, কিন্তু Double Profitৰ ওপৰত গুৰুত্ব দিছে আমাৰ, এইটো বিষয়ে আমাৰ কৃষক সকলে ভালকে জ্ঞাত নহয়। গতিকে এইকেইটা আঁচনি যদি অলপ গুৰুত্ব সহকাৰে লোৱা হয় Agricultureৰ ক্ষেত্ৰত আমাৰ, অলপ সুচল হব আৰু Agricultureৰ ক্ষেত্ৰত সভাপতি মহোদয়, দ্বিতীয় কথা এটা আছে যে আমি প্ৰধান মন্ত্ৰীৰ কৃষি বিকাশ যোজঁনা PMKSY, PMKSY ৰ জৰিয়তে আমি Agriculture ক upliftment কৰিবৰ কাৰণে চেষ্টা কৰি আছে কিন্তু ইয়াত দেখা গৈছে খুব বিভাগৰ যিটো coordination দৰকাৰ, এতিয়া চাওঁক Sustainable Development Goal মানে কি this is sinchayee of all department, sinchayee of related department and department is inter related and inter dependence. যদি আমি department is inter related and inter dependence হৈ যদি ক াম নকৰো তেতিয়াহলে আমাৰ Sustainable Development Goal ৰ continue কৰিব নোৱাৰিব। ২০৩০ ৰ লক্ষ্যক আমাৰ কঠিন হব। ইয়াত challenging বহুত আছে। সভাপতি মহোদয়, গতিকে আমাৰ সেই coordination টো Agriculture ৰ প্ৰত্যেকজন নিয়ন্ত্ৰন হওঁক। কিন্তু আমাৰ PMKSY ৰ কথাও কৈ আছিলো, প্ৰধান মন্ত্ৰী কৃষি বিকাশ যোজনা ইয়াত দেখা গৈছে Soil Conservation dept., Irrigation Dept., P & D এই গোটেই বিলাক Agriculture ইয়াত Nodal Agency কৰি দিয়া হৈছে। কিন্তু মোৰ হাজোতে চাওঁক যেতিয়া আমাৰ PMKSY ৰ আঁচনি ধৰিছে তেতিয়া আমাৰ Fieldত নাযায়, হয়তো ৰুমতে বহি আঁচনি বিলাক বনাইছে। কিন্তু সবতকে ডাঙৰ কথা Soil Conservation dept.ক নিমন্ত্ৰণ দিবলৈ পাহৰি গ'ল, কেৱল Irrigation আৰু Agriculture ৰ আঁচনিয়ে গ'ল, Soil Conservation নগ'ল। Soil Conservationয়ে কলে আমাক নামাতিলে, যিহেতু Agriculture ৰ local agency ৰ duty আছে, গতিকে Sustainable Development Goal ৰ ক্ষেত্ৰত যাতে, এইটো মই অভিযোগ কৰা নাই মই যিটো নতুন আহিছে PMKSY ৰ, হয়তো অলপ সময় লাগিব আমি বিষয়টো বুজি উঠাত হয়তো বিভাগৰ ফালৰ পৰা। গতিকে সেই খিনি continuiouslyএটা বিভাগক প্ৰয়োজন হয় আৰু Agricultureৰ কথা কবলৈ যাওঁতে সকলোতকে আমি গুৰুত্ব দিব লাগিব Irrigationত। Irrigationত কি হ'ল আমাৰ ধৰক এটা পাহাৰৰ মেচিন এটা বেয়া হৈ আছে আমি কলো কৃষকে কলে যে বাইডেউ খেতিপথাৰত পানী দিয়া মেচিনটো Irrigationৰ আমাৰ এইখিনি বেয়া হৈ আছে, তেতিয়া মই কলো কি কৰা যায়, তেতিয়া বিষয়াই কলে বাইডেউ মই Civilৰহে, এইটো Mechanicalৰ কাম। মই আকৌ Mechanicalৰ বিভাগক সুধিলো, তেতিয়া Mechanicalলে কলে বাইডেউ মোৰ মেচিনটো ঠিকে আছে ইয়াত কাৰেণ্টহে নাই, এইটো Electricalক কওঁক। চাওঁক গতিকে এটা Irrigation বিভাগতে Civil, Mechanical, Electrical, এই গোটেই বিলাক বিভাগৰ এটা

Coordination লাগিব। গতিকে চাবলৈ গলে বহুত কঠিন। এতিয়া আমাৰ বিধায়ক সকলক যিহেতু ইয়াত Involved কৰিছে গতিকে ভাল লাগিছে, আমাক Development agent বুলি কোৱা হৈছে, আমাক Coordinationৰ Implementionৰ আমাক সুবিধা দিছে, আমাক ইমানখিনি গুৰুত্ব দিছে, গতিকে আমাক যিহেতুকে গুৰুত্ব দিছে, গতিকে আমাক বিভাগৰ ফালৰ পৰা আমাক যাতে লৈ চলে তাৰ বাবে আপোনাৰ জৰিয়তে মই অনুৰোধ কৰিলো আৰু তাৰ লগে লগে Sustainable Development Goal successful কৰিবৰ কাৰণে আমাৰ এটা প্ৰত্যেক জিলা ভিত্তিত এটা Review সমিতি গঢ়াটো উচিত। All related subjectবোৰ আজি Agriculture হওক, skill development হওক তাৰ লগত জড়িত বিভাগবিলাক আহি লগে লগে আমাৰ Sustainable Develop ment Goal ত Involved কৰিছে যেতিয়া বিধায়কৰ বাহিৰেও আমাক Involved কৰা হৈছে, লোকেল বডিক Involved কৰা হৈছে আমাৰ Civil Societyক Involved কৰা হৈছে, গতিকে আমাৰ private and public যিবিলাক বিভাগ আছে সকলোকে Involved কৰা হৈছে। even civic society গতিকে আমি গোটেই খিনি বহি পেলাই যদি তিনি মাহে তিনি মাহে যদি efficiency review নকৰো, তেতিয়া আমি efficiency review ইয়াত Sustainable Development Goal টো successful হোৱাটো অলপ কঠিন হব। কাৰণ তেতিয়াহে আমি জানিব পাৰিম যে আমি কিমান দূৰ আগবাঢ়িছো আমাৰ ২০৩০ ৰ লক্ষ্যত যাবৰ কাৰণে আমি যদি চাও মানে ৩ মাহে ৩ মাহে যদি review নকৰো সকলো বিভাগ, সকলো বডি আহি, তেতিয়াহলে আমি just উলিয়াব পাৰিম যে আমি কিমান দূৰ আগুৱাই গৈছো, আমাক কিমান কি আছে, ক'ত সমস্যা আছে আমি কেনেকৈ rectify কৰিম এইটো বিৰাত প্ৰয়োজন সভাপতি মহোদয়। তাৰ লগত আৰু কব খুজিছো আমাৰ Agriculture ৰ লগত আমাৰ জড়িত হৈ আছে দ্বিতীয়তে আমাৰ এইমূহুৰ্তত কিছুমান Agricultureৰ আঁচনি আছে ধৰক আমাৰ আজি Sustainable Development Goal ত কোৱা হৈছে যে আমাৰ post harvesting কিছুমান আমাক processing unit আমি কৰিবলৈ entrepreneur ক আমি সহায় কৰিব পাৰো। মহিলাক সহায় কৰিব পাৰো। তাৰ লগত আমাৰ কিছুমান orgenic সাৰৰ ব্যৱসায়ত গুৰুত্ব দিছে, গতিকে সেই orgenic সাৰখিনি মহিলাই কৰিব পাৰে। আমি যোৱাকালি কনকলতা মহিলা সবলিকৰণটো আমি আঁচনি কৰিলো, সেই আঁচনিত আমি তেওঁলোকক ৫ লাখ পৰ্য্যান্ত ঋণ দিয়াৰ কথা ঘোষণা কৰা হৈছে বা তেওঁলোকক আৰম্ভ কৰা হৈছে ইতিমধ্যে ২৫ হাজাৰকৈ revolving fund পাইছে। কিন্তু সেই ৫ লাখ টকাৰে তেওঁলোকে কোনটো ব্যৱসায় কৰিব এতিয়াও তেওঁলোকে অলপ চিন্তা চৰ্চা কৰিবলৈ বাকী আছে আৰু বহুত আত্মসহায়ক গোটৰ আৰু বহুত ভিৰত কথা পাতি আছিলো যোৱা কালি, তেতিয়া তেওঁলোকে কৈছে যে আমি কি ব্যৱসায় কৰিম আমি চিন্তা চৰ্চা কৰি আছো। কিন্তু ইতিমধ্যে আমাৰ কিছুমানে ৫ লাখ টকাৰ প্ৰথম কিস্তিটো পালে। গতিকে মই তেওঁলোকক কলো কি ফলপ্ৰসু চিন্তা কৰি থকা আগতে, আমি যদি তেওঁলোকক Agriculture ত Involved কৰি দিব পাৰো যে তোমালোকে আমাৰ Primary processing centre ত, Primary processing centre ত গৈ আমি বহুতখিনি কাম কৰিব পাৰো তাত গুৰুত্ব দিয়াতো উচিত, তাৰ লগে লগে আমাৰ মহিলাৰ সকলৰ পৰা আমাৰ entrepreneur সকলে আমি Dairy Farming আৰু সেই Dairy Farmingত যিমান সুবিধা দিছে চৰকাৰে, Dairy Farmingৰ বেমাৰৰ পৰ্য্যান্ত আমাক insurance কৰিম বুলি কৈছে। ডাক্তৰৰ সুবিধা কৰি দিম বুলি

কৈছে, এইবাৰ আমি বাজেটত পাইছো। গতিকে Dairy Farming টো আমি গুৰুত্ব সহকাৰে ল'ব লাগে। আমাৰ Dairy Board আছে। কিন্তু এই Board খন আৰু অলপমান শক্তিশালী কৰাৰ কাৰণে গুৰুত্ব দিব লা গে বুলি মই ভাৱো। তাৰ লগে-লগে মহিলা সকলক Involve কৰিবৰ কাৰণে Dairy Development Board ৰ উপৰিও আমাৰ এটা ডাঙৰ সুবিধা আছে। সেইটো হৈছে- Milk Village Scheme এইটো এতিয়ালৈকে কৰা হোৱা নাই। এই Milk Village Scheme ত মহিলা সকলক বা Local Entrepreneur সকলক ঠায়ে-ঠায়ে Storage Center বা Cooling Center কৰিবৰ কাৰণে সুবিধা আছে। কিন্তু এইটো এতিয়াও গুৰুত্ব সহকাৰে লোৱা হোৱা নাই। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাত কিন্তু Dairy ত বহুত গুৰুত্ব দিছে। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ যিখিনি আচঁনি সেইখিনি অতি সোনকালে ভালকে Implement কৰক। তেতিয়া আমি নতুন উঠি অহা যুৱক সকলকো Dairy farming ৰ লগত Involve কৰাব পাৰিম। আমাৰ Swami Vivekananda Assam Youth Empowerment যিটো যোজনা আহিছে, এই যোজনাৰ লগত MSME Guarantee Scheme ও Inter related. যদি Swami Vivekananda Assam Youth Empowerment Scheme ৰ লগত MSME Guarantee Scheme টো Inter related কৰি দিওঁ তেতিয়াহলে ৫০ লাখ পৰ্য্যন্ত যিটো আমি loan লওঁ সেইখিনিৰ Guaranteer হ'ব আমাৰ চৰকাৰ । গতিকে আমাৰ বহুত সুবিধা কৰি দিছে। Swami Vivekananda Assam Youth Empowerment ৰ লগতে MSME Guarantee Scheme ৰো সুবিধা লবৰ কাৰণে আমাৰ যুৱক সকলক সজাগ কৰিবৰ কাৰণে Motivation ৰ প্ৰয়োজন। সভাপতি মহোদয়, আমাৰ খুব ভাল লাগিছে যে Sustainable Development এটা লক্ষ্যত আমি মহিলা সবলীকৰণৰ কথাও কৈছো। আমি কৈছো যে, We will try to eliminate all forms of discriminitions against women. আমি মহিলা সকলক সকলো ধৰণৰ সুৰক্ষা প্ৰদান কৰিম। গতিকে এই মুহূৰ্তত মই চৰকাৰ খনক ধন্যবাদ জনাইছো। Fast track Court গঠন কৰা হৈছে। কিন্তু First track Court গঠন কৰাৰ আগত যাতে অপৰাধ নহয় তাৰ ব্যৱস্থা ল'ব লাগিব ।অপৰাধ নিৰ্মূলৰ ব্যৱস্থা কৰিবৰ কাৰণে যিসকল দোষী, তেওঁলোকৰ লগতে তেওঁলোকৰ ঘৰ বা পৰিয়ালক যদি সমাজৰ পৰা বেলেগ কৰি দিয়া হয় বা সামাজিক ভাৱে শাস্তি দিয়া হয় তেতিয়াহে সেই ঘৰৰ সেই যুবকজন ঠিক থাকিব বুলি আমি ভাৱো।সেই দায়বদ্ধতাটো আনিবলৈ চেষ্টা কৰা হওক। যেতিয়ালৈকে পৰিয়াল Involve নহয় তেতিয়ালৈকে এই উটনুৱা যুৱক সকল ভাল নহ'ব। ইয়াৰ লগতে মই আৰু এটা দাবী কৰো। First track Court গঠন কৰাৰ পাছত দোষী সকলৰ শাস্তি কিন্তু ফাঁচী হ'ব লাগিব। আমাৰ সকলো বিধায়িকাৰে দাবী এইটো । এই সংক্ৰান্তত আমি অধ্যক্ষ মহোদয়লৈ এখন লিখিত জাননীও দিছো। মই আৰু বিশেষ নকওঁ, আমি বিচাৰিম যে এই Sustainable Development ৰ যিটো যাত্ৰা, এই উন্নয়নৰ যাত্ৰাত আমি সকলো বিধায়ক-বিধায়িকাই যাতে একেলগে কাম কৰো আৰু ২০৩০ ৰ লক্ষ্যত উপনীত হওঁ। আমি যাতে গৌৰৱেৰে ক'ব পাৰো যে We were there at that time.এইটো আজি আমাৰ এটা উল্লেখযোগ্য সময়, আমাৰ কাৰণে সকলোৰে গৌৰৱৰ বিষয়। ধন্যবাদ।

**মাননীয় সভাপতিঃ** ধন্যবাদ। এতিয়া আমাৰ মাননীয় সদস্য ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়াক ক'বলৈ অনুৰোধ জনাইছো।

**শ্ৰী ৰূপজ্যোতি কূৰ্মী ঃ** মাননীয় সভাপতি মহোদয়, SDG ৰ ওপৰত মোক বক্তব্য ৰাখিবলৈ

সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। বক্তব্য ৰখাৰ আগত মই অলপ প্ৰভুৰ নাম ল'ব বিচাৰিছো-

"হৰে কৃষ্ণ, কৃষ্ণ কৃষ্ণ
হৰে ৰাম, ৰাম ৰাম।
হৰে ৰাম, ৰাম ৰাম
হৰে কৃষ্ণ, কৃষ্ণ কৃষ্ণ ।।"

সৃষ্টিকৰ্তা ঈশ্বৰ ভগৱানৰ নাম লৈ মই বক্তব্য দাঙি ধৰিব লৈছো। SDG ৰ ওপৰত আমি বিভিন্ন জনৰ বক্তব্য শুনিছিলো আৰু সময় উলিয়াই পঢ়িবলৈয়ো চেষ্টা কৰিছিলো, Shri Anurag Goel, Dr. Usha Jamani, Dr. J.B. Prasad Shetty, Dr. M Choudhury ৰ লগতে Prof Sebastian Morris আৰু অন্যান্য সকলৰ। আমি সকলোৱে জানো যে, ২৫ চেপেম্বৰ ২০১৫ চনত United Nation ত SDG ত এটা সুন্দৰ, মহান Concept ৰ বিষয়ে আলোচনা হৈছিলে। সেই সময়ত ২০১৫ চনৰ চেপ্তেম্বৰ মাহৰ ঠিক কেইদিনমান পাছত অসম বিধানসভাতো Sustainable Development Goal উপস্থাপন কৰা হৈছিল। সৌভাগ্যক্ৰমে যিহেতু মই আগৰে পৰাই বিধায়ক হৈ আছিলো এই Concept টো আমি পাইছিলো। কিন্তু বিশদভাৱে যেনেধৰণে আলোচনা হ'ব লাগিছিল তেনেদৰে নহ'ল। SDG ৰ ওপৰত বৰ্তমানৰ মাননীয় অধ্যক্ষ, ডঃ হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই দুদিনীয়াকে আলোচনা কৰাৰ এটা সুযোগ দিলে তাৰ বাবে মই তেওঁক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। SDG ত স্পষ্টভাৱে লিখা আছিল যে Political will is the Corner Stone of the Goal. ইয়াত ১৭ টা লক্ষ্যৰ কথা উল্লেখ আছে। সন্মানীয় সদস্য সকলে ইতিমধ্যে এই লক্ষ্য সমূহৰ বিষয়ে কম-বেছি পৰিমাণে কৈ ছে আৰু ২০৩০ লৈকে আমি কেনেদৰে আগুৱাই যাব পাৰিম তাৰ ওপৰত পৰামৰ্শ আগবঢ়াইছে। মই ব্যক্তিগত ভাৱে প্ৰত্যেকজন বিধায়ককে তাৰ কাৰণে ধন্যবাদ জনাইছো। ১৭ টা লক্ষ্যৰ কথা উল্লেখ আছে যদিও মই ৬ টা মান Goal ৰ কথা ক'ব বিচাৰিছো -Zero Poverty, Zero Hunger, Health & Well being, Quality Education & Gender Equality. মই SDG ৰ কিতাপলৈ যাব বিচৰা নাই। ইয়াত লিখা আছে Everything for everyone by everyone. গণতান্ত্ৰিক দেশত ৰাইজে প্ৰতিবাদ কৰিব পাৰে। কিন্তু বি জে পি ৰ মিত্ৰজোঁটৰ চৰকাৰখন অহাৰ পাছতে ৰহাত AIIMS ৰ কাৰণে প্ৰতিবাদ কৰিবলৈ অহা লৰা এজনক গুলিয়াই মাৰি পেলালে আৰু এই দুবছৰত শেহতীয়াকৈ ডিমা হাছাওত অসমৰ মাটি ৰক্ষনা-বেক্ষন দিব লাগে বুলি আন্দোলন কৰিবলৈ অহা লোক এজনকো গুলিয়াই মাৰিলে। --হুলস্থুল------------ মোক ক'বলৈ দিয়ক, হস্তক্ষেপ নকৰিব। --------হুলস্থুল------------------।

**মাননীয় স ভাপতি ঃ** Sustainable Development ৰ মূল কথাখিনি কওক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** Rubber Bullet কিনিলেনে নাই? এইটো পাহৰি যাব পাৰে মই মনত পেলাই দিছো। ছাৰ, আপোনাৰ সমষ্টিত কাৰোবাক গুলীয়াই মাৰিলে আপুনি ভাল পাব জানো? আজি ডিমা হাছাওৰ বিধায়ক সকলে কেতিয়াও এই বিষয়টো ভাল পোৱা নাই। Rubber Bullet কিনিব লাগে। Tear Gas ও যদি নাই , কিনক। Water Cannon যদি নাই, কিনক। পুঁজি যদি নাই তেতিয়াহলে মোৰ বিধায়ক পুঁজিৰে লাগিলে এমাহৰ দৰমহা মই দি দিম। Water Cannon কিনি অসম চৰকাৰ প্ৰস্তুত হৈ থাকক। ---হুলস্থুল------------

**মাননীয় সভাপতিঃ** মাননীয় সদস্য, SDG এটা গুৰুত্বপূৰ্ণ বিষয় গতিকে মূল বিষয়টোৰ লগত

আন বিষয় যাতে dilute কৰি দিয়া নহয়।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** সভাপতি মহোদয়, অসম বিধান সভাৰ অধ্যক্ষই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি প্ৰথম বাৰৰ বাবে SDG শীৰ্ষক এটা নতুন বিষয় আনিছে। মই বৰ minutely, সকলোৰে বক্তৃতা বোৰ শুনিছোঁ আৰু প্ৰত্যেকেই বৰ সুন্দৰকৈ বক্তৃতা দিছে যিবোৰ শুনি মই নিজেই আপ্লুত হৈছোঁ। সেয়েহে, মই মিত্ৰজোঁট আৰু শাসক পক্ষৰ সকলো বিধায়কক আহ্বান কৰিছোঁ যে যিয়ে যেনে ধৰণে ক'ব বিচাৰিছে তেওঁলোকক ক'বলৈ দিয়ক কিয়নো সকলোৰে কথা নিশ্চয় ৰেকৰ্ড হৈ আছে।

(সদনত পুনৰ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

মই সকলোকে আহ্বান কৰিছোঁ, please maintain silence. ইয়াত বহুত কলেজৰ ছাত্ৰ-ছাত্ৰী বহি আছে, আমাৰ কথাবোৰ শুনি আছে, গতিকে এই ক্ষেত্ৰত তেওঁলোকে আমাৰ পৰা এনে ধৰণৰ lesson শিকিব নালাগে। সেয়েহে মই সকলো মাননীয় সদস্যকে অনুৰোধ কৰিছোঁ to maintain silence. SDG ৰ বিষয়টো এটা ভাল বিষয়। SDG মানে হ'ল যিটো development হৈছে সেইখিনি long run লৈকে sustain কৰিব লাগে আৰু এই development টোৰ লগতে সংগতি ৰাখি আমাৰ সন্মানীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা আৰু শ্ৰী ভূৰন পেগু ডাঙৰীয়াই employment আৰু poverty ৰ বিষয়ে ধুনীয়াকৈ বিশ্লেষণ কৰিছে। ইয়াৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখন নিশ্চিত যে এই development খিনি আমি sustain কৰিমেই আৰু সেই উদ্দেশ্যেই এই আলোচনা ৰখা হৈছে। গতিকে আপোনালোক সকলোৱে silence maintain কৰি আলোচনাখিনি যাতে আগবঢ়াই লৈ যায়। Thank you.

**মাননীয় সভাপতিঃ** Rupjyoti Kurmi, please continue .

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মাননীয় সদস্য (মৰিয়নী)ঃ** সভাপতি মহোদয়, ইয়াত Single Synergized Initiative হ'ব লাগে। যোৱাকালি Social Welfare ৰ ওপৰত আলোচনা হৈছিল। শাসক-বিৰোধীৰ সকলো বিধায়কে থিয় হৈ চিঞৰি ক'বলগীয়া হৈছিল যে- Block level ত Vigilance and Monitoring Committee ৰ সভা হ'ব লাগে, কিন্তু এই সভাবোৰ হোৱা নাই। এই ক্ষেত্ৰত মই কেইটামান বিভাগ আঙুলিয়াই দিব বিচাৰিছোঁ। চক্ৰ বিষয়াৰ পৰ্য্যায়ত একো একোখন সভা সমিতি আছে আৰু সেই সভা সমিতিত বিধায়ক সকল সভাপতি হিচাপে আৰু তাৰ সদস্য হিচাপে ক্ৰমে চাহ-বাগিচাৰ এজন শ্ৰমিক, ADC (Revenue) আৰু Circle Officer জন থাকে। কিন্তু সেই সমিতিবোৰত সভা অনুষ্ঠিত হোৱা নাই। আনহাতে, প্ৰত্যেক Sub-Division ৰ Engineering level ত এখন সমিতি আছে আৰু সেই সমিতিৰো সভাপতি হিচাপে বিধায়ক, সদস্য হিচাপে S.D.O. জন আৰু এজন সমাজকৰ্মী থাকে । কিন্তু, সেই সমিতিবোৰৰো সভা অনুস্থিত হোৱা নাই। DISHAৰ সভা খনত প্ৰত্যেক বিভাগ তথা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ আলোচনা হয়। এই সভাবোৰ quarterly basis ত যেনেধৰণেৰে হ'ব লাগিছিল তেনেধৰণেৰে হোৱা নাই। দেখা গৈছে যে, এক-ডেৰ বছৰৰ মূৰত এখন সভা হয়। যোৱা বছৰত যোৰহাটত মাত্ৰ এখন সভাহে হৈছে। গতিকে, এই যিবোৰ সমিতি আছে তাত সভাবোৰ ভালদৰে অনুষ্ঠিত নোহোৱা পৰিলক্ষিত হৈছে। Sustainable De-

velopment Goals ৰ ক্ষেত্ৰত আমি তেতিয়াহে আগুৱাই যাব পাৰিম যেতিয়া আলোচনাৰ মাধ্যমেৰে আসোঁৱাহ বোৰ আমি উলিয়াব পাৰিম। কিন্তু দেখা গৈছে যে, বৰ্তমানৰ চৰকাৰখনে সভা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বিভাগ সমূহক যেনে ধৰণে গুৰুত্ব দিব লাগে, তেনেধৰণে দিয়া নাই।

Foresight, Back casting, Think Resources ৰ বিষয়ে Sustainable Development Goals ত স্পষ্টভাৱে উল্লেখ আছে যে, resource ৰ সদ্ ব্যৱহাৰ কৰিব লাগে। কিন্তু এতিয়াৰ চৰকাৰ খনৰ ক্ষেত্ৰত দেখা গৈছে যে তেওঁলোকে নমামী ব্ৰহ্মপুত্ৰ, নমামী বৰাক পাতিছে, তাত পূজা-অৰ্চনাও কৰা কৰিছে আৰু এই পূজা-অৰ্চনা কৰাটো আমি সমৰ্থনো কৰিছোঁ। কিন্তু তাত নাচ-গানৰ অনুষ্ঠান পাতি বা ডাঙৰকৈ পেণ্ডেল সাজি অযথা টকা খৰছ কৰিব নালাগিছিল। SDG ৰ প্ৰথম goal টো আছিল No Poverty. পূৰ্বৰ চৰকাৰৰ দিনতো No Poverty, Zero Hunger ৰ ক্ষেত্ৰত যথেষ্ট খিনি ব্যৱস্থা লোৱা হৈছিল আৰু তাৰ বাবে মই পূৰ্বৰ প্ৰধান মন্ত্ৰী ডঃ মনমোহন সিং ডাঙৰীয়া, UPA দলৰ সভানেত্ৰী শ্ৰীমতী ছোনিয়া গান্ধী ডাঙৰীয়ানীৰ লগতে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছোঁ। কিয়নো বৰ্তমান সময়ছোৱাত মগনীয়া বা অৰ্থনৈতিক ভাৱে দুৰ্বল মানুহক দান দিবলৈ বিচাৰি নোপোৱাৰ নিচিনা পৰিৱেশ এটা হৈছে।

Role of MLAৰ বিষয়ে ইয়াত উল্লেখ আছে যে, MLAs-Leaders of SDGs at the field level and of change Management. কিন্তু SDG ত আমি দেখিছো যে ২০১৬ চনৰ জানুৱাৰী মাহত Vision 2030 ৰ কথা উত্থাপন কৰা হৈছিল। ইয়াৰ পিছত যদি আমি চাওঁ তেতিয়া দেখিবলৈ পাওঁ যে এই দুবছৰত SDG ৰ ক্ষেত্ৰত চৰকাৰ খনে যেনেধৰণে উদ্যোগ ল'ব লাগিছিল তেনেধৰণে লোৱা নাই।

( সদনত মাননীয় অধ্যক্ষৰ প্ৰৱেশ)

**মাননীয় অধ্যক্ষঃ** কেনে ধৰণৰ উদ্যোগ ল'ব লাগে আপুনি সেইটো কৈ দিয়ক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মাননীয় সদস্য (মৰিয়নী)ঃ** বৰ্তমানৰ অধ্যক্ষ মহোদয়ক মই ধন্যবাদ জনাম কাৰণ তেখেতে উদ্যোগ লৈছে। কিন্তু চৰকাৰখনে যি ধৰণে উদ্যোগ ল'ব লাগিছিল তেনেধৰণে লোৱা নাই। Micro level ত already meeting হৈ গ'ল কিন্তু তাত আমাৰ বিধায়ক সকলক জড়িত নকৰিলে।

**মাননীয় অধ্যক্ষঃ** আপুনি তেনেকৈ কিয় কৈছে? ২০৩০ চনৰ ভিতৰত আমাৰ লক্ষ্য ঠিক কৰা হৈছে। আমি যদি সকলোৱে মিলি এতিয়াৰ পৰা কাম কৰোঁ তেন্তে নিশ্চয় ভাল হ'ব। কিন্তু, আমি যদি ইজনে সিজনক দোষাৰোপ কৰি থাকো তেনেহ'লে আমি কেতিয়াও আমাৰ লক্ষ্যত উপনীত হ'ব নোৱাৰিম। আজি আমাৰ আলোচনাৰ মূলতে হ'ল এই লক্ষ্যত উপনীত হ'বলৈ কিছু উপায় বা দিহা-পৰামৰ্শ দিয়া। গতিকে আপোনালোকে কথাবোৰ যদি এনে ধৰণে লয় তেন্তে কেনেকৈ হ'ব। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া আপুনি চমুকৈ কৈ শেষ কৰক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মাননীয় সদস্য (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰ খনক কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছোঁ। অসমৰ বিভিন্ন জিলা বা সমষ্টিত আমি যেতিয়াই যাবলৈ সুবিধা পাওঁ তেতিয়া তাত বহু মানুহৰ মাটি এনেয়ে পৰি থকা দেখিবলৈ পাওঁ গতিকে এই ক্ষেত্ৰত এখন বিশেষ আইন প্ৰণয়ন কৰি মানুহবোৰে যাতে মাটিখিনি এনেয়ে পেলাই নথৈ তাত কৃষি খেতি, চব্জী খেতি কৰি খেতি বা অন্য শাক-পাচলি খেতি যিয়েই নহওঁক কৰিবই লাগিব। এনেকুৱা যদি এখন আইন আনিব পৰা যায় আমি ভাল হ'ব যেন অনুমান কৰো। দ্বিতীয়তে

মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। অধ্যক্ষ মহোদয়, আপুনি বহুত সৌভাগ্যবান যে আপোনাৰ সমষ্টিত বহুতো উদ্যোগ আছে। মোৰ ঘৰৰ সন্মুখতে DIC য'ত আছে তাত বিস্কুট ফেক্টৰীৰ পৰা আদি কৰি বেগ চিলোৱা ফেক্টৰীলৈকে বিভিন্ন ফেক্টৰী আছে, য'ত হাজাৰ হাজাৰ দুখীয়া নিবনুৱা লোকে কাম কৰে। গতিকে আমি যদি small scale industry ৰ ক্ষেত্ৰত গুৰুত্ব দিওঁ আৰু ইয়াত ছাগে বহুতো ব্যক্তি আগবাঢ়ি আহিবলৈ প্ৰস্তুত। মাথো তেওঁলোকক মাটিৰ প্ৰয়োজনীয়তা আছে। গতিকে তেওঁলোকক যদি আমি কৰবাত চৰকাৰী মাটি দিব পৰা অৱস্থাত আছে আৰু যদি কোনোবা ইচ্ছুক entrepreneur আগবাঢ়ি আহে আইনগত ভাৱে তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিব লাগে। Health ৰ ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে যদিও manpower shortage আছে, মই যোৰহাট মেডিকেল কলেজলৈ সঘনাই যাওঁ, গুৱাহাটী মেডিকেল কলেজত সমষ্টিৰ ৰোগী দৰ্শন কৰিবলৈ যাওঁ। ইয়াত দেখা পাইছো যে Grade- iv ৰ পৰা ward boy, ward girl, pharmacist ৰ পৰা আদি কৰি বিভিন্ন পদবীত মানুহ আছে কিন্তু Specialist ৰ shortage আছে। গতিকে চিকিৎসক selection কৰি যদি তেওঁলোকক short time ৰ ভিতৰত specialist বনাব পাৰে তেনেহ'লে চিকিৎসাৰ ক্ষেত্ৰত বহুতো সমস্যা দূৰ হ'ব বুলি মই পৰামৰ্শ আগবঢ়াইছো। (ব্লাড বেংকৰ ক্ষেত্ৰতো মই বহুখিনি আয়ত্ব কৰিবৰ চেষ্টা কৰিছো যিহেতু মই ৪১ বাৰ blood donate কৰিছো)।

শিক্ষাৰ ক্ষেত্ৰত মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে শিক্ষাৰ ক্ষেত্ৰত প্ৰায়োজনীয়তা, দক্ষতা অনুভৱ কৰি অভিজ্ঞতা চাই যদি আইনত শিথিলতা আনি নিযুক্ত কৰিব পৰা যায়, বৰ্তমান নিযুক্ত হৈ থকা শিক্ষক সকলক সন্মান জনাই তাৰ লগতে বিদ্যালয় সমূহক সন্মান জনাই সেই অঞ্চলৰ লোক সকলৰ প্ৰয়োজনীয়তাটো আয়ত্ব কৰি চৰকাৰ খনে তেওঁলোকক সন্মান জনাব লাগে বুলি আহ্বান জনাইছো। আমাৰ প্ৰত্যেক বিভাগৰ যিসকল official মই আপোনাৰ জৰিয়তে চৰকাৰখনক অনুৰোধ জনাব বিচাৰিছো যাতে মাননীয় মন্ত্ৰী সকলে বিহীত ব্যৱস্থা লয়। প্ৰত্যেক বিভাগৰ বিষয়া সকলৰ সৈতে সমষ্টি ভিত্তিত একোখনকৈ সভা অনুষ্ঠিত কৰাৰ কথা ইতিমধ্যে অধ্যক্ষ মহোদয় আপুনি কৈছে। মই এইটো কাৰণে অনুৰোধ জনাইছো যে যদি বিষয়া সকলে প্ৰত্যক্ষ ভাৱে চাই আহে যে সমস্যাবোৰ কেনেধৰণে সমাধান কৰিব পাৰি তেতিয়াহে আমি Sustainable Development Goal ৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিম। দিছপুৰত বহি বিষয়া সকল যেনে - Principal Secretary, Commissioner & Secretary সকলে প্ৰত্যক্ষ ভাৱে নেদেখিলে বুজি নাপাব। তেওঁলোকে theory তে থাকি যাব। practical experience নহ'ব বুলি আমি অনুভৱ কৰি মই অনুৰোধ জনাইছো যে বিষয়া সকলে প্ৰত্যেক প্ৰত্যেক সমষ্টিতে field level ত যায়। মাননীয় অধ্যক্ষ মহোদয়, Sustainable Development Goal ৰ গুৰুত্বপূৰ্ণ বিষয়টো আলোচনাৰ বাবে দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। আপুনি climate change ৰ যিটো video ৰ দৰ্শন কৰালে, যদি এইটো অসমৰ প্ৰত্যেক জনসাধাৰণৰ কাৰণে উপলব্ধ কৰোৱা যায় Facebook, whatsapp etc. প্ৰত্যেকতে যদি যোৱাৰ ব্যৱস্থা কৰায়, আমাকো যদি বিধায়ক সকলক দিয়ে তেতিয়া আমিও সমষ্টিত প্ৰচাৰ কৰিব কৰিব পাৰিম। তাৰ বাবে মই আপোনাক অনুৰোধ জনালো আৰু সন্মানীয় এই পবিত্ৰ সদনত বিৰোধী সকলে আমাক ক'বৰ বাবে উৎসাহ জনালে গতিকে সকলোকে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**Hon'ble Speaker :** Thank you. এতিয়া মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Sustainable Development Goal বা দীৰ্ঘকালীন উন্নয়নৰ লক্ষ্যৰ বিষয়ে দুআষাৰ ক'ব দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। এই বিষয়টো এক কথাত ক'বলৈ গ'লে উন্নয়নটো দীৰ্ঘকালীন হ'ব লাগিব আৰু দ্বিতীয়তে, উন্নয়নটো বহন ক্ষম হ'ব লাগিব যে আমি কিমানলৈকে বহন কৰিব পাৰো। আমাৰ ভাৰতবৰ্ষত যিহেতু ২৯ খন ৰাজ্য আছে তাৰে Developed State ৰ বহন ক্ষমতাটো আমাৰ লগত নিমিলিব। ইয়াত অলপ different হ'ব। সেইবাবে খুব সম্ভৱ এই বহন ক্ষম শব্দটো ব্যৱহাৰ কৰা হৈছে। আমি আপোনাক ধন্যবাদ জনাইছো এই কাৰণেই যে চেপ্তেম্বৰ, ২০১৫ ত ৰাষ্ট্ৰসংঘই এই প্ৰস্তাৱটি লৈছিল। আজি ২০১৮ তিনিবছৰ হৈ গ'ল। এই কথাখিনি আমি আলোচনা কৰি থাকো কিন্তু এই কথাখিনিয়েই যে Sustainable Development Goals কথা সেইটো আমি নাজানো। আজি বিধান সভাত শ্ৰী ভূবন পেগু ডাঙৰীয়াৰ বাহিৰে আটাইকেইজনেই দলীয় বিধায়ক আৰু সকলো দলতেই যি ১৭ টা Goals ৰ কথা কোৱা হৈছে প্ৰত্যেকটো দলৰ নিৰ্বাচনী ইস্তাহাৰত এই কথাবিলাক কোৱা হয়। এই কথাবিলাক ২০১৫ চনত ৰাষ্ট্ৰসংঘই এটা নিৰ্দিষ্ট design ত frame কৰি ভালকৈ উত্থাপন কৰিছে। এইবিলাকেই যে Sustainable Development Goals মই ব্যক্তিগত ভাৱে জনা নাছিলো। বহুতে হয়তো জানিব পাৰে। তাৰ বাবে আপোনাক আমি ধন্যবাদ জনাইছো। ২০১৫ চনত ৰাষ্ট্ৰসংঘই লোৱাৰ পিছত অসম চৰকাৰে ২০১৫, 1st December ত যিটো interaction কৰিছিল চৰকাৰী বা চৰকাৰী বিষয়া সকলে আমাক জনাইছিল যে এই পদক্ষেপ লোৱা অসমখন পৃথিৱীৰ ভিতৰত প্ৰথম ৰাজ্য। এইটো বহুত ডাঙৰ কথা। এই কথাটোত মই অৱগত নহয়। অথাৎ গোটেই কথাটোৰ পৰাই আমি আঁতৰত আছো। গতিকে যিখিনি সুবিধা আপুনি আমাক দিলে তাৰবাবে ধন্যবাদ জনাইছোঁ। অলপ আগতে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে কৈ গৈছে যে Members Hour হওঁক বা Speaker's initiative হওঁক বা ৩০১ ত ইমান কেইটা matter অনাই হওঁক বহুখিনি develop আপুনি কৰিছে। বিশেষকৈ Sustainable Development Goal ৰ ক্ষেত্ৰত আপোনাক বিশেষভাৱে ধন্যবাদ জনাইছো। ২০১৬ ৰ অক্টোবৰত Vision Assam 2030 ৰ ভিতৰত কৰিম বুলি যিবিলাক ওলাইছে আৰু Assam Agenda ৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰি উলিওৱা হৈছে ২০৩০ ৰ ভিতৰত এইবোৰ কৰিবলৈ। ইয়াত কিছু কথাত বহুত দুখ লাগে যে No.1 Goal যিটো below poverty অৰ্থাৎ কোনো ধৰণৰ দৰিদ্ৰতা থাকিব নালাগিব। আজি ভাৰতবৰ্ষ স্বাধীন হোৱাৰ ৭০ বছৰ পিছত এই আলোচনাটো কৰিব লগীয়া হৈছে যে আমাৰ কোনো ধৰণৰ দৰিদ্ৰতা থাকিব নলাগে। World Bank ৰ এটা report বা record মোৰ হাতত আছে ২০১১-১২ ত India ৰ ২১% মানুহ দুখীয়া আছিল আৰু ২০১৭ত ১২.৪ % হ'ল অৰ্থাৎ বহুত কমি আহিছে। এতিয়া কথাটো হ'ল what is the definition of poverty? আমি ইয়াত যিটো below poverty line বুলি কওঁ ৰাষ্ট্ৰসংঘত সেইটো Global poverty line বুলি মানদণ্ড নিৰ্ধাৰণ কৰে। Report ত World Bank এ এটা figure নিৰ্ধাৰণ কৰি দিছে যে 1.9 Doller. অৰ্থাৎ এদিনত 1.9 Doller যিজন মানুহে খৰছ কৰিব পাৰে বা তেখেতৰ আছে সেইজন মানুহ দুখীয়া। 1.9 Doller টো Rupees লৈ transfer কৰিলে ১২৩.৫০ টকা। অৰ্থাৎ এইখিনি থাকিব লাগে। এইটো হৈছে ৰাষ্ট্ৰসংঘ বা World Bank এ কোৱা কথা । কিন্তু ভাৰতবৰ্ষত এইটো প্ৰযোজ্য নহয়। যদিও আমাৰ ভাৰতবৰ্ষ ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰ ভাৰতবৰ্ষৰ আগৰ Planing

Commision ত Montek Singh Ahluwalia যেতিয়া Vice Chairman আছিল তেতিয়া তেখেতে এটা মানদণ্ড ঠিক কৰিছিলে যে BPL
কাক কোৱা হ'ব? তাত তেখেতে কৈছিল যে rural area ত যিজন মানুহে ২৭ টকা daily খৰছ কৰিব পাৰিব আৰু urban ত ৩৩ টকা যিজনে খৰচ কৰিব পাৰে। এজন মানুহৰ মাত্ৰ ২৭ বা ৩৩ টকা খৰছ কৰাৰ capacity থকাজন দুখীয়া অৰ্থাৎ কিমান তলৰ পৰ্য্যায়ত আমি এতিয়ালৈকে আছো। এইখিনিতে মই এটা কথা কওঁ কাকো criticise কৰিব বিচৰা নাই Montek Sing Ahluwalia যেতিয়া Planing Commision ৰ Vice Chairman আছিল এই report টো submit কৰাৰ ৭-১০ দিন পিছতেই Planing Commision ৰ আনুমানিক ৩৩ কোটি টকাৰ যিটো টয়লেট নিৰ্মাণ কৰিছিলে তেতিয়া খুব হুলস্থুল লাগিছিল। ফিগাৰ টো মোৰ ভালদৰে মনত নাই। গতিকে এটা কথা Commision এ আমাক ঠিক কৰি দিয়ে যে ৩৩ টকা ইনকাম কৰিলে ধনী মানুহ আৰু তেওঁলোকৰ লেট্ৰিণ, বাথৰুমৰ দাম কেইবাকোটি টকা হয়। গতিকে আমি এনেকুৱা পৰ্য্যায়ত আছো। অসমৰ ক্ষেত্ৰত যদি আমি চাওঁ ২০০৪-০৫ ত আছিল ৩৪.৪ শতাংশ BPL, ২০০৯-১০ ত আছিল ৩৭.৯ শতাংশ। এটা huge হিচাপ। ৩৭.৯ শতাংশ অৰ্থাৎ ৩৮ শতাংশ আৰু এটা statement মোৰ হাতত আছে Union Rural Development Minister ৰ তেখেতে statement টো দিছিলে ১১ এপ্ৰিল ,২০১৭ ত। তেখেতে দিছিলে যে ৩১.৯৮ শতাংশ অৰ্থাৎ ৩২ শতাংশ মানুহ অসমত below poverty line ত আছে। ইয়াত চাৰ, চৰকাৰখনে আমাৰ যিটো Assam Agenda 2030 দিছে Our dream our commitment. ইয়াত চাৰ, মই figure ৰ controversyত যোৱা নাই। মই মাত্ৰ বৰ্তমানৰ অৱস্থাটোহে বৰ্ণনা কৰিব বিচাৰিছোঁ। ইয়াতUnion Rural Development Minister য়ে ক'লে যে, প্ৰায় 32% মানুহ below poverty line ত আছে। ইয়াত আমাৰ চৰকাৰখনে ক'লে Government of Assam pledge to reduce the poverty ratio from 27.3% in 2015. অলপ controversy আছে। মই controversyত যোৱা নাই। মোৰ বক্তব্যৰ উদ্দেশ্য টো হ'ল যে, percentage টো 33 বা হওঁক 27 য়েই হওঁক। ইমানখিনি মানুহ যদি দেশ এখন স্বাধীন হোৱাৰ ৭০ বছৰৰ পিছতো দুখীয়া হৈ থাকে, এইটো বহুত ডাঙৰ কথা, ভয়ংকৰ কথা। গতিকে আমি ইয়াত যি দলৰ মানুহেই নহওঁক, শাসকীয় হওঁক, বিৰোধী হওঁক আমি Governtment Formation ৰ যিটো চিষ্টেম আমি সকলোৱেই Political মানুহ। গতিকে Government Formation তহে আমি বেছি গুৰুত্ব দিওঁ। ইয়াতকৈ বেছি গুৰুত্ব দিব লাগে Governance. মানে Government তকৈ Governance ত বেছিকৈ গুৰুত্ব দিব লাগে এইটো আপোনাৰ জৰিয়তে চৰকাৰৰ প্ৰতি মোৰ অনুৰোধ। দ্বিতীয়তে Zero Hunger এতিয়াও চাৰ, কথাটো একেটাই। এতিয়া চাৰ, আজিৰ এই একবিংশ শতিকাতো দুৰ্ভিক্ষত মানুহৰ মৃত্যু হ'ল। Times of Indiaৰ ৩১ অক্টোবৰ ২০১৭ ত এটা Report ৰ ওলাইছিল। গোটেই Report টো মই নপঢ়োঁ। মাত্ৰ এটা লাইন পঢ়ি দিছোঁ। Hunger in India worst than in Nepal. এইটো এটা মাৰাত্মক কথা। Times of India ত ওলাইছে ৩১ অক্টোবৰ ২০১৭ ত । তাৰমানে আজি মাত্ৰ ছয় সাত মাহ মানে হৈছে। এইটো ৰিচেণ্ট বুলি ক'ব পাৰি। নেপাল আমাতকৈ বহুত পিছপৰা ৰাষ্ট্ৰ। কিন্তু Hunger ৰ ক্ষেত্ৰত চাওক Time of India ই কি কৈছে। Hunger in India is worst than in Nepal.এইটো আমি বহুত কিছু কৰিব লাগিব। মাননীয় বিধায়ক শ্ৰী ভূবন পেগু ডাঙৰীয়াই কৈ গৈছে যে, বাৰ বছৰত আমি কেনেকৈ

কৰিব পাৰিম। এইটো বহুত কিছু কৰিব লাগিব। বাৰ বছৰে কভাৰ কৰে নকৰে সন্দেহ আছে। î Â ±ÂË ÂßÁ1Â ù ±áÂ¼©ÊÂßÁ1Â ù ±áÂ¼ইয়াত কথা ওলাইছে। India is home to the worlds largest food insecure population. মই এটা লাইনো ইফাল সিফাল কৰা নাই। Times of India ৰ Report ৰ দুটামান লাইন পঢ়ি দিছোঁ। India is home to the worlds largest food insecure population with more than two hundred Million people who are hungry. এইটো চাৰ, ধেমালিৰ কথা নহয়। আৰু Times of India ৰ recognisation টো আমি জানো। ইয়াত তেওঁলোকে অসম সম্পৰ্কে কি লিখিছে যে, Assam doesnot have shown much improvement in its help and nutrition indicators with 36.4% children under 5 years of children stunted. এইটো বহুত ডাঙৰ কথা। যিটো গ্ৰোথ হ'ব লাগিছিল, হোৱা নাই 5 years ত। ইয়াৰ লগত মই এটা কথা ক'ব বিচাৰিছো। এই যে যিটো কথা ক'লে তিনিনম্বৰ Goal টোৰ লগত এইটো জড়িত। Good health and well being আপুনি চাৰ, এজন জ্যেষ্ঠ অধিবক্তা। যদিও আপুনি এতিয়া চেয়াৰত আছে। Article 21 IndianConstitution য়ে কয় Right to life. জীয়াই থকাৰ অধিকাৰ । গতিকে Good health and well being টো জীয়াই থকাৰ অধিকাৰৰ লগত জড়িত। গতিকে মই যিটো Times of India ৰ ৰিপৰ্ট দিলো, এইটো জীয়াই থকাৰ লগত জড়িত কথা । ইয়াত চাৰ এটা কথা মাত্ৰ মই উনুকয়াই দিছোঁ যে, তিনিনম্বৰ Goal, Good health and well being এইটো ক্ষেত্ৰত ক'ব বিচাৰিছো ভাৰতবৰ্ষৰ ২৯ খন ৰাজ্যৰ ভিতৰত Health Index, World Bank, নীতি আয়োগ এওঁলোকে মিলি আৰু Ministry of Health and Family Welfare. এই তিনিটা বিভাগে মিলি Health Index Prepare কৰিছিল। তাত চাৰ, ভাৰতবৰ্ষৰ ভিতৰত অসমৰ স্থান ২১। লাজ লগা বুলি মই নকওঁ। কিন্তু বাস্তৱ সত্যতো বহুত হ'ল বহুত তলত। এতিয়াও আমি বহুত কৰিব লগা আছে Health ৰ ক্ষেত্ৰত। চাৰিনম্বৰ Goal টো Quality Education. ইয়াৰ পাছৰ মাত্ৰ আৰু এটা touch কৰি শেষ কৰি দিম। Quality Education ৰ ক্ষেত্ৰত যদি মই মোৰ লক্ষীমপুৰৰ উদাহৰণ এটা দিম। লক্ষীমপুৰৰ কেইবাটাও Block Elementary Education Office আছে তাৰ পাছত বিহপুৰীয়া , নাৰয়ণপুৰ আৰু নাওবৈচা। এই তিনি ঠাইত মাত্ৰ দুখন তিনিখন স্কুলৰ অৱস্থা চাওঁ, মই নকওঁ চৰকাৰে খনে কৰা নাই। কৰি আছে আৰু বহুত কৰিব লাগিব। সিদিনা মাননীয় শিক্ষামন্ত্ৰীয়েও কৈছে Educationসম্পৰ্কত বহুত Reformation ৰ কথা কৈছে। আমি ভাল পাইছোঁ। ইয়াত চাৰ, এইটো বিহপুৰীয়া Elementary Education Office ৰ পৰা Report মই আনিছো। ইয়াত চাৰিনম্বৰ ভৰ্মপুৰ এল.পি স্কুলত এজন শিক্ষক, TET ৰ Contractual ১০৬ জন ছাত্ৰ-ছাত্ৰী। এনেকুৱা বহুত আছে। দুটা তিনিটা উদাহৰণ দি সম্যক ধাৰণাটো দিবলৈ চেষ্টা কৰিছোঁ। দুইনম্বৰ তেহতেলীয়া এল.পি স্কুলত এজন Contractual শিক্ষক আৰু ১১৫ জন ছাত্ৰ-ছাত্ৰী। তাৰ পাছত ইছলামপুৰ দৌলতপুৰ এল.পি স্কুল , এইখনত মই নিজে পঢ়িছোঁ। ইয়াত মাত্ৰ ২ জন শিক্ষক ১৫০ জন ছাত্ৰ। নাওবৈচাত একনম্বৰ বৰগোলা এল.পি স্কুলত ১৩৬ জন ছাত্ৰ-ছাত্ৰী আৰু মাত্ৰ ২ জন শিক্ষক। No. 1 Bijupothar LP School ত ২১৪ জন ছাত্ৰ-ছাত্ৰী। আনফালে নাৰায়ণপুৰত অতোৱা চাপৰি এলপি স্কুল ছাত্ৰ-ছাত্ৰী এজনো নাই, শিক্ষক ২ জন। Report Government ৰ পৰা আনিছো। এনেকুৱা বহুত উদাহৰণ আছে। বীনাপানী এম ই স্কুলত ৮ জন ছাত্ৰ-ছাত্ৰী ৫ জন শিক্ষক। এই যে, নাওবৈচা , নাৰায়ণপুৰ আৰু

বিহপুৰীয়া ইয়াৰ Details আছে মোৰ হাতত। এইটো যদি আমি Rationalise নকৰোঁ। গোটেই অসমৰ অৱস্থাটো একে। মই just ধাৰণা এটাহে দিলোঁ । গতিকে আমাৰ শিক্ষা বি ভাগে এই কথাটো খুব গভীৰ ভাবে আৰু কঠোৰ ভাবে চাব লাগিব। গতিকে এই কথাখিনি যাতে মন কৰে। ইলেক্ট্ৰিচিটি নোহোৱা পৃথিৱী কল্পনাৰ অতীত। অলপ আগতে আপুনি Climate Change ৰ সম্পৰ্কে দেখুৱালে। আজি যদি ইলেক্ট্ৰিচিটি নাথাকিলেহেঁতেন ইয়াত চাব নোৱাৰিলোহেঁতেন। ইলেক্ট্ৰিচিটি ইমান important.

**মাননীয় অধ্যক্ষ ঃ** Electricity is the Petrol of life. আজিৰ তাৰিখত ।

**শ্ৰী ইমদাদুল হক চৌধুৰী, নাওঁবৈচা ঃ** হয় চাৰ। গতিকে মাননীয় বিধায়ক শ্ৰী অশোক সিংঘাল ডাঙৰীয়াই এটা খুৱ মূল্যবান কথা কৈ গৈছে। যে এই SDG ৰ ক্ষেত্ৰত আমি কোনো ধৰণৰ ৰাজনীতি কৰিব নালাগে। আমি ৰাজনীতিৰ উৰ্দ্ধত থাকিব লাগে। এতিয়া গেৰুকা মুখৰ এটা প্ৰকল্প হৈ আছে ,আপুনি জানে। এইটো যদি মই কৈ যাওঁ, হুলস্থূল হ'ব। যোৱাবাৰ আমি আন্দোলন কৰোঁতে কংগ্ৰেছে ইমান মাৰপিট কৰি আমাক অত্যাচাৰ কৰিলে, তেতিয়া Parliamentary Affairs Minister আপুনি যিখন ষ্টেজত মিটিংত লেকচাৰ দিছে ইয়াৰ বিৰুদ্ধে তেতিয়া মইও তাত আছিলো। তেতিয়া আপুনি অগপ ৰ সভাপতি, এতিয়া আপোনালোকে কৈছে বনাব। গতিকে এইটো চাৰ, Political Game. ইয়াত থকা মানুহখিনিয়ে তেতিয়া কৈছিলে, এইটো হ'ব। এতিয়া কৈছে ভাঙি দিম। তাত থকা মানুহখিনিয়ে তেতিয়া কৈছিল, আমি বনাব নিদিও। এতিয়া কৈছে আমি হ'লে বনাম। এই যিটো মেইন কথাটো হ'ল পাৱাৰ আমাক লাগে। ইলেক্ট্ৰিচিটি আমাক লাগে। Down stream ৰ মানুহখিনিৰ যাতে কোনো ক্ষতি নহয়। Down stream ৰ মানুহখিনি যাতে কোনো ক্ষতি নোহোৱাকৈ কাৰেণ্ট প্ৰডাক্টশ্যন হয় আৰু কাৰেণ্ট প্ৰডাক্টশ্যন হোৱাৰ পিছত আমি অসমে কি পাম। সেইটো ডাঙৰ কথা। মাননীয় বিধায়ক শ্ৰী ৰণোজ পেগু ডাঙৰীয়াই এই আন্দোলনৰ গুৰি ধৰোতা আছিল। বহুত ঘূৰিছো তেওঁলোকৰ পিছত, এইবিলাক লৈ কিন্তু এতিয়া তেওঁ কৈছে, এইটো হ'ব লাগে। এই Politics টো যাতে নহয়। মই আগতে কৈছোঁ বিতৰ্কত মই নাযাওঁ। Politics ৰ ওপৰত গৈ এই কাম কৰিব লাগে। শেষত এটা কথা Goal No. 17 last. ইয়াত Partnership টো achieve the Goal এই ক্ষেত্ৰত আপুনি যেনেকৈ আমাক জড়িত কৰিছে, এই ১৭ টা Goal ত মানুহৰ মাজত নিয়াৰ ক্ষেত্ৰত এজন মাননীয় বিধায়ক হাজৰিকা ডাঙৰীয়াই কৈ গৈছে, Micro level লৈকে যাব লাগে। ইয়াত যদি এইটো হয়, ৰাইজৰ উপকাৰ হ'ব। আৰু গোটেই কামখিনি ১ৰ পৰা ১৭ টা লৈকে যি কেইটা Goal আছে, এই কামখিনি যদি আমি সততাৰে কৰো তেতিয়াহে ২০৩০ ৰ ভিতৰত এই যিটো Assam Agenda যিটো আপোনালোকে উলিয়াইছে, চৰকাৰে উলিয়াইছে, এইটো হ'ব সততাৰে। যদি আধামিনিট সময় দিয়ে সততাৰ উদাহৰণ দি মই শেষ কৰিম। শৰৎ চন্দ্ৰ সিংহ যেতিয়া মুখ্যমন্ত্ৰী নহয়, ১৯৬৭ চনত ইলেকশ্যন খেলিবৰ কাৰণে তেওঁৰ দলৰ, দলৰ নামটো মই নকওঁ, কাৰণ পাৰ্টিৰ above ত মই কথাটো কৈ আছোঁ। ১৯৬৭ চনত ইলেক্টশ্যন খেলিবলৈ তেখেতক তেওঁলোকৰ পাৰ্টিৰ Election Commission ৰ Chairman এ টকা দিলে ৭৫০ টকা। ৫০০ টকাৰে তেখেত ইলেকশ্যন জিকি আহি আঢ়ৈশ টকা ঘুৰাই দিছে। আৰু Chairman আছিল undivided লক্ষীমপুৰৰ ললিত দলে। তেখেত বহুত ভাল মানু হ আছিল। ললিত দলেক তেখেতে ঘূৰাই দিছে। শৰৎ সিংহ চাৰে ক'লে যে আঢ়ৈশ টকা মোৰ বাচিল ৫০০ টকাত মই ইলেকশ্যন জিকি গলোঁ, এই আঢ়ৈশ টকা মই নলওঁ। ললিত দলে ডাঙৰীয়াই ক'লে মই হিচাপ ওপৰত দি দিছোঁ। এই আঢ়ৈ শ টকা লৈ

মই ক'ত যাম। তুমি আঢ়ৈশ টকা লৈ যোৱা. এইটো তোমাৰ বস্তু। তেতিয়া শৰৎ সিংহ চাৰে পইচাটো নল'লে। ললিত দলে ডাঙৰীয়াইও পইচাটো নল'লে। মাত্ৰ আঢ়ৈশ টকাৰ কাৰণে তেওঁলোকৰ দলৰ কাৰ্য্যকৰী সভা মাটি সিদ্ধান্ত ল'ব লগা হৈছিল। এই আঢ়ৈশ টকাৰে কিমান সততা, তেওঁলোকে দেখুৱাইছে। এনেকুৱা সৎ হিচাপে আমি যদি বিধায়ক সকলে কাম কৰিব পাৰোঁ, আৰু অফিচাৰ সকলেও যদি এনেকৈ সৎ হিচাপে কাম কৰিব পাৰে, তেহে চাৰ, ২০৩০ চনত Goal টো Achieve হ'ব। এইখিনি কৈ মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ-** Thank you. I have a list of six speakers. এতিয়া hardly I have twenty minutes. মই সেই কাৰনে অকনমান সময় দি সকলোকে মই recommended কৰিব বিচাৰো। মই নাম কেইটা কৈ দিছো, কাৰোবাৰ নাম যদি থাকি গৈছে কৈ দিব। গুৰুজ্যোতি দাস, মৃনাল শইকীয়া, দেবানন্দ হাজৰিকা, প্ৰমোদ বৰঠাকুৰ, গনেশ লিম্বু, ভবেন ভড়ালী, পবীন্দ্ৰ ডেকা, মতিউৰ ৰহমান মণ্ডল, আৰু নন্দিতা দাসে মোক কলে যে মোক নালাগে আৰু সময়ৰ অভাবৰ কাৰণে। তাৰ ঠাইত ৰো'জলিনা তিৰ্কীৰ নামটো দিছে। এতিয়া এই খিনি মানুহ মোৰ হাতত আছে। এতিয়া সেই কাৰনে মোৰ দিবৰ কাৰনে সকলোকে ইচ্ছা যায়। কিন্তু সময়ৰ কথা। আৰু কৰোবাৰ নাম ৰৈ গৈছে নেকি ? সঞ্জয় কিষানো আছিল। ইচ্ছাটো যায় কিন্তু সময় অলপ কম থাকে কাইলৈও আমাৰ হাউচ আছে, কম কমকৈ দিম বাৰু। গুৰুজ্যোতি দাস।

শ্ৰী আমিনুল ইছলাম, বিধায়কঃ- মাননীয় অধ্যক্ষ মহোদয়, The Speaker is who does not speak. আচলতে যি জনে Chairman ত বহে। তেওঁকো দিব লাগে।

মাননীয় অধ্যক্ষ ঃ- ঠিক আছে। গুৰুজ্যোতি দাস। অলপ অলপ বেছি নহয়। পইন্ট কেইটা কলেই হব।

শ্ৰীগুৰুজ্যোতি দাস, বিধায়ক ঃ- ধন্যবাদ অধ্যক্ষ মহোদয়, আপুনি যি মুল্যবান এটা বিষয়ৰ ওপৰত সদনত উপস্থাপন কৰিবৰ কাৰনে অলপ কবৰ কাৰনে যি সুবিধা দিছে, তাৰ কাৰনে ধন্যবাদ জ্ঞাপন কৰিছো। আৰু বিশেষ সময়ো দিয়া নাই আপুনি । তথাপি মই আৰম্ভনিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি কবিতাৰে মই আগবাঢ়িব লৈছো।

মই জানো বহু দিনৰ আগেয়ে নদীখনে কথা কৈছিল,
কিন্তু সি যেতিয়া বুজি পালে দুখৰ প্ৰতিটো টোপাল,
শব্দ দিগন্তৰ বাহিৰত বিলীন হৈ যায়,
সি মৌনতাক আকোৱালি ললে।
তাৰ বুকুলৈ বিভিন্ন জন আহিল, ধ্বংস কৰিবলৈ সৃষ্টি কৰিলে
আৰু তাকে সভ্যতা বুলি কলে সভ্যতা।
তাৰ বকুলৈ বিভিন্নজন আহিল, সেই ধ্বংসৰ অৰ্থ বিচাৰি।
আৰু তাকেই ইতিহাস নাম দিলে।
যিমানেই সময় সলনি হ'ল,
সিমানেই সময় স্থবিৰ হৈ ৰ'ল।
যিমানেই পৰিবৰ্তন হ'ল
সিমানেই অপৰিবৰ্তিত হৈ ৰ'ল।

দুখৰ টোপালবোৰ টোপে টোপে জমা হৈ

পাৰ ভাঙি বৈ এদিন নেদেখা নদীৰ বুকুলৈ এখন নেদেখা নদীৰ বুকুলৈ।

শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, যি Sustainable Development ৰ কথা ইতিমধ্যে আপুনি ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত বিভিন্নজনক মাতি আমাৰ লগত তেওঁলোকৰ যি উপদেশ চৰকাৰখনক তথা আমাৰ আগত দিছিল তেখেত সকলক ধন্যবাদ জ্ঞাপন কৰিছো। তাৰে ভিতৰত আমাৰ Health ৰ Speaker হিচাবে আছিল সমিৰ সিনহা. Climate change ৰ ওপৰত আছিল নৰৰাজ কুমাৰ, বিষ্ণু বৰুৱা ডাঙৰীয়া আৰু বহুত কেইজন ব্যক্তি আছিল। এই সকলোৱে তেওঁলোকৰ presentation আগবঢ়াইছিল। পৃথিবীৰ আৰম্ভ বা উৎপত্তিৰ প্ৰায় ৪ হাজাৰ ৫লাখ বছৰ হোৱা বুলি শুনা যায়। এই পৃথিবীত সভ্যতাৰ লগে লগে আমি প্ৰকৃতিখনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা নাছিলো আৰু আমি নিজে এক বিজ্ঞান সন্মত লৈ আগবাঢ়ি গৈছো। কিন্তু আমাৰ পূৰ্বপুৰুষ সকলে প্ৰকৃতিক পূজা কৰি আহিছিল। সূৰ্য্য দেৱতাক, বৰুণ দেৱতাক আৰু তাৰ লগে লগে অগ্নি দেৱতাক। আমাৰ চৰকাৰখন আৰম্ভণি হোৱাৰ পিছতেই যি নমামী ব্ৰহ্মপুত্ৰৰ কথা কৈছে, বৰাক ব্ৰহ্মপুত্ৰৰ কথা কৈছে, ই আচলতে এটা বিজ্ঞান সন্মত আৰু ই এক পৰ্য্যায়লোচনা আৰু ই এক মই ভাবো যে বিষয়ৰ কাৰণ। ইতিমধ্যে আপুনি এটা সুন্দৰ ভিডিঅ' ক্লি পিং আমাক দেখুৱালে আৰু সেই ভিডিঅ' ক্লিপিং টো আচলতে আমাৰ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াইও কৈছে, আমাক Whatsapp ত দিব লাগে আৰু এইটো সমগ্ৰ অসমত বিয়পি পৰিব লাগে। প্ৰতিজনৰ হাতলৈ যাব লাগে।

**মাননীয় অধ্যক্ষ** ঃ- মই সকলোকে দিম এটা এটা copy ।

**শ্ৰী গুৰুজ্যোতি দাস, বিধায়ক** ঃ- এই কথাটো হয়টো আমি উপলব্ধি কৰা নাই, একবিংশ শতিকাত আমি ব্যক্তি কেন্দ্ৰীক হৈ পৰিছো। সেই কাৰণে আমি পৰিবেশৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা নাই । পৰিবেশৰ ওপৰত গুৰুত্ব আৰোপ নকৰাৰ কাৰণে আমি বিজ্ঞানৰ যুগলৈ আগবাঢ়ি যোৱাৰ লগে লগে যেতিয়া ২০১৩ চনৰ ১৬ জুনত উত্তৰাখণ্ডত বহল বুকুত মহতীয়াই যোৱা এক প্ৰলংকাৰী বান পানী আৰু ভূমিস্খলনে প্ৰায় ৬ হাজাৰ লোকৰ প্ৰাণ হানি কৰিলে । আৰু ৪হাজাৰ ২শ খন গাওঁ বিধস্ত কৰি পেলালে। তেতিয়া আমি আকৌ ভাবিব ললো প্ৰকৃতিৰ কথা। কোনোও কব নোৱাৰে যে ভূমিকম্প কেতিয়া হব? চুনামী কেতিয়া হব? তাৰ লগে লগে আমি যদি ভাবো, যে নেপালৰ ২০১৫ চনৰ ২৫ এপ্ৰিলৰ ভূমিকম্পটোৰ কথা, যি ভূমিকম্পত প্ৰায় ৮৯৬৪ জনৰ মৃত্যু হৈছিল। ২১৯৫২ জন মানুহ আঘাত প্ৰাপ্ত হৈছিল আৰু প্ৰায় ৩৫ লাখ মানুহ গৃহহীন হৈছিল। আমাৰ তেতিয়া এই কথাটোৰ চেতনা আহিল, আমি পৰিবেশৰ লগত বেছি যুদ্ধ কৰিব নোৱাৰো। সেই কাৰণে হয়তো আমাৰ পূৰ্বপুৰুষে প্ৰকৃতিক পূজা কৰিছিল আৰু সেই প্ৰকৃতি পূজাটো আচলতে লাহে লাহে কমি গ'ল আৰু তাৰ কাৰণে হয়তো পৃথিবীখনৰ এই যি প্ৰভুৰ সৃষ্টি আছিল, এই ধৰিত্ৰী আইখন এই পৃথিবীখনৰ। হয়তো আমি চৰকাৰখনেও বলিষ্ঠ পদক্ষেপ লৈছো, আজি নমামি ব্ৰহ্মপুত্ৰ কৰাৰ তাৎপৰ্য্যটো হ'ল ব্ৰহ্মপুত্ৰখন আচলতে আমি সম্পদ বুলি ভবো নে সমস্যা বুলি ভাবো? কিন্তু আজি অসমখনৰ বহ্মপুত্ৰ আমাৰ সম্পদ। হয় কেতিয়াবা বান পানী আহে। কিন্তু বহ্ম পুত্ৰৰ পাৰত যি সকল লোকে বসবাস কৰে, তেওঁলোক অৰ্থনৈতিক ভাবে কিমান উন্নত বা শিক্ষা হিচাপে তেওঁলোক কিমান উন্নত, যদি এই কথা আমি আলোচনা ভিত্তিত আগবাঢ়ো, তাৰ পৰা নিশ্চয় ইয়াৰ এটা পৰিস্কাৰ প্ৰতিচ্ছবি- ফটফটীয়া এটা প্ৰতিচ্ছবি নিশ্চয় দেখিবলৈ পাম। Sustainable Development ৰ যি কেইটা Goal আমাৰ অসমৰ এজেণ্ডাত প্ৰকাশ কৰা হৈছে সেই এজেণ্ডাখনৰ Goal কেইটাত আছে দৰিদ্ৰতা নিমূলকৰণ।

**মাননীয় অধ্যক্ষ** ঃ- সেইখিনি আমি জানো। এইখিনি নালাগে, repeat হব নহলে।

**শ্ৰী গুৰুজ্যোতি দাস, বিধায়ক ঃ-** হয়, প্ৰায় ১৭ টা । এই ১৭ টা ইতিমধ্যে বহুকেইজন সদস্য সদস্যাই সুন্দৰ ভাবে বক্তব্য ৰাখিছে। সেই কাৰণে মই বিশেষ বক্তব্য ৰাখিব বিচৰা নাই, কথাটো হ'ল who cares for the natura? কিন্তু এই কথাখিনি যে কব লৈছো, যে আমি অসমৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াকো মই এই অধিবেশনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছো। তেওঁ যি গছ পুলি ৰোপনৰ কথা চিন্তা কৰিছে আৰু যি চাৰিটা সিদ্ধান্তৰ ভিতৰত এটা প্ৰদূষন মুক্ত, এই প্ৰদুষনমুক্তৰ ওপৰত আমিও প্ৰত্যেকেই গুৰুত্ব প্ৰদান কৰিব লাগিব। আৰু সমাজ ব্যৱস্থাত আমাৰ প্ৰত্যেকেই দায়িত্ব বহন কৰিব লাগিব। আমাৰ দায়িত্বত, প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ পদভূমি ন্যায়পালিকাৰ ভূমিকা, আমি কিমান পালন কৰিছো? আমি যদি চাবলৈ যাওঁ প্ৰায় বহুকেইখন আইন আমি পাইছো। মটৰ যান-বাহন আইন,১৯৮৮, ভাৰতীয় বন্দৰ আইন ১৯০৮, ফেৰি জাতীয় উদ্যান আইন ১৯০৮ চন, সমুদ্ৰতীৰ আইন ১৯৫৩ চন, ইজ মেনেজমেন্ট আইন ১৮৮২ চন, অৰিয়েন্টটেড গেছ কোম্পানী আইন ১৯৫৭ চন, ভাৰতীয় মীণ ক্ষেত্ৰ আইন ১৯৩৬ চন, ভাৰতীয় দণ্ড বিধি আইন ১৮৬০ চন, ফৌজদাৰি কাৰ্য্যপ্ৰণালী আইন, ১৯৭৩ চন, পাৰমানৱিক শক্তি বিতৰণ, ১৯৬২, নদী পৰিক্ৰমা আইন, ১৯৫৬ চন, প্ৰায় এনেকুৰা বহু আইন হয়তো প্ৰনয়ণ কৰা হৈছিল। কিন্তু এক তাৎপৰ্য্যপূৰ্ণ বিষয় যে আইন সমুহ কিমান প্ৰাধীকৰণ কৰা হৈছে বা কিমান ন্যায় সংগত হৈছে বা কিমান কাৰ্য্যকৰী হৈছে? আমি দেখিছো যে আমি কিমান জংঘল বা ফৰেষ্ট বেদখল কৰিছো? মাননীয় অধ্যক্ষ মহোদয়, Sustainable Development Goalৰ পাঁচ নম্বৰ Goalটো হৈছে লিঙ্গৰ সমানুবৰ্তিতা আৰু মহিলা সৱলীকৰণ। মহিলা সৱলীকৰণ সম্পৰ্কত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীক ধন্যবাদ জ্ঞাপন কৰিছো জনধন যোজনা, বেটি বচাওঁ বেটি পঢ়াও আৰু মহিলাসকলক সুৰক্ষিত কৰিবৰ বাবে উজ্বলা আঁচনি গ্ৰহণ কৰাৰ বাবে। মহিলাসকলক সন্মান জনাই ৰন্ধন গেছ দিয়াৰ ব্যৱস্থা কৰিছে। গেছ দিয়াৰ লগে লগে গছ কটাৰ পৰা ৰক্ষা পৰিছে, পৰিবেশ সংৰক্ষণ হৈছে। খৰিত ভাত বনালে মহিলাসকলে যি ধোঁৱাৰ সেৱন কৰে তাৰ পৰা বিভিন্ন ৰোগ হয় - সেইটোৰ পৰা মহিলা সকল ৰক্ষা পৰিছে। জনধন যোঁজনাৰ জৰিয়তে শূণ্যৰাশিৰ(zero balance) বেঙ্ক একাউন্ট খুলি দিয়াৰ ব্যৱস্থা কৰিছে। আমাৰ চৰকাৰখনে প্ৰায় ১৭ Goalৰ ২০৩০ Agenda লৈছে। এইটো সফল হ'ব তেতিয়াহে যেতিয়া আমি সকলোৱে কাম কৰি যাম। কৃষি, স্বাস্থ্য, শিক্ষা, পৰিয়াল পৰিকল্পনাৰ লগে লগে গ্ৰামোন্নয়ৰ কথা আজি কৈছে। এটাৰ লগত আন এটাৰ সম্পৰ্ক আছে মাননীয় সদস্য পেগু ডাঙৰীয়াই কৈছে কৃষিখণ্ডৰ কথা। অধ্যক্ষ মহোদয় আজি যদি এজন ছাত্ৰক সোধা হয় তেওঁ ডাঙৰ হ'লে কি হ'ব - তেওঁ ডাক্তৰ, ইঞ্জিনিয়াৰ হ'ম বুলি ক'ব। কিন্তু কোনেও কৃষক হ'ম বুলি নকয়। গতিকে আমি খেতিয়ক হ'বলৈ কেনেকৈ মানসিকতা যোগাই তুলিব পাৰো তাৰ ব্যৱস্থা কৰিব লাগিব। আমাৰ এই পৃথিৱীত আয়ুস কিমান? গুৰুজনাৰ ১২০ বছৰ আছিল, তাৰ পিছত আমাৰ এতিয়া সৰ্বাধিক ১০০ বছৰ হ'ল। গতিকে এই জীৱন পৰিক্ৰমাত আমি জীয়াই থকা দিন কেইটাত যদি উত্তৰ পুৰুষৰ কথা চিন্তা কৰি, সমাজ ব্যৱস্থাত মানুহৰ মানসিক পৰিৰ্বত কৰি, ইতিবাচক দিশত সকলোৱেই কাম কৰি যাব পাৰো, তেতিয়া আগন্তুক বাৰ বছৰত অৰ্থাৎ ২০৩০ চনত এই Agenda সফল হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰীভবেন্দ্ৰ নাথ ভৰালী। আমাৰ সময় যিহেতু কম, গতিকে আপুনি মূল কথাকেইটা কওক।

**শ্ৰীভবেন্দ্ৰ নাথ ভৰালী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সময় যিহেতু কম গতিকে মই চমুকৈ কেইটামান

পৰামৰ্শ আগবঢ়াব বিচাৰিছো। Sustainable Development Goal ত উপনীত হবলৈ হ'লে মই ভাবো চৰকাৰৰ তৰফৰ পৰা কিছু পদক্ষেপ লোৱাৰ প্ৰয়োজন আছে। অসম বিধান সভাৰ জৰিয়তে যদি আমি চৰকাৰলৈ কিছু পৰামৰ্শ আগবঢ়াব পাৰো তেতিয়া হ'লে নিশ্চিত ভাবে লক্ষ্যত উপনিত হ'ব আৰু আমি এখোজ আগলৈ যাব পাৰিম। আজি যিটো গোলকীয় উষ্ণতা সম্পৰ্কত ভিডিঅ' ক্লিপিং প্ৰদৰ্শন কৰা হ'ল সেই গোলকীয় উষ্ণতা সম্পৰ্কত মই বাজেট বিতৰ্কতটো বক্তব্য ৰাখিছিলো। আমাৰ অসমৰ যথেষ্ট ভূমি এনেয়ে পৰি আছে। এই ভূমি বিলাকৰ কিছু অংশ ভূমি সংৰক্ষিত কৰি গছ পুলি ৰোপনৰ ব্যৱস্থা কৰিব লাগিব। বৰ্তমান যতে ততে গছ পুলি ৰোপন কৰা হৈছে। মোৰ সমষ্টিত নেঘেৰিটিং, শিৱাদৌলত গছ পুলি ৰোপন কৰা হৈছিল। সেই ঐতিহাসিক শিৱদৌলত এহেজাৰ গছ পুলি গোলাঘাটৰ আৰক্ষী অধীক্ষকৰ জৰিয়তে ৰোপন কৰা হৈছিল যদিও বৰ্তমান মাত্ৰ ষাঠি, সত্তৰটা গছ পুলিহে বাছি আছে - বান্দৰৰ বাবে। পুলিচ ট্ৰেইনিং চেন্টাৰৰ পৰা প্ৰতি ১০ টা গছপুলি চাবৰ বাবে এজনকৈ মানুহ দিয়া হৈছিল আৰু গাৰৰ ৰাইজকো চাবলৈ দিয়া হৈছিল কিন্তু বান্দৰে ৰাতি আহি ভাঙি পেলাই। সেইকাৰণে মই ভাবিছো যে আমি গছপুলি ৰোপনৰ বাবে ভূমি সংৰক্ষণৰ এখন বিধেয়ক আনিব লাগে আৰু সংৰক্ষিত ভূমিসমূহত শাল গছ, আম গছ থলুৱা গছ ৰোপন কৰি গোলকীয় উষ্ণতা ecological balance টো meet up কৰিব পাৰিম। আমাৰ কাৰণে বহু প্ৰয়োজন হৈছে life under water। আমাৰ অসমত যথেষ্ট জলাশয় আছে। কিন্তু জলাশয়সমূহ গৃহ বা উদ্যোগ নিৰ্মাণৰ বাবে পুতি পেলোৱা হৈছে। আগতে আমি যোৰহাটৰ পৰা গুৱাহাটীলৈ আহিলে পথৰ কাষত বিভিন্ন জলাশয় দেখিবলৈ পাইছিলো কিন্তু বৰ্তমান সেই জলাশয়সমূহ মাটিৰে পুতি নতুন গৃহ নিৰ্মাণ বা উদ্যোগ নিৰ্মাণ কৰা দেখিবলৈ পাইছো। সেই জলাশয় বিলাক যাতে আমি সংৰক্ষণ কৰিব পাৰো, পানীখিনি সংৰক্ষণৰ ব্যৱস্থা কৰিব পাৰো তাৰ বাবে এখন আইনৰ প্ৰয়োজন হ'ব। যদি চৰকাৰৰ তৰফৰ পৰা বিধেয়ক আনে তেতিয়া সুবিধা হ'ব। ইয়াৰ পিছত Human Resource কথা কৈছে এই ক্ষেত্ৰত আমি স্কুল কলেজ প্ৰতিষ্ঠা কৰিলেই নহ'ব - আমাৰ যথেষ্ট drop-out আছে। গতিকে গাৱত থকা এনেকুৱা ল'ৰা-ছোৱালীক নীতিশিক্ষা দি শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে একো একোটা গোটক আমি দায়িত্ব প্ৰদান কৰিব লাগে। এই ক্ষেত্ৰত এঘন্টা বা দুঘন্টা শিক্ষা প্ৰদান বা সজাগতা সৃষ্টিৰ ব্যৱস্থা কৰা হয় তেতিয়া ভাল হ'ব। তেতিয়া আমি অন্তত quality education ৰ ক্ষেত্ৰত এখন platform পাম। মই ভাবো তেনেধৰণৰ যদি এখন বিধেয়ক আহে ভাল হ'ব। তৃতীয় কথাটো হ'ল মানৱ সম্পদ আছে প্ৰাকৃতিক সম্পদ আমাৰ যথেষ্ট আছে। আমাৰ খনিজ তেল, চাহ গছ আছে। কিন্তু আমি চাহ গছৰ অকল চাহপাতটোহে বিক্ৰী কৰো - চাহৰ পৰা আমি ৰং তৈয়াৰ কৰিব পাৰো। অধ্যক্ষ মহোদয়, আপোনাৰ আৰু মোৰ লগত একেলগে পঢ়া আমাৰ বন্ধু এজনে বৰ্তমান যোৰহাটস্থীত টোকলাই গবেষণা কেন্দ্ৰত চাহ গছৰ পৰা ৰং তৈয়াৰৰ সূত্ৰ আবিস্কাৰ কৰিছে। এই সম্পৰ্কত মই ক'ব বিচাৰিছো যে আমি এই প্ৰাকৃতিক সম্পৰ্দসমূহ ব্যৱহাৰ কৰিবলৈ শিকা নাই- সেই সম্পৰ্কত আমাৰ প্ৰযুক্তি নাই। আমাৰ ইতিমধ্যে গ্ৰেছ ক্ৰেকাৰ হৈছে। এই বিলাক সম্পৰ্কত আমি যদি নিবনুৱা সকলক আগবঢ়াই নিব পাৰো তেতিয়া হ'লে আমি অৰ্থনৈতিক ভাবে কিছু আগবাঢ়িব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত মই বাজেট বিতৰ্কটো কৈছিলো - খেতি মাটিখিনি এটা খেতি কৰাৰ পিছত যাতে পৰি নাথাকে তাৰবাবে দুই তিনি মাহৰ বাবে নিবনুৱাসকলক লিজট দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি গ্ৰাম্যন্নোয়ন বিভাগ নাইবা কৃষি বিভাগৰ জৰিয়তে বৈজ্ঞানিক পদ্ধতিৰে নিবনুৱাসকলক আগবঢ়াই নিয়াৰ ব্যৱস্থা কৰিব পাৰো। তেতিয়াহ'লে আমি অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত আগভাগ

ল'ব পাৰিম। অধ্যক্ষ মহোদয়, এইখিনিয়ে মোৰ তৰফৰ পৰা চৰকাৰলৈ পৰামৰ্শ থাকিল। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধনব্যাদ। আজি আমাৰ সময় শেষ হৈছে , কিন্তু বিষয়টোৰ ওপৰত দুজনমান মাননীয় সদস্যৰ ক'বলৈ বাকী আছে। সেয়েহে মই মাননীয় সদনে যদি অনুমতি প্ৰদান কৰে, তেতিয়া হ'লে কিছু সময় বঢ়াই লোৱা হ'ব।

(সদনে সময় বঢ়োৱাত সন্মতি প্ৰদান কৰে)

**মাননীয় অধ্যক্ষ ঃ** ধনব্যাদ। সদনৰ সন্মতি সাপেক্ষে কিছু সময় বঢ়াই লৈছো। এতিয়া মাননীয় সদস্য শ্ৰীমতিউৰ ৰহমান মণ্ডল।

**ডাঃ মতিউৰ ৰহমান মণ্ডল (মানকাচাৰ) ঃ মাননীয় অধ্যক্ষ মহোদয়,** Sustainable Development Goals ৰ ওপৰত দুষাৰমান ক'ব দিয়াৰ বাবে মই ধন্যবাদ জনাইছোঁ। যোৱা ফেব্ৰুৱাৰী মাহৰ ২৬ আৰু ২৭ তাৰিখে আপুনি এই বিষয়টো সম্পৰ্কে আলোচনা পাতিছিল। তাত ২০৩০ চনৰ Sustainable Development Goals ৰ মাধ্যমত আমাৰ ৰাজ্যখনত অহা ১২ বছৰত যি ১৭ টা Goal Sustainable Development Goals ত দিয়া হৈছিল, সেইবোৰৰ ১০০ শতাংশ ৰিজাল্ট আনিবৰ কাৰণে বিচৰা হৈছিল। মই চৰকাৰক ধন্যবাদ দিছো যে ২০১৫ চনৰ চেপ্তেম্বৰ মাহত United Nation ত Sustainable Development Goals ৰ ওপৰত যিটো আলোচনা হৈছিল, আৰু যি Sustainable Development Goals তেওঁলোকে Adopt কৰিছিল, তাৰ লগে লগে সেইটো আমাৰ অসম চৰকাৰেও আনিছে। গতিকে এইটো ভাল কাম হৈছে। সৃষ্টিকৰ্তাই পৃথিৱীখন বনাইছে। মানুহক জ্ঞান থকা শ্ৰেষ্ঠ জীৱ বুলি কোৱা হয়। বাকী প্ৰাণী, জীৱ-জন্তু, গছ-গছনি আদি সকলো পৃথিৱীত আছে। এখন পৃথিৱীত যিমান Bio-capacity আছে, পৃথিৱীখনৰ জলবায়ু, পৰিৱেশ, পৰিসৰৰ যি ক্ষয়-ক্ষতি হয়, সেইবোৰক মিলাই মানুহক ব্যৱহাৰৰ উপযোগী কৰি দিয়া হৈছে। মই এটা কথা স্পষ্টভাৱে ক'ব খুজিছো যে Sustainable Development Goals ৰাজনীতিৰ ওপৰত থাকিব লাগে। কাৰণ প্ৰতিজন মানুহ, প্ৰতিটো পৰিয়াল, গাওঁ এখন, সমষ্টি, জিলা., প্ৰদেশ, দেশখন তাৰ পিচত গোটেই পৃথিৱীখনক আগুৱাই যাব দিব লাগে। পৃথিৱীখন যাতে প্ৰদূষণমুক্ত হৈ থাকে আৰু নিষ্ঠুৰভাৱে মানুহে যাতে গছ-গছনি, জীৱ-জন্তু, নদী আদিক ক্ষয়-ক্ষতি নকৰি স্বাভাৱিকভাৱে থাকে তাৰ বাবে ব্যৱস্থা কৰিব লাগিব। যি ১৭ টা Goals ৰ কথা কোৱা হৈছে, আমাৰ যিহেতু সময় কম, সেয়েহে আমাৰ আগৰ বক্তাসকলে দুই-তিনিটা Goals ৰ ওপৰত কৈছে। এই ১৭ টা Goals প্ৰত্যেকজন মানুহৰ বাবে প্ৰযোজ্য। গোটেইখিনি মিলাই সহ অৱস্থান হ'ব, প্ৰাণীকুল, মানুহ আৰু গছ-গছনিৰ মাজত। ইয়াত পৰিৱেশৰ ওপৰত বেছি গুৰুত্ব দিয়া হৈছে। বহুত কথা আমি নেদেখো, আমাৰ চকুত নপৰে। কিন্তু ঘটনাবোৰ ঘটি থাকে। এখন পৃথিৱীয়ে যিমান Bio-capacity ধাৰণ কৰিব পাৰিব , তাৰ বেচি হ'লে ক্ষতি-গ্ৰস্ত হ'ব। বিভিন্ন কাৰণত প্ৰাকৃতিক দুৰ্যোগ হ'ব। আজি সদনত ভি ডি অ' যোগেও দেখুৱাইছে, সেইবোৰ হৈ থাকিব। কিন্তু আমি এটা কথাত ভুল কৰিব নালাগে যে ২০৩০ চনেই শেষ নহয়। আমাক টাৰ্গেট বান্ধি দিছে যে আমি ২০৩০ চনৰ ভিতৰত এটা পৰ্য্যায়ত আহিব পাৰোঁ। অসমত যেনেকৈ আজিৰ তাৰিখত অৰ্থাৎ ২০১৮ চনত Poverty Head count হৈছে, ২১.৯ শতাংশ। ২০৩০ চনত Poverty Head count কমাই অনাৰ ব্যৱস্থা লোৱা হ'ব। শূন্য শতাংশলৈ অনাৰ কাৰণে প্ৰ'পোজ কৰা হৈছে। এনেকুৱা যিবোৰ ফেক্টৰ সমাজখনৰ বাবে, দেশখনৰ বাবে, মানুহৰ বাবে ক্ষতি কাৰক সেইবোৰ Expected Limit লৈ অনাৰ চেষ্টা কৰা হ'ব। ২০৩০

চনত আমি থাকো বা নাথাকো, যদি আমি আশা কৰা অৱস্থাত আহি যায়, সেইটো continue হ'ব দিব লাগিব। এইটো যাতে শেষ নহয় আৰু এইটো এটা continuous process.২০০ বছৰৰ অৰ্থনৈতিক বিকাশৰ ওপৰত ভিত্তি কৰি, গৱেষণা কৰি গোটেই পৃথিৱীয়ে এটা সহমতত উপনীত হৈছে। সেইটোৱেই হৈছে.Sustainable Development Goals এই ১৭টা Goals মিলাই মানৱ জাতিৰ কাৰণে পৃথিৱীখন যাতে শান্তিপূৰ্ণ অৱস্থাত থাকিব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে। শিক্ষাৰ কথা কোৱা হৈছে। শিক্ষাটো লাগিব স্বাস্থ্যৰ কাৰণে। মই এজন ডাক্তৰ। ৪০ বছৰ ধৰি মই চাকৰি কৰি আছোঁ। ৪০ বছৰ আগতে স্বাস্থ্য খণ্ডৰ যিটো অৱস্থা আছিল আজি বহুত উন্নত অৱস্থাত আহিছোঁ। সৰু অপাৰেশ্যন এটাও আমাৰ অসমত হোৱা নাছিল। কিন্তু আজিৰ তাৰিখত গোটেই ভাৰতবৰ্ষত যিধৰণৰ অপাৰেশ্যন হয়, অসমতো হ'ব পৰা অৱস্থাত আছে। কিন্তু ইমান মানুহ হোৱাৰ পিছতো আমি পিছপৰি আছোঁ। আমাৰ কৰ্মচাৰী নাই, বহুতত ডাক্তৰ নাই। এই কথাবোৰ কোৱা হৈছে। World Health Organisation 20(WHO-20) ত ফ্ৰান্স নাম্বাৰ ওৱানত আছে। বাংলাদেশ ৮৮ নম্বৰত আছে আৰু ভাৰত ১১২ নম্বৰত আছে। আমি বাংলাদেশতকৈ পিছ পৰি আছো। এইটো লাজৰ কথা নহয়। এনেকুৱা কেতিয়াবা হয়। Sustainable Development Goals .ত চৰকাৰে ব্যৱস্থা লৈছে আৰু আমাৰ সমাজখনত .আমাৰ Communityত Grass Root লৈ যাতে Sustainable Development Goals .খন লৈ যোৱা হয়। আজি সদনত আলোচনা হৈছে, পিছলৈ জিলাত হ'ব, সমষ্টিত হ'ব, ব্লকবোৰত হ'ব। ইতিমধ্যে প্লেন ছপা কৰা হৈছে। সেইটো হ'লে এই কথাবোৰ জানিব। তেতিয়া মানুহে শান্তিত থাকিব পাৰিব। মানুহৰ মাজত হিংসা কমি আহিব। সকলো ফালৰ পৰাই যেতিয়া শান্তি আহিব, তেতিয়া মানুহৰ জ্ঞান আহিব যে পৃথিৱীখনক জীয়াই ৰাখিব লাগিব। আমি আজি আছোঁ কিন্তু আমাৰ পৰৱৰ্ত্তী সময়তে আমাৰ ল'ৰা-ছোৱালী বা তেওঁলোকৰ ল'ৰা-ছোৱালী সকলক যাতে অন্যায় কৰি নাযাওঁ তাৰ কাৰণেও চিন্তা কৰিব লাগিব। সকলো মিলি গোটেই পৃথিৱীখন জাগ্ৰত হৈছে । এইটো কৰাৰ কাৰণে সকলোৱে গভীৰভাৱে চিন্তা কৰিছে । সেইকাৰণে এই 17 টা Goal যদি আমি মিলাই লৈ আহিব পাৰোঁ তেতিয়াহ'লে শান্তি বিৰাজ কৰিব। অভাৱ-অভিযোগ কমি যাব। আমাৰ যথেষ্ট সংখ্যক খোৱা বস্তু থকা স্বত্বেও আমাৰ যিমান ধনী মানুহ আছে, সিমান দুখীয়া মানুহো আছে। ভাৰতবৰ্ষত আজিৰ তাৰিখত গোটেই ভাৰতৰ অৰ্থনৈতিক ব্যৱস্থাৰ ৯০শতাংশ অৰ্থনীতিৰ ১০ শতাংশ মানুহৰ হাতত আছে। গতিকে দেখা যায় ভাৰতৰ অৰ্থনীতি ১০ শতাংশ মানুহে নিয়ন্ত্ৰণ কৰি আ্ছে। ইয়াৰ ইমান এটা পাৰ্থক্য আছে। ধনী আৰু দুখীয়া মানুহ সমানুপাতিকভাৱে আছে। এই পাৰ্থক্যটো কেনেকৈ কমোৱা যায় এইটো চিন্তা কৰাৰ সময় আহি পৰিছে। আমাৰ Sustainable Developmenmt Goal ৰ লক্ষ্য হিচাপে ধৰা হৈছে, 2030। আমি আশা কৰিছোঁ, 2030 ৰ পাচতো এইটো চলি থাকিব, কাৰণ লক্ষ্য বহু দূৰলৈ আছে। গতিকে এই অত্যাৱশ্যকীয় বস্তু বোৰ এটা Level ত আহিব লাগে। ঈশ্বৰে মানুহক জীৱ শ্ৰেষ্ঠ হিচাপে বনাইছে আৰু পৃথিৱীৰ জীৱ-জন্তু, গছ-গছনি আদিক মানুহৰ ব্যৱহাৰৰ বাবে সৃষ্টি কৰিছে। আমি বতাহত থকা Oxigen লৈ জীয়াই থাকোঁ। Oxigen অবিহনে মানুহ ৩ মিনিটৰ বেছি সময় জীয়াই থাকিব নোৱাৰে। Oxigen পৃথিৱীৰ সকলোতে আছে। পানীৰ মাজতো আছে। মাছ, কাছকে আদি কৰি জলচৰ প্ৰাণী বোৰে পানীৰ পৰা Oxigen লৈ জীয়াই থাকে। এজন মানুহে এটোপালো পানী নোখোৱাকৈ ৩ দিন জীয়াই থাকিব, কিন্তু তাৰ পাচত তেওঁৰ প্ৰস্ৰাৱ বন্ধ হৈ Kidney আদি বেয়া হৈ মৃত্যুমুখত পৰিব। আমাৰ পৃথিৱীৰ ৪ ভাগৰ ৩ ভাগেই পানী । আমাৰ ভূ-খণ্ডৰ তলতো

পানী আছে। সৃষ্টিকৰ্তাই এই সকলোবোৰ জীৱৰ উপকাৰত অহাকৈ মিলাই সৃষ্টি কৰিছে। কিন্তু আমি কি কৰিছো, মানুহে মানুহক হিংসা কৰি অনিষ্ট কৰাৰ লগতে গছ কাটি, মাটি খান্দি প্ৰকৃতিৰো বিনাশ মাতিছো। ফলত কি হৈছে - **"অভাৱ"।** আজিৰ তাৰিখত অকল অসমতে 21.9% মানুহ দৰিদ্ৰতাত ভোগী আছে। এই সমস্যা সমাধান কৰিবলৈ হ'লে আমাৰ ইচ্ছাশক্তি লাগিব। আৰ্থিক সাহাৰ্য্য প্ৰদানৰ ক্ষেত্ৰত আমি কোনো ধৰণৰ ৰাজনীতি কৰিব নালাগে। কাৰণ Politics এটা বেলেগ বস্তু আৰু বিকাশ এটা বেলেগ বস্তু। Sustainable Development ৰ ক্ষেত্ৰত চৰকাৰৰ এটা গুৰু দায়িত্ব আছে। তদুপৰি, আমাৰ পৃথিৱীখনত আমি যাতে ভবিষ্যত প্ৰজন্মৰ কাৰণে এটা সুস্থ বাতাবৰণ দি যাব পাৰোঁ, প্ৰদূষণ মুক্ত কৰি ৰাখিব পাৰোঁ, তাৰ কাৰণে আমি সকলোৱে চেষ্টা কৰিব লাগে।

আমি দেখিছোঁ যে - আমাৰ মুঠ জনসংখ্যাৰ 50% তকৈ বেছি মানুহ কৃষিকৰ্মৰ লগত জড়িত, তথাপিতো এই Agriculture Sector টোত G.D.P. (Gross Dmomestic Production) ৰ ক্ষেত্ৰত ব্যয় কৰা হৈছে মাত্ৰ 15%। গতিকে এনেধৰণৰ কথাবোৰ আমি চাব লাগিব। সেইকাৰণে আমি কৃষিখণ্ডত পৰ্য্যাপ্ত পৰিমাণৰ পুঁজি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, মানুহ জীয়াই থাকিবলৈ কেইটামান বস্তু অত্যন্ত জৰুৰী। সেইকেইটা হল - খাদ্য, বস্ত্ৰ আৰু বাসস্থান। এইবিলাকৰ উপৰিও পানী, ৰাস্তা, বিজুলী, স্বাস্থ্য, মনোৰঞ্জন, ৰোজগাৰ, সংসাৰ, শিক্ষাকে আদি কৰি প্ৰায় ১২ প্ৰকাৰৰ বস্তু অতি প্ৰয়োজনীয় হৈ পৰিছে। গতিকে আমি এই অতি প্ৰয়োজনীয় বস্তু বিলাকৰ লগত কোনো ধৰণৰ ৰাজনীতি কৰিব নালাগে। ৰাজনীতিৰ পৰিসৰ বেলেগ। Politics must not be included on these "Needs" as it is the life and lively-hood of the common people. গতিকে দেখা গৈছে, সৃষ্টিকৰ্তায়ে সৃষ্টি কৰা সম্পদ সমূহ ৰক্ষণাবেক্ষণ কৰাৰ বাবে আমি চেষ্টা কৰিব লাগে। মানুহৰ মাজত "Needs" আৰু "Wants" দুটা বেলেগ বেলেগ বস্তু আছে। "Needs" হৈছে absolutely essential commodities. আৰু "Wants" হৈছে আশা। এইটো হৈছে মানুহৰ Needs পুৰণ হোৱাৰ পিচত অতিৰিক্ত ভাবে বিচৰা বস্তু। আমাৰ আশা বিলাকৰো এটা Limit থকাটো ভাল। মই আৰু মোৰ বক্তব্য বেছি দীঘলীয়া নকৰো। মাননীয় অধ্যক্ষ মহোদয়ে মোক দুষাৰমান কবলৈ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া বক্তব্য ৰাখিব বিধায়ক দেবানন্দ হাজৰিকাই।

**শ্ৰী দেবানন্দ হাজৰিকা, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত মোৰ বহুতো কব লগীয়া আছিল, কিন্তু মোৰ মনৰ কথাখিনি মোৰ আগৰ বক্তা সকলৰ মুখৰ পৰা শুনিলো। ভাল লাগিল। এই মূহুৰ্তত মই এটা কথায়ে বিশেষকৈ ক'বলৈ বিচাৰিছোঁ - ২০৩০ চনৰ ভিতৰত যিটো Sustainable Development Goal ৰ ১৭টা Point ৰ লক্ষ্য স্থিৰ কৰাৰ কথা ভাবিছে, মই ভাবো যদি আমি শিক্ষাৰ পৰ্য্যায়টো উন্নীতকৰণ কৰিব নোৱাৰোঁ, তেতিয়াহ'লে আমি এই Sustainable Development Goal ৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাটো সম্ভৱ নহ'ব।

আজি কিছুদিনৰ আগতে মাননীয় অধ্যক্ষ মহোদয়ৰ তত্বাবধানত **"Speaker's Initiative Programme"** ত মোৰ দুদিন বহাৰ সৌভাগ্য ঘটিছিল আৰু তাত মই আমাৰ শিক্ষাৰ পৰ্য্যায়টোৰ কথা শুনি আচৰিত হৈ গলো। পিচতো মই মোৰ ওচৰলৈ অহা বহুতো শিক্ষক বা শিক্ষক সন্থাৰ প্ৰতিনিধি সকলৰ লগত হোৱা আলোচনা মৰ্মে জানিব পাৰিলো যে - ২২,০০০ শিক্ষকৰ - আজি কালি ৰাতি টোপনি নহা হৈছে। কাৰণ ২০১৩ চনত যি সকলক সৰ্বশিক্ষাৰ অধীনত

চাকৰি দিয়া হৈছিল, তেওঁলোকক প্ৰথমতে যি Fixed payত নিযুক্তিহে দিলে, তাৰ পিচত আৰু কোনো ধৰণৰ Fresh Order ওলোৱা নাই। মুঠতে তেওঁলোকৰ Proper Apointment Order নাই। তেওঁলোকক একো নজনোৱাকৈ Scale দিয়া হ'ল, C.P.F. দিয়া হল, কিন্তু তেওঁলোকে একো নজনে C.P.F. কিমানকৈ কাটে। এতিয়া তেওঁলোকৰ মনত প্ৰশ্নৰ উদয় হৈছে - "**আমি চাকৰিত থাকিব পাৰিম নে নোৱাৰো**"? কিছুমান শিক্ষকে দৰমহা পোৱা নাই। এই শিক্ষক সকলে যেতিয়া শিক্ষা প্ৰদান কৰে, তেতিয়া তেখেত সকলৰ মগজুৰ 70% - 80% দৰমহা ৰ বিষয়টোতে নিমগ্ন হৈ থাকে। গতিকে তেওঁলোকে কি শিক্ষা দিব ? সেয়েহে তলৰ পৰায়ে যদি আমি Gear-up কৰি নাহোঁ, অৰ্থাৎ Primary School ৰ Infrastructure টো যদি আমি Up-lift নকৰোঁ, তেতিয়া হ'লে Education Level ত উন্নয়ণ অনাটো সম্ভৱ নহব। এইখিনিতে মই Will Smith ৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ। **Will Smith** য়ে পুতেকক কৈছিল - "**Don't let others to say, you can't do anything**". তেওঁলোকৰ proper appointment order নাই। তাৰ পিছত তেওলোকক নাজনোৱাকৈ scale দিয়া হ'ল। C P F দিয়া হ'ল। তেওলোকৰ চি পি এফটো কিমান কাটে তেওলোকে নাজানে। এতিয়া তেওঁলোকে চিন্তাত ভূগিছে যে আমি চাকৰিত থাকিব পাৰিমনে নাই? কিছুমান শিক্ষকে দৰমহা পোৱা নাই। এই মানুহবিলাকে যেতিয়া শিক্ষা দিব তেওলোকৰ চিন্তা শক্তিৰ ৭০- ৮০ ভাগ এই কামত নিযুক্ত হয় গতিকে তেওঁলোকে কি শিক্ষা দিব। আৰু infrastructure ক্ষেত্ৰত যদি আমি সবলীকৰন নকৰো তলৰ পৰাই যদি মানুহবিলাকক gear up কৰি নানো এই education level ত যেনেকৈ উইল স্মিথে পুতেকক কৈছিলে don't let others to say turn do anything . মানে এনেকুৱা এটা শিক্ষা গ্ৰহণ কৰিব লাগিব we can do something । তেতিয়া SDG growth ৰ ক্ষেত্ৰত কোনো বাধা আহিব নোৱাৰে। গতিকে শিক্ষাৰ ক্ষেত্ৰত যদি আৰম্ভনিতে আমাৰ এই lacuna বিলাক থাকি যায়। মোৰ পৰামৰ্শটো এইটো যে, শিক্ষকবিলাকৰ চাকৰিৰ ক্ষেত্ৰত তেওলোকৰ কেচবিলাক সঠিক ডিচিছন লৈ পেলাই শেষ কৰি দিব লাগে। তেতিয়াহে তেওলোকে গৈ ভাল শিক্ষা দিব। আৰু আমি এটা নৱ প্ৰজন্ম পাম। যিবিলাকে এই sustainable growth ৰ ক্ষেত্ৰত , sustainable goal assume কৰাৰ ক্ষেত্ৰত সদনত আমি যিবিলাক কথা আমি জনতাৰ মাজত গৈ পেলাই যদি sensedized কৰো তেতিয়াহ'লে তেওলোকৰ পৰা এটা support পাম। যদি এনেধৰনে শিক্ষা ব্যৱস্থাটো চলি থাকে তেতিয়াহ'লে এচ ডি জি গোলৰ ক্ষেত্ৰত আমি বৰ বেছি আগবাঢ়ি যাব নোৱাৰিম। তেনেকৈ কৃষিৰ ক্ষেত্ৰতো দেখা গৈছে। কৃষি খণ্ডত স্থবিৰতা দেখা গৈছে। মই নিজে মুখ্যমন্ত্ৰী মহোদয়ৰ কাৰ্য্যালয়ত তেখেতক কৈছিলো যে, আমাৰ অঞ্চলত মাটি মাহৰ খেতি ভাল হয়। বজাৰত এতিয়াও ২৫ টকাত বিক্ৰি কৰে। কিন্তু সেই মাটি মাহটো ফালি পেলাই বজাৰত ৬০ টকাত বিক্ৰি হৈ আছে। পৰামৰ্শটো হ'ল আমাৰ food & civil supply Minister ডাঙৰীয়াই এদিন মোক প্ৰশ্নোত্তৰত কৈছিলে যে আমাৰ অসমত ধানৰ উৎপাদন আমাৰ দৰকাৰতকৈ বেছি হয়। তেতিয়া মই কৈছিলো যে বাহিৰৰ পৰা চাউল কিয় আনিব লাগে। আমি বাহিৰৰ পৰা চাউল- ডাইল আনো। আমি কৈছো যে বাহিৰৰ পৰা চাউল অনাটো বন্ধ কৰক । supporting মূল্যটো আমাৰ কৃষকসকলক দিয়ক। তেতিয়া হ'লে আমাৰ কৃষকসকলে grow কৰিব। গতিকে এনেধৰনে প্ৰতিটো ক্ষেত্ৰত এনালাইচিচ কৰো ultimately process গৈ পৰে শিক্ষাৰ ক্ষেত্ৰত। গতিকে এই শিক্ষাটো আমি primary level তে develop কৰিব পাৰো । আমাৰ মামুন ইমাদাদুল

ডাঙৰীয়া যিখিনি Statistics দিছে এইবোৰ সত্য কথা । মোৰ সমষ্টিৰ কথাও কৈছে গতিকে এইবিলাক যদি আমি ভালকৈ চাব নোৱাৰো অকনমান লৰা ছোৱালীহঁতক যদি ভাল শিক্ষা দিব নোৱাৰো আমি যদি foundation টো যদি ঠিক কৰিব নোৱাৰো এচ ডি জিৰ বিষয়ে হাজাৰ আলোচনা কৰি থাকিলেও আমাৰ কিন্তু গতি কৰিব নোৱাৰিব। যত্ন কৰিলে ৰত্ন পায় আমি যদি শিক্ষা ব্যৱস্থাক গুৰুত্ব দিও চৰকাৰে গুৰুত্ব দিয়ে শিক্ষা ব্যৱস্থাত যি জামেলা আছে এইবিলাক যদি ones for all যদি শেষ কৰিব পাৰো তেতিয়া হ'লে হয়তো তেতিয়া তেওলোকে better education empart কৰিব পাৰিব। we will get better Human resource । গতিকে মই এইখিনি কথা কলো ?

মোৰ মতে sustain কৰো বা নকৰো goal কৰো বা নকৰো আমাক ষ্টেংথ দিয়ক বা নিদিয়ক এই গ্ৰ'থে কিন্তু ultimately it is depends upon proper education it can't change the system presently going on - than this will carry ।গ্ৰাফটো ওপৰলৈ গৈ থাকিব। বেয়া Health Level ওপৰলৈ গৈ থাকিব। যিমানে আমি অটল অমৃত বিলৰ পইছা নিদিও কিন্তু ইতিমধ্যে গোটেইখিনিত এটা মাত্ৰ কথা কৈছো যিসকল ডাক্তৰে ভগবানৰ নামত শপত খাই চাকৰি কৰে তেওঁলোকে নিজাকৈ লক্ষিমপুৰত হস্পিটেলৰ বাহিৰেও প্ৰাইভেট চেম্বাৰ খুলি লৈছে। তেওলোকে এজেন্ট নিয়োগ কৰি লৈছে। তেওঁলোকে বেমাৰীক কয় ইয়াত মোৰ সুবিধা নাই । মোৰ private chamber আহক। গতিকে যেতিয়ালৈকে এই মানসিকতা change নহয় তেতিয়ালৈকে আমি goal achieve কৰিব নোৱাৰিম। গতিকে এইবিলাকো চৰকাৰে গুৰুত্ব দিব লাগে। এইখিনি কৈ মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

মাননীয় অধ্যক্ষ ঃ অহা ৫-৬ তাৰিখে আমাৰ শিক্ষাৰ ওপৰত আলোচনা আছে। এই পইন্টটো আপুনি হাই লাইট কৰিব যাতে আমি ভালকৈ আলোচনা কৰিব পাৰো ।আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াও উপস্থিত থাকিব । আমিsustainable goal achieve কৰিবলৈ হ'লে আমাৰ primary Education টো ভাল কৰিব লাগিব। ধন্যবাদ দিছো। এতিয়া ৰোজলীনা তিৰ্কি।

**শ্ৰীমতী ৰোজলিনা তিৰ্কীঃ** Hon'ble Speaker :- Next Smti Roselina Tirkey . Smti Roselina Tirkey,Member :- Hon'ble Speaker Sir, I would start with the as Mahatma Gandhi the father of Nation has told the future depends on what you do today. So, another quote I would like to say about what he has told is that if we are under the shade of the tree it has been planted by someone sometimes so we are under the shade. So, discussion about Sustainable Development Goal is what we are talking about today what we have been discussing since, yesterday or some days earlier. So, what we are discussing about is to maintain and improving the quality of life when safeguard is imporant generation to come. There is a very well defined definition of Sustainable Development Goal. Here it is referred about the human development which is echologically, socially, economically sound and can be maintained over a longer period of time. We are born in Assam , we are born in a very gifted naturally rich State which is

rich in flora and fauna ,large scale of valleys and abundant natural resources.But somewhere there is a kind of worriness about the future. We often hear about the draughts of Maharashtra, water scarcity in Tamilnadu, a quality of Delhi, resources of conservation, rise of crime rates, traficking, unemployment income etc and many such issues globally. We cannot think of such a future for our State of Assam.

Today as we have seen the video clipping that says about the climate. We don't want that. So, we are very fortunate in our State that Sustainable Development Goal has been adopted at a very right time. We are the first State to adopt Sustainable Development Goal in India. So, I would like to thank our Hon'ble Speaker Sir that you have given us opportunity for all the members to speak on this topic and now as we have got this opportunity as the first State to discuss about this.Now we have an ample scope to tackle the situation to sustain the development and build a strong State. I believe we altogether with good will can develop for a brighter future. In attaining all the goals of Sustainble Development Goal there are seventeen No.s of goals we will have to place many challenges. One of the challenge is climate change. The hon'ble members has already mentioned the political differences and also the time bounds. Since the time is very less I would not cover all the goals but, I would go through the first two goals i.e poverty and ending of hunger.So, achieving food security and improve nutrition and promote sustainability povety has to be eradicated.

The first thing is that the population has to be controlled with a last two thousand census it was 3.12 crores population that has been increasing. The growth rate of the population should be lower. So, we have to see lowering of the population and we should address the unemployment. Since, if there is over populated too much unemployment is there so, we solve the problem of unemployment specially, and the message should be taken. Here, again also the other members have told I also agree with that the agriculture has to play a major role in this and to generate employment more and more. Small scale and cottage industries should be developed. As Assam is cultivation dependent and agriculture based so, it should be developed and it should show a mechanism modernised. I would say

like techniques,technology can be used to boost the yield of th production and this has resulted will increase the income. So, it is socially,economically,environmentally will be uplifted. So, I would suggest one that since agriculture has been playing a major NTTso the part LAC mini scientific agriculture centre should be set up so that all unemployed youth can go and learn the modern techniques and scientific techniques. That will help the youths to grow up and then we can have more production in the field of agriculture and we can eradicate poverty. Similarly, paddy, tea growing, fishing, sericulture,ginger and turmeric are also grown here and any other cultivation including the livestock also,everything come under agriculture.Whatever under the agriculture department it has done to be a scientific and modern technique ways. help the youth to grow up and then we can help more production in the field of agriculture and then we can eradicate proverty since there will be production of food and similarly paddy, tea growing, fishing, sericulture, ginger & termeric are also grown here and any other cultivation including the live-stock also. Everything comes under agriculture. Whatever, is under the Agriculture Department it has to be done in a modern & scientific technique way and obviously the traditions should be respected and should be maintained.

Coming to Public Distribution System, the poor section people should get food in ample quanity, with better quantity & subsidised rates. Next is productivity of poor, the productivity of the poor needs to be inceased, the poor should be given more employment. Investment should be made in private & public sector to generate employment. We should adopt a labour intensive technique of production. We should have technical development in such a way that human resources can be fully employed. Most of the people that are locked up in poverty are uneducated people, so we should bring up the education more so that they can be provided clean drinking water, education, health, electricity, roads and all the other things required.

Another thing is Climate Change, that everybody has told already so to attain the SDGs, Assam should be counted upon. As we are starting here in Assam, we can learn from the past years what has been done and connect the shortcomings in the future by 2030.

We the Representative, Government, Department, all Stakeholders, public, institutions as a whole together should perform and perfect our society and protect the vulnerable. It is not only the Representatives who has to be doing it but the public has to be involved and it should be taken to all fields. People should be involved and done and the main focus is not only what is spent but the result is to be achieved. Our goal should be, Development should be stable even in the crisis.

**माननीय अध्यक्ष** ঃ Thank you. তেওঁ ভাল কথা এটা প্ৰথম বাক্যত কৈছিলে গছ এজোপাত যেতিয়া গৈ বহে, কোনে গছ জোপা ৰুইছিল যাৰ কাৰণে আমি ছাঁ পাইছো। সেইটোৱে আমাৰ গোটেই উদ্দেশ্য হৈছে যে আমি পিছৰ প্ৰজন্মৰ কাৰণে কিবা এটা কৰি থৈ যাওঁ। যাতে climate তো ৰক্ষা হয়। গোটেই বস্তুটো ভাল থাকে। এতিয়া মাননীয় সদস্য শ্ৰী সঞ্চয় কিষাণ, আপুনি অলপ চমুকৈ কওঁক, যিহেতু সময় কম।

**শ্ৰী সঞ্চয় কিষাণ, তিনিচুকীয়াঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, মই কেইটামান সৰু সৰু কথা কব বিচাৰিছো।

অধ্যক্ষ মহোদয়, কেইদিনমান আগতে মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰীৰ লগত আমি ভূটানলৈ গৈছিলো। তাত আমি বহুত কথা শিকি আহিলো। বিশেষকৈ শিকিলো, তাৰ ভিতৰত শৃঙ্খলাবদ্ধ আৰু চহৰখন কিমান ধুনিয়াকৈ ৰখা । মই কব বিচাৰিছো পৌৰসভা, নগৰ সমিতি এই সৰু সৰু চহৰ, এইবিলাকত যিদৰে ঘৰ, নলা, উদ্যোগ নিৰ্মাণ হৈছে । ইয়াত কোনো ধৰণৰ শৃঙ্খলাবদ্ধ নাই। ভাৰতবৰ্ষত আছে যদিও অসমত বিশেষকৈ একো নাই। গতিকে আমি যিহেতু ভাবিছো ২০৩০ চনলৈকে নতুন অসম গঢ়িব বিচাৰিছো, সেইটো কেনেকৈ ভূটানৰ দৰে হ'ব, তাৰ ব্যৱস্থা লব লাগে।

মই কব বিচাৰিছো অধ্যক্ষ মহোদয়, আমি ২০৩০ চনলৈকে যেনেকুৱা পৰিবৰ্তন অসমলৈ যাব বিচাৰিছো আৰু অন্যান্য ৰাজ্য বিলাকেও বিচাৰিছে। কিন্তু তেওঁলোক 100 speed ত দৌৰিছে আৰু আমি 40 speed দৌৰি আছো। তাৰ কাৰণে ইতিমধ্যে আমি দেখা পাইছো যে অসমত যিখিনি পিছপৰা জাতি জনগোষ্ঠি আছে, সেই জাতি জনগোষ্ঠিৰ কল্যাণৰ কাৰণে বিভিন্ন আঁচনিসমূহ প্ৰস্তুত কৰা হৈছে। কিন্তু সিহঁতৰ 40 speed ত দৌৰিব পৰাকৈ সুবিধা বিলাক দিয়া হৈছে। তেওঁলোকক আমি 100 speed ত দৌৰিব পৰাকৈ সুবিধা বিলাক দিব লাগিব। লগতে আমি তেওঁলোকক যিখিনি সুবিধা দিছো চাহ জনগোষ্ঠিক, সংখ্যালঘুক, সোণোৱাল জনগোষ্ঠিক দিয়া হৈছে। সকলোতে যি অলপ অলপ টকা পইচা দি পেলাই পৰিবৰ্তন হ'ব বুলি যিটো আশা কৰিছো, ইয়াৰ এটা পৰিবৰ্তন হ'ব লাগে। যাতে আমি ২০৩০ চনলৈকে এই জনগোষ্ঠিবিলাক যিবিলাক পিছপৰি আছে, তেখেতসকলক আগুৱাই লৈ যাব পৰাকৈ এটা সঠিক দৃষ্টি দিব লাগে যাৰ দ্বাৰা আমি আগবাঢ়িব পাৰিম। লগতে স্বাস্থ্যক্ষেত্ৰতো গুৰুত্ব দিব লাগে, ইতিমধ্যে কেন্সাৰেই হওঁক, কিডনীৰ বেমাৰ, ব্ৰেইনটিউমাৰ আদিত মানুহৰ যথেষ্ট মৃত্যু হৈছে। যাৰ কাৰণে আজিৰ তাৰিখতো এটা সঠিক ব্যৱস্থা কৰিব পৰা নাই। কেতিয়ালৈকে আমি এইবিলাক ৰোগৰ পৰা মানুহক বচাবৰ কাৰণে কি নীতি গ্ৰহণ কৰিলে ২০৩০ চনলৈকে এইবিলাক নাইকিয়া কৰিব পাৰিম। গতিকে এই কাৰণে নিশ্চয় উপযুক্ত নীতি লব লাগিব, যাৰ ফলত স্বাস্থ্যৰ বিষয়ত আগবাঢ়িব পাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ যিকেইখন চাহ বাগিছা আছে, সেইখিনি গুৰুত্ব দি পেলাই যাতে বিশ্বৰ ভিতৰত ভাল চাহপাত উৎপাদন কৰি পেলাই সমগ্ৰ বিশ্বতে যাতে চাহ মৰ্য্যদাটো যাতে প্ৰতিষ্ঠা কৰিব পাৰে মই তেনেধৰণৰ আশা এটা কৰিছো।

আৰু বহুত কথা কবলগীয়া আছিলে, আমাৰ হাতত সময় যিহেতু কম, কমলা খেতিতো আমাৰ তিনিচুকীয়া , ডিব্ৰুগড় জিলাতেই হওঁক, যথেষ্ট হয়। কিন্তু আজিৰ তাৰিখত এই কমলা খেতিৰ ওপৰত কোনো ধৰণৰ গুৰুত্ব নিদিয়ে।

**শ্ৰী গণেশ কুমাৰ লিম্বু, বৰছলাঃ** ধন্যবাদ, মাননীয় অধ্যক্ষ মহোদয়, মই সংক্ষেপতে কব বিচাৰিছো। আচলতে আমাৰ SDGs ওপৰত আলোচনা কৰি এনেকুৱা লাগিছে যে পৃথিৱী যে ঘৰ আৰু সমগ্ৰ মানৱ জাতিৰ কাৰণে যি **১৭** টা লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে, এইটোত আলোচনা কৰিবলৈ পাই মই আনন্দিত আৰু সৌভাগ্যৱান বুলি অনুভাৱ কৰিছো।

আমাৰ যি **১৭** টা লক্ষ্য দিয়া আছে, মই ভাৱো যে প্ৰথম লক্ষ্য যিটো দৰিদ্ৰতাৰ বিষয়ত যিমান যি ধৰণে বাখ্যা নকৰো কিয়, মই এটা বিষয়ত কওঁ যে জনসংখ্যা বিস্ফোৰণৰ ইয়াৰ এটা প্ৰধান কাৰণ। সেয়ে **১৭** টা লক্ষ্যৰ ভিতৰত আৰু এটা লক্ষ্য সোমাব লাগে, যিহেতু আমাৰ অসমৰ নিচিনা ৰাজ্যই প্ৰথম বাৰৰ কাৰণে আমি জনসংখ্যা ৰোধৰ ক্ষেত্ৰত যিটো পদক্ষেপ লৈছো, যাতে সকলো ৰাজ্যই, সকলো ৰাষ্ট্ৰই জনসংখ্যা নিয়ন্ত্ৰণত্ৰ ক্ষেত্ৰত কাম কৰে। আমি যদি well education ৰ কথা কওঁ, কোনোবাই যদি hunger ৰ কথা কয়, যিমানে আলোচনা নকৰক কিয়, সকলোৰে গুৰিটো হ'ল জনবিস্ফোৰণ। আৰু এই বিষয়টো আমি এৰাই চলো। জনবিস্ফোৰণ বিভিন্ন কাৰণত হ'ব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি এটা ভাল কথা এটা কৈছে যে জনবিস্ফোৰণ নিয়ন্ত্ৰণ হ'ব লাগে।

**শ্ৰী গণেশ কুমাৰ লিম্বু, বৰছলাঃ** জনসংখ্যা বিস্ফোৰণ নোহোবাকৈ যেনে পৃথিৱীৰ ভিতৰত ভাৰতৰ মাটিকালী হ'ল 2.4 আৰু জনসংখ্যা হ'ল 18%. অসমৰ ক্ষেত্ৰতো যদি চাই জনসংখ্যা নিয়ন্ত্ৰনৰ ক্ষেত্ৰত চৰকাৰে বহুখিনি কৰিব লগীয়া আছে। তেতিয়াহে আমি Sustaintable Development Goals টো ৰক্ষা কৰিবলৈ সক্ষম হম।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো জন বিস্ফোৰণ এইটো এটা প্ৰধান কাৰণ, সেয়ে আমাৰ ১৭টা Point ৰ ভিতৰত এইটো Point Includ হব লাগে যিহেতু আমাৰ অসমৰ নিচিনা ৰাজ্যই প্ৰথম বাৰৰ কাৰণে আমি Population Control ৰ ক্ষেত্ৰত যিটো আমি Initiative লৈছো যাতে সকলো ৰাজ্যই সকলো ৰাষ্ট্ৰই যাতে Population নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কাম কৰে কিয়নো আমি যদি Well Education ৰ কথা কওঁ কোনাবাই যদি ভাল Hunger ৰ কথা কয়, আমি যিমানে আলোচনা নকৰো কিয়, সকলোৰে গুৰিটো হল জন বিস্ফোৰণ। এই বিষয়টো আমি এৰাই চলো অধ্যক্ষ মহোদয়, জন বিস্ফোৰণ বিভিন্ন কাৰণত হব পাৰে, ইয়াৰ Point বিলাক আলোচনা কৰিবলৈ যাওঁতে বহুত সময় লাগিব।

**মাননীয় অধ্যক্ষ** ঃ আপুনি ভাল point এটা কৈছে, জন বিস্ফোৰণটো Control হব লাগে।

**শ্ৰী গণেশ কুমাৰ লিম্বু (মাননীয় বিধায়ক, )** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানিব আমাৰ পৃথিবীৰ মুঠ মাটি কালিৰ ভিতৰত ভাৰতৰ হল ২.৪ আৰু আমাৰ জনসংখ্যা হল ১৮ শতাংশ, জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমাৰ চৰকাৰে আৰু বেছি কৰিব লগীয়া আছে।

**মাননীয় অধ্যক্ষ** ঃ তেতিয়াহে আমি Sustainable Developement Goals টো ৰক্ষা কৰিবলৈ আমি সক্ষম হম। I have taken your first point. আপোনাৰ Next point

টো কওঁক। আৰু যদি এইটোয়ে Point মই ভাবো It is a one of the best point. You come to the point, not discuss, what is the next point.

**শ্ৰী গণেশ কুমাৰ লিম্বু (माननीय বিধায়ক, )** ঃ মাননীয় অধ্যক্ষ মহোদয়, Industry ত আমাৰ Agriculture sector ত আমি যিটো আজি দেখা পাইছো যে Industry ত Food processing ৰ ক্ষেত্ৰত আমি যি ধৰণে গুৰুত্ব দিব লাগে সেইটো আমি দিয়া যেন অনুভৱ কৰা নাই। কাৰণ আমি ৩০ শতাংশ Food processing ত এতিয়ালৈকে Acheive কৰিব পৰা নাই। আমাৰ Food processing ক্ষেত্ৰত যি বিলাক নতুনকৈ Initiative লব Industry বোৰে এই ক্ষেত্ৰত আমি গুৰুত্ব দিব লাগে। কিয়নো আমাৰ যি বিলাক Large Agriculture involve হৈ আছে, তেওঁলোকে যাতে দুগুন নহয় তিনিগুণ এটা উৎপাদনৰ লাভ পায়। আমাৰ ইয়াত এনেকুৱা Industry আছে, যি বিলাক Industry য়ে আমাক কনো Benifit নিদিয়ে।

**মাননীয় অধ্যক্ষ** ঃ সেই বিলাক নালাগে You just give your suggestions, dont discuss.

**শ্ৰী গণেশ কুমাৰ লিম্বু (মাননীয় বিধায়ক, )** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি Industry বিলাক Assesment কৰিব লাগে যি বিলাক Industry য়ে Pollution বহুত কৰি আছে।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ কথাটো হল এনেকুৱা যি বিলাকে Pollution তৈয়াৰ কৰি আছে, তেওঁলোকক বন্ধ কৰাৰ কাৰণে ব্যৱস্থা লব লাগে যাতে Clean Environment পাওঁ। Next point আপোনাৰ ।

**শ্ৰী গণেশ কুমাৰ লিম্বু (মাননীয় বিধায়ক, )** ঃ মাননীয় অধ্যক্ষ মহোদয়, Forest ৰ বিষয়টোত আহিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ এইটো আপোনাৰ Last point. আৰু বেছি point নিদিব, যদি আপুনি দিয়ে Writting দিব চৰকাৰক, আমি আকৌ আলোচনা কৰিম।

**শ্ৰী গণেশ কুমাৰ লিম্বু (মাননীয় বিধায়ক, )** ঃ মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া আমি সৰু আছিলো তেতিয়া আমি বহুতো Forest দেখিছিলো। এতিয়া নতুনকৈ Forest বিলাক যাতে মানুহে দখল নকৰে আৰু আমি যি নতুন Forest বনাব গৈ আছো, সেইটো হব লাগে, কিন্তু এতিয়া যি Forest আছে, সেই বিলাকত মানুহে কিয় দখল কৰিব, আমি Forest বনায় থাকিম আৰু মানুহে দখল কৰি থাকিব । আমি পঞ্চয়তত ৩ মাহৰ পিছত Vigilance কমিটি বহো আৰু মই বিচাৰো অসম চৰকাৰে যাতে পঞ্চায়তৰ যি বিলাক সচিব আছে, তেখেত সকলক এই আমাৰ Sustainable Developement Goals ৰ লক্ষ্য ৰাখি আমাৰ যি গাওঁত Devolopment কৰিম সেই বিলাকত যাতে তেওঁলোকেও পৰিকল্পনা কৰি কাম কৰে আৰু আমি তাত যিহেতু সভাপতি হিচাবে থাকিম, আমি এই বিষয়ে অলপ ব্যাখ্যা কৰিব পাৰিম মই আপোনাক ইমানে কলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ Thank you. আমি Sustainable Developement Goals ৰ ওপৰত কৈ আছো আৰু নালাগে আৰু কলেও মাত্ৰ এটা এটা লাইন কব পাৰিব। কাৰণ এতিয়া সময় হৈ গৈছে।

**শ্ৰী যোগেন মোহন (মাননীয় বিধায়ক, মহমৰা )** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই Sustainable ~~Developement Goal উপনীত হবলৈ হলে প্ৰথমে মানুহৰ চিন্তা ধাৰা সলনি হব~~ লাগিব। দ্বিতীয়তে, সকলো মানুহক শিক্ষিত কৰি তুলিব লাগিব সেই কাৰণে শিক্ষা ব্যৱস্থাটো

যাতে সকলো শ্ৰেণীৰ ৰাইজে শিক্ষিত হয়, তাৰ ব্যৱস্থা লব লাগিব, দুই নম্বৰতে খোৱা-পানী আমাক লাগিবই নহলে বেমাৰ আজাৰ হয় মানুহ মৰিছে, Road Connectivity লাগিব। আমি দল মত নিৰ্বিশেষে আমি সকলো শ্ৰেণীৰ ৰাইজে সকলো বিধায়ক সকলে এই কথা চিন্তা কৰিব লাগিব। আৰু দুৰ্নীতি শেষ হব লাগিব তেতিয়া হলে আমাৰ ২০৩০ নালাগে ২০২৫ ত পাৰিম বনাব।

**মাননীয় অধ্যক্ষ ঃ** Thank you for optimism, মই সকলোকে ধন্যবাদ জনাইছো, আমি সকলোৱে Learning Stage ত আছো, আনকি মইও Learning Stage গোটেই কেইটা Goals ৰ ওপৰত মইও বিতং অধ্যায়ন কৰিব পৰা নাই, আমি এই কাৰণে Expert সকলক দিছিলো যে তেওঁলোকে আমাক কিছু পৰামৰ্শ দিছিল আৰু সেই কাৰণে কিতাপও দিয়া হৈছে,আপোনালোকক Expert সকলৰ। এটা Important poin আছিল যিটো কনোয়ে touch নকৰিলে। গতিকে মই শেষত কৈ দিছো এই কথাটো আমাৰ যিটো Health Care ৰ ক্ষেত্ৰত এখন আইনৰ কথা কৈছিল মহাৰাষ্ট্ৰত চলি আছে, আমাৰ ইয়াত নাই আমাৰ Expert নাই। Expert কিয় নাই কৈ গৈছে, দুজন মাত্ৰ ১বছৰত উলাই সেই কাৰণে Expert আমি উলাই দিব নোৱাৰো নহয় শিকিব লাগিব।

এখন এখন Medical College ত orthopadic ৰ দুটা seat থাকে, কিন্তু আমাৰ কিমান Medical College আছে, কিন্তু আমাৰ Expert Doctor নাই গতিকে আমি MBBS সকলোকো কৰবাত কৰবাত দুই এটা সৰু কামত নিয়োগ কৰিব লাগিব। সেই কথাটোৰ কাৰণে নাৰায়না হস্পিতালৰ ডেভি চেত্তী আহিছিল আৰু তেখেতে এইখিনি কথা কৈছিল যে মহাৰাষ্ট্ৰত এখন আইন আছে, যিখন আইনৰ জৰিয়তে MBBS Doctor সকলোকো appendix বা যি বিলাক সৰু সৰু বেমাৰ সেই বিলাকৰ চিকিৎসা কৰিবলৈ দিয়ে। কিন্তু আমাৰ ইয়াত MBBS Doctor ক কতো চুৰিখনও লগাব নিদিয়ে। সেই বস্তুটো খুব গুৰুত্বপূৰ্ণ আছিল, গতিকে মই ভাবিছো যে আমি তেখেত সকলৰ পৰা বহুত কথা শিকিছো আৰু আমি কেনেকৈ লক্ষ্যত উপনীত হব পাৰো তাৰ কাৰণে চেষ্টা কৰাৰ কাৰণে আজিৰ এই আলোচনা । আৰু এই আলোচনাৰ পিছতো আমাৰ আলোচনা চলি থাকিব। এতিয়া মই সকলোকে ধন্যবাদ জনাইছো, হয় মই সকলোকে কবলৈ সুবিধা দিব পৰা নাই কাৰণ সময়ৰ প্ৰতি লক্ষ্য ৰাখি মই মূল point টো কবলৈ কৈছিলো ।

**এতিয়া সদন অহাকালি ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হল ।**